# আলোচনী

## পাতিদৰং মহাবিদ্যালয়



তত্ত্বাৱধায়ক
শ্ৰীযুত তপন কুমাৰ শৰ্মা

সম্পাদক
ৰাকেশ কুমাৰ ডেকা

# আলোচনী

## পাতিদৰং মহাবিদ্যালয়

ইং ২০০৬-০৭ বৰ্ষ

অষ্টাদশ বছৰ - সপ্তদশ সংখ্যা

**PATIDARRANG COLLEGE MAGAZINE**

Year 2006-2007

18th Year : 17th Issue

নৱবৰ্ষৰ শুভেচ্ছাৰে -

মাননীয় / মাননীয়া, ..............................

..............................

..............................

সম্পাদক


তত্বাৱধায়ক

শ্ৰীযুত তপন কুমাৰ শৰ্মা

সম্পাদক

ৰাকেশ কুমাৰ ডেকা



# পাতিদৰং মহাবিদ্যালয় আলোচনী

## ইং ২০০৬-০৭ বৰ্ষ

অষ্টাদশ বছৰ - সপ্তদশ সংখ্যা

### সম্পাদনা সমিতি

উপদেষ্টা
শ্ৰী গিৰিধৰ শৰ্মা, অধ্যক্ষ

তত্বাৱধায়ক
শ্ৰী তপন কুমাৰ শৰ্মা, প্ৰবক্তা

সম্পাদক
শ্ৰী ৰাকেশ কুমাৰ ডেকা


সদস্য
শ্ৰী দুলাল শৰ্মা, প্ৰবক্তা
মহঃ আবুল কালাম আজাদ
শ্ৰী হেমন্ত কুমাৰ দাস

প্ৰকাশক
ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়

বেটুপাত / অংগ সজ্জা
ৰাজীৱ ৰাজবংশী

মূদ্ৰন ঃ আধুনিক অফছেট প্ৰেছ
খাৰুপেটীয়া

## শ্ৰদ্ধাঞ্জলি



জন্ম ঃ ইং ২০/৩/৮৬ মৃত্যু ঃ ইং ৩১/১০/০৭

আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ বিনম্ৰ ছাত্ৰ গণেশ বড়ো আকস্মিক পথ দুৰ্ঘটনাত আমাৰ মাজত শোকৰ ছাঁ পেলাই চিৰ দিনৰ বাবে আতৰি যায়।

স্বৰ্গীয় গণেশ বড়োৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781 014
Website : htta//aasu.m 2014.net
Phone : 2571130
2602890

প্ৰসঙ্গ ঃ

দিনাংক ঃ ৮/১/২০০৮



শুভেচ্ছাবাণী -

প্ৰতি বছৰৰ দৰে এইবাৰো পাটাচাৰকুছিৰ - মহাবিদ্যালয় (প্ৰাদেশিক) বজালী মহাবিদ্যালয়ৰ - আলোচনীখন প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰা বাবে সকলোলৈকে ধন্যবাদ জনাইছোঁ।


সাহিত্য জাতিৰ দাপোণ। পাটাচাৰকুছি মহাবিদ্যালয়ৰ আলোচনীখনিয়ে আমাৰ উত্তৰ-পূৰ্ব কামৰূপ অঞ্চলৰ বিশেষকৈ পাটাচাৰকুছি অঞ্চলৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহাসিক তথ্য বৌদ্ধিক সমাজত স্থান লাভ কৰিব বুলি আশা কৰিছোঁ। লগতে, পাটাচাৰকুছি মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধি কামনা কৰিছোঁ।

বিশ্বশান্তি ঐক্য সুস্থতাৰে সমাজ - এয়ে মোৰ শুভেচ্ছা যাচিলোঁ।

ধন্যবাদেৰে -

(স্বাঃ) ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য
উপদেষ্টা -
সদৌ অসম ছাত্ৰ সন্থা -
অধ্যক্ষ; উত্তৰ পূৰ্বাঞ্চল ছাত্ৰ সংগঠন।

## কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ



## মাননীয় শ্ৰীযুত গিৰিধৰ শৰ্মা

# সূচী-পত্ৰ


অধ্যক্ষৰ কলম / ক
সম্পাদকীয় প্ৰতিবেদন / খ
জীৱনৰ এখিলা পাত, *মঃ ইছলাম আলী / ১*
অভাৱ, *শ্ৰী কনকলতা বৰুৱা (কৱিতা) / ৪*
বন্ধুত্ব, *মিছ দিপিকা ডেকা / ৮*
ৰবীন্দ্ৰনাথৰ "নষ্টনীড়" আৰু নাৰী মনস্তত্ব, *মৃদুলা ডেকা / ১১*
ভাষাৰ উৎপত্তি, *শ্ৰী ভবানী দাস / ১৪*
ভগ্নআশা, *শ্ৰী ৰীমামনি ডেকা / ১৬*
জোনাকত এন্ধাৰ, *শ্ৰী বিক্ৰম শৰ্ম্মা / ১৮*
জানিবলগীয়া কথা / ১৯
যুৱ সমাজত মাদক দ্ৰব্যৰ ৰেঙনি, *শ্ৰী জুৰি ৰাজবংশী / ২০*
পাতিদৰং অঞ্চলত প্ৰচলিত লোকগীত, *ড° বনলতা কলিতা / ২১*
কম্পিউটাৰ তথ্য সৰবৰাহত 0 আৰু 1 ৰ ব্যৱহাৰ / ২৯
"নীলা খামৰ চিঠি", *শ্ৰী মানসী পটোৱাৰী / ৩০*
শায়েৰী, *সগ্ৰাহক - মিছ ৰঞ্জুমণি ডেকা / ৩১*
যৌতুক, *শ্ৰী অমল চন্দ্ৰ দাস / ৩২*
কুইজ, *সংগ্ৰাহক - শ্ৰী জুৰিপ্ৰভা নাথ / ৩৪*
টমাছ আলভা এডিছনৰ জীৱনী, *সংগ্ৰাহক - শ্ৰী জুৰিপ্ৰভা নাথ / ৩৫*
কৌতুক, / ৩৭

**কবিতা**

হে পাতিদৰং মহাবিদ্যালয়, *সংগ্ৰাহক - শ্ৰী জুৰি প্ৰভা নাথ / ৩৮*
মৰম, *শ্ৰী নৱজিৎ দাস / ৩৮*
বেদনা, শিল্পীৰ নাম, *শ্ৰী সবিতা শৰ্ম্মা (চিতু) / ৩৯*
বাছ ষ্টপেজ, *শ্ৰী ডালিমি দেৱী / ৩৯*
সোৱৰণী, *শ্ৰী লক্ষ্যধৰ চৌধুৰী / ৪০*
মৃত্যু, *সবিতা দেৱী / ৪০*
জীয়াই থকাৰ গান, *চিৰাজুল হাজৰিকা / ৪১*
চেতনা, *মিচ জেচমিন আহমেদ / ৪১*
বিষন্নতা, *শ্ৰী ৰেখা দাস / ৪২*
নিৰ্জনতা, *মহঃ খাইৰুল আলী / ৪২*
দগ্ধ হৃদয়, *মিছ সোনমা বেগম / ৪৩*
দিবানে এবাৰ দেখা, *জোনটি নাথ / ৪৩*
তোমাৰ অপেক্ষাত, *শ্ৰী চন্দন ডেকা / ৪৪*
প্ৰতীক্ষা, *শ্ৰী মৃগেন্দ্ৰ কুমাৰ চৌধুৰী / ৪৪*
আত্মীয়তা, *শ্ৰী মুনিন্দ্ৰ পাটোৱাৰী / ৪৫*
স্মৃতি কিয় আহা ?, *শ্ৰী ৰবীতা দাস / ৪৫*
"অন্তিম যাত্ৰা", *শ্ৰী দীপ্তি ৰাণী ডেকা / ৪৬*
আশা, *শ্ৰী কুলেন ডেকা / ৪৬*
"আকাংক্ষা", *শ্ৰীমৃদুলা দেৱী / ৪৭*
"মানৱ জীৱন", *শ্ৰী গীতাঞ্জলী ডেকা / ৪৭*
সোৱৰণী, *শ্ৰী ৰবিতা ডেকা / ৪৮*
পাতি দৰং, *প্ৰীতিমনি ডেকা / ৪৮*
কবিতা, *শ্ৰীতপন কুমাৰ শৰ্ম্মা / ৪৯*
বিষাদ, *শ্ৰী পূৰবী দাস / ৪৯*
অপ্ৰকাশ্য, *মিছ ৰুপুমা বেগম / ৫০*
জালুকবাৰী, *শ্ৰী মৰমী বড়ো / ৫০*
'এজাক ধুমুহা', *মিছ ৰহিমা বেগম / ৫১*
মৰমৰ এনাজৰী, *নমিতা কাকতি / ৫১*
জীৱন বাটত, *শ্ৰী তপন কাকতি / ৫২*
স্বাধীনতা, *শ্ৰী পিংকী কুমাৰ / ৫২*
হেপাহ, *শ্ৰী মুক্তাৰাম ডেকা / ৫২*
প্ৰিয়া, *শ্ৰী ব্ৰজেন ডেকা / ৫৩*
প্ৰেম প্ৰতীক্ষাৰ সপোন, *শ্ৰী ৰুনুমী দাস / ৫৩*
জীৱনৰ দুপৰীয়া, *শ্ৰী চন্দনা দাস / ৫৪*
অনুৰাগ, *শ্ৰী অনিতা শৰ্ম্মা / ৫৪*
মহৎলোকৰ বাণী, *শ্ৰী নৱ দাস (সংগ্ৰাহক) / ৫৫*
কৌতুক / ৫৬
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৫৭
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৫৯
Result of Annual Sports-2006 of Pati Darrang College / ৫৯
সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন / ৬০
সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / ৬১
ছাত্ৰ জিৰণী কোঠাৰ বিভাগীয় সম্পাদিকা প্ৰতিবেদন / ৬২
খেল বিভাগৰ সম্পাদৰ প্ৰতিবেদন / ৬৩
সম্পাদনা সমিতি / ৬৪

# আলোচনী

## অধ্যক্ষৰ কলম .............

*আধুনিক বিজ্ঞানৰ উন্নতিৰ লগে লগে আমাৰ মনৰ পৰিধি বাঢ়ি যোৱাটো তেনেই স্বাভাবিক। কাৰণ বৰ্তমান বিজ্ঞানৰ যুগত সকলো কথাই বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে পৰ্য্যালোচনা কৰিবৰ হ'ল। আওপুৰণি কৃষিকৰ্মক বাদ দি মানুহে বৈজ্ঞানিক পদ্ধতিৰে কৃষিকৰ্মক আদৰিলে। কাৰণ আজিৰ যুগটোৱেই হৈছে বিজ্ঞানৰ যুগ। আমাৰ ইতিহাস ৰীতি-নীতি, ভাষা সংস্কৃতি সকলোকে গোটাই লৈ নতুন ধ্যান ধাৰণা আৰু বিজ্ঞান সন্মত চিন্তা ধাৰাৰে জাতীয় মৰ্য্যদা বঢ়োৱাটোহে কাম্য হোৱা উচিত। এনেকুৱা এটা চিন্তা ধাৰাৰ মাজতেই কেইজন মান চিন্তাশীল ব্যক্তিৰ মাজত জন্ম হৈছিল 'পাতিদৰং মহাবিদ্যালয়' কামৰূপ জিলাৰ পাতিদৰং মৌজাত ১৯৮৯ চনৰ ৩১ আগষ্টত জন্মদিয়া 'পাতিদৰং মহাবিদ্যালয়' খন আজি সকলোৰে হিয়াৰ আমঠু হৈ পৰিছে। যি সকল মনিষিয়ে ইয়াক জন্ম দিছিল তেওঁ সকলক আমাৰ মহাবিদ্যালয়ৰ মজিয়াৰ পৰা হিয়া ভৰা শ্ৰদ্ধা নিবেদিছো। বৰ্তমান যুগত খাপ খোৱাকৈ এখন উন্নত মানৰ মহাবিদ্যালয় হিচাবে গঢ়িতুলিবলৈ আমি (মহাবিদ্যালয় পৰিয়াল প্ৰতিজ্ঞাবদ্ধ হ'লো। ইয়াৰ স্থানিয় প্ৰতিজন ব্যক্তিলৈ মোৰ অন্তৰভৰা শ্ৰদ্ধা নিবেদিছো। শেষত মহাবিদ্যালয়ৰ সমূহ প্ৰবক্তা কৰ্মচাৰীলৈ মোৰ আন্তৰিক মৰম শ্ৰদ্ধা জ্ঞাপন কৰিছো। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলোকে ধৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সৌজন্যমূলক আচৰণে মোক যথেষ্ট সহায় কৰিছে। মোৰ এই লিখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জ্বল ভৱিষ্যত ভগবানৰ ওচৰত কামনা কৰিছো।*

*সদৌ শেষত সমূহ ৰাইজ শিক্ষক-কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীৰ গঠনমুলক পৰামৰ্শ বিচাৰি মোৰ এই লিখনিৰ সমাপ্ত কৰিব খুজিছো।*

*জয়তু পাতিদৰং মহাবিদ্যালয়*

*শ্ৰী গিৰিধৰ শৰ্মা*

*অধ্যক্ষ*

*পাতিদৰং মহাবিদ্যালয়*



# সম্পাদকীয় প্ৰতিবেদন

সম্পাদকীয় কলমৰ পাতনিতে অসমীয়া জাতি, সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণহুতি দিয়া জ্ঞাত অজ্ঞাত শত সহস্ৰ মৃত্যুঞ্জয়ী শ্বহীদৰ বিদেহী আত্মাৰ পৱিত্ৰ স্মৃতিত অশ্ৰুসিক্ত নয়নৰে সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ লগতে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিবলৈ ওলাইছো সেই সকল স্বনাম ধন্য ব্যক্তিক যি সকলে অপৰিসীম ত্যাগ, ঐকান্তিক প্ৰচেষ্টা আৰু অদম্য কৰ্মপ্ৰেৰণাৰে পাতিদৰং মহাবিদ্যালয়ৰ দৰে মহান অনুষ্ঠানটিৰ গঢ় দিছে।

সাহিত্য আৰু সংস্কৃতি এটা জাতিৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত। এটা জাতিক জীয়াই ৰাখিবলৈ সেই জাতিৰ সাহিত্য-সংস্কৃতি জীয়াই ৰাখিব লাগিব। কিয়নো সাহিত্যৰ দ্বাৰাহে এটা জাতিৰ জন জীৱনৰ ভিন্ন দিশ প্ৰতিফলিত হব পাৰে। এটা জাতিৰ কলা-সংস্কৃতি, আচাৰ ব্যৱহাৰ আৰু সমাজৰ প্ৰকৃত পৰিচয় সাহিত্যৰ যোগেদিয়েই পাব পাৰি।

বিজ্ঞানৰ বলত আজি বিশ্ব উচ্চ শিখৰত উপনীত হব পাৰিছে। এই উন্নতিত বিজ্ঞানে যিমান অৰিহনা যোগাইছে , সেই দৰে সমাজৰ উন্নতিত সাহিত্যই সিমানখিনি অৰিহনা যোগাইছে।

সমাজ সংগঠনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট কৰ্তব্য আছে। প্ৰতিজন ছাত্ৰ-সমাজৰ অংগ স্বৰূপ এটা জাতি বা এখন সমাজৰ ভৱিষ্যত ছাত্ৰ সমাজৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু অতি পৰিতাপৰ কথা যে আজি ছাত্ৰ সমাজৰ অভাৱনীয় অৱক্ষয় ঘটিছে। বৰ্তমানৰ প্ৰতিকুল শৈক্ষিক পৰিবেশৰ বাবে অধ্যয়নৰত ছাত্ৰ সমাজত আজি এক কলুষিত বতাহৰ বা বলিছে। চাৰিওফালে মাথো হাঁহাকাৰ আৰু মৃত্যুৰ বিভীষিকা। ফলত পৃথিৱীৰ চৌদিশ আজি অশান্তিৰ কলা ধোৱাৰে আৱৰি ধৰিছে। এই অশান্তিৰ কাৰণস্বৰূপে ধৰ্মীয় গোড়ামী, আত্মীয়তা বোধৰ অভাৱ, দেশৰ ৰাজনৈতিক বাতাবৰণ, দুৰ্বল প্ৰশাসনিক ব্যৱস্থা, কৰ্মহীন শিক্ষা ব্যৱস্থা আদিয়েই নৈতিকভাৱে দায়ী। সেয়ে দেশ তথা জাতিৰ উন্নতিৰ অৰ্থে ছাত্ৰ সমাজে শোষকৰ বিৰুদ্ধে কলমক বিপ্লৱৰ আমোঘ অস্ত্ৰৰূপে লৈ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু সাংস্কৃতিক সকলো দিশতে শীঘ্ৰে আমূল পৰিৰ্তন আনি শান্তিপ্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন আহি পৰিছে।

কৃতজ্ঞতা স্বীকাৰ - প্ৰথমে ২০০৬-০৭ বৰ্ষৰ আলোচনীখন সম্পাদনা কৰাৰ বাবে সুযোগ দিয়া সমূহ সতীৰ্থলৈ মই হৃদয়ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আলোচনীখন সম্পাদনা কাৰ্যত মোক প্ৰতিটো পদক্ষেপত সহায় সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা, তত্বাৱধায়ক শ্ৰী তপন শৰ্মা, অধ্যাপক শ্ৰী দুলাল শৰ্মা দেৱলৈ শ্ৰদ্ধাৰ শৰাই যাচিলোঁ।

সদৌ শেষত আলোচনীখন আপোনালোকলৈ আগবঢ়াই অজানিতে হোৱা ভুলৰ ক্ষমা বিচাৰি সম্পাদনা কক্ষৰ পৰা বিদায় মাগিছোঁ।

শ্ৰদ্ধাৰে -
শ্ৰী ৰাকেশ কুমাৰ ডেকা
আলোচনী সম্পাদক
২০০৬-০৭ বৰ্ষ

# জীৱনৰ এখিলা পাত

চ'তৰ এটা মিঠা আবেলি। নৈপৰীয়া চিনাকী সুৱাসসনা চেঙেলীয়া বতাহজাকে দুষ্ট সুহুৰি মাৰি বাৰে বাৰে জোকাই থৈ যায়হি "ৰাণী" ৰ এই গছ গছনি তথা ইয়াত থকা মানুহৰ মনবোৰক। নৈপৰীয়া ধুনীয়া ডেকা-গাভৰু জাকৰ বহৰ্মথুৰি পাত চোৱাই পলসুৱা কৰা ওঁঠযুগলত সিঁচি দি যায় খিলখিল গাভৰু গুটি, সিহঁতজাকৰ চঞ্চলা হাঁহিৰ মুদ্ৰাত প্ৰাণ পায় শিলে, আকাশে ফাকু খেলে ৰ'দৰ, প্ৰেমিকাই মৰমৰ, মৰা নদীয়ে চুমা দিয়ে পানী মেটেকাৰ কুমাৰী শৰীৰত লঠঙা গছে সপোন দেখে কুঁহিপাতৰ, নাম নজনা প্ৰেমিক চৰায়ে বিষাদৰ সলনি গীত গায় মিলনৰ আৰু নেকিবে "ৰাণী" ৰ নৈৰ পাৰত বহি স্মৃতিক সোঁৱৰে। হয়টো সি জীৱনত কেতিয়াও পাহৰিব নোৱাৰিব "ৰাণী" নামৰ এই ঠাই টুকুৰাক। ইয়াত থকা গছ-গছনি, নৈৰ মাজে মাজে থকা শিল আদি দেখা পালে তাৰ সেই দিনটো ঘুৰাই পোৱা যেন লাগে। যিটো দিন আৰু ৰাণী নামৰ ঠাইটুকুৰা তাৰ স্মৃতিৰ কুঁকিত চিৰদিনৰ বাবেই ৰৈ গ'ল। যিটো দিনত "জুৰি" নামৰ ছোৱালীজনীক দেখি তাৰ অন্তৰৰ নিভৃত কোনত জন্ম হৈছিল "প্ৰেম" শব্দটো। যাক প্ৰথম দেখিয়ে বুকুৰ মাজেৰে আৱেগৰ নাও অহা যোৱা কৰিবলৈ লৈছিল এই "ৰাণীতে"।

ডিচেম্বৰৰ শেষত Environmental study Practical ৰ কাৰণে কলেজৰ স্নাতক দ্বিতীয় বৰ্ষৰ সকলো ছাত্ৰ-ছাত্ৰী তথা চাৰ-বাইদেউ মিলি প্ৰেমৰ নগৰ জালুকবাৰীৰ পশ্চিম-দক্ষিণ কোনত অৱস্থিত "ৰাণী" লৈ ৰাতিপুৱা বাছৰে সাত বজাত যাত্ৰা আৰম্ভ। বাছত সকলোৰে যেন আনন্দৰ সীমা নাই। "শৰাইঘাটৰ দলং" পাওতে কেইজনমানে বাছৰ খিৰিকিৰে মুৰ উলিয়াই চাওতে Practical ছাৰে ভাল গালি পাৰিছিল। "ৰাণী" পাওতে প্ৰায় দুঘন্টা সময় লাগিল। গাড়ীৰ পৰা সকলো বস্তু এটা নিৰ্দিষ্ট স্থানত ৰাখি সকলোৱে এক গোট হ'ল। লগে লগে "Principal শৰ্মা ছাৰে সকলোকে সৰ্তক কৰি দিলে যে কোনো ছাত্ৰ-ছাত্ৰীয়ে যেন দূৰলৈ ফুৰিবলৈ নাযায় আৰু ইয়াত কোনো অভদ্ৰ আচৰণ নকৰে। অৱশ্যই আমাৰ ছাৰ বাইদেউ সকলে আমাক লৈ গৌৰৱ কৰে যে পাতিদৰং কলেজৰ ছাত্ৰ-ছাত্ৰী নম্ৰ-ভদ্ৰ। কাৰো লগত হাই কাজিয়া নকৰে। সেইবাবে আমিও গৌৰৱ কৰিব পাৰো পাতিদৰং কলেজৰ ছাৰ-বাইদেউ সকলক লৈ। কিয়নো সকলো ছাত্ৰ-ছাত্ৰীকে মৰম কৰাৰ লগতে আমি যাতে কোনো বিপদত নপৰো তাৰ ওপৰত চোকা দৃষ্টি ৰাখে।

চাৰৰ আদেশ মৰ্মে দূৰলৈ নগৈ ওচৰতে থকা নদীৰ পাৰত নেকিব তাৰ প্ৰিয় বন্ধু এজনৰ সতে বহি ললে। অলপ দূৰত দেখিলে দুজনী ছোৱালীয়ে সিহঁতৰ ফালে চাই হাঁহি আছে। তাৰে এজনক নেকিবৰ খুব ভাল লাগিছে। প্ৰথম দৃষ্টিতেই প্ৰেমত পৰিল নেকিবে। হয়, সি নিজে নজনাকৈয়ে বহাৰ পৰা উঠি তাইৰ কাষ চাপি গৈ সুধিলে বেয়া নাপায় যদি তোমাৰ নামটো কবা নেকি ? হঠাৎ আলফুলে যেন সৰি পৰিল কঁহুৱা কোমল এক মিঠাকণ্ঠ।

হয়, মোৰ নাম জুৰি।

ক'ৰ পৰা আহিছা তোমালোক ....

আমি মঙ্গলদৈ কলেজৰ পৰা আহিছো। এইবাৰ তাই ওলোটাকৈ প্ৰশ্ন কৰিলে।

আৰু আপোনালোক কৰ পৰা আহিছে ?

পাতিদৰং মহাবিদ্যালয়ৰ পৰা Environmental Study Practcal ৰ কাৰণে আহিছো।

হয় নেকি ? আমিও Environmental Study Practical ৰ কাৰণে আহিছো। বলা সৌ শিলৰ ওপৰত বহো ........। গোটেই মন বননি যেন তাৰ সেউজীয়া হৈ পৰিল। জুৰিৰ দুচকুলৈ নেকিবে চাই ৰ'ল। ইমান ধুনীয়া মুখ, সৌম্য দীপ্ত এজাক ফিৰফিৰীয়া চুলিৰ মাজত ইমান মৰমসনা মুখ এইখন। ইমান আকুল তাইৰ দুচুক। হঠাৎ জুৰিয়ে কৈ উঠিল।

ঃ তোমাক এটা কথা কও বেয়া পাবা নেকি ?

ঃ নাই নাপাও, কোৱা। উৎফুল্লিত হৈ পৰিল নেকিব।

ঃ মই তোমাৰ প্ৰেমত পৰিছো।

ঃ ময়ো তোমাৰ প্ৰেমত পৰিছো 'জুৰি'। নেকিবৰ বুকুৰ মাজত সোমাই পৰিল জুৰি। আলফুলে তাই সুধিব ধৰিলে

ঃ সদায় তুমি মোৰ হৈ থাকিবানে ?

ঃ থাকিম, জীৱনৰ প্ৰতিটো মুহূৰ্তত দুয়ো দুয়োৰেই হৈ থাকিম। এনেকৈয়ে সেইদিনা দুয়ো দুয়োৰে পৰা বিদায় লৈ নিজৰ নিজৰ কলেজৰ গ্ৰুপৰ লগত ঘৰলৈ ওভটিলে।

প্ৰতিটো মুহূৰ্ততে জুৰিলৈ মনত পৰি থাকে নেকিবৰ। দুয়োৰে মাজত চিঠিৰ আদান-প্ৰদান চলি থাকিল। প্ৰেমৰ চিঠি। ইখনৰ পিছত সিখন। জুৰিৰ এখন চিঠিৰ বাবে বহুত আগ্ৰহেৰে বাট চাই থাকে নেকিবে। কলেজ বন্ধ পালেই জুৰিৰ ওচৰলৈ দৌৰি যায়। দুয়োজনে মনৰ কথা পাতে হেঁপাহ পলুৱাই।

দিন বাগৰিল। সময় বাগৰিল। দুয়ো বি,এ, পাছ কৰিলে। নেকিবে বি,এ. পাছ কৰিয়ে এখন বাতৰি কাকতত স্থানীয় সংবাদদাতা হিচাপে কাম কৰিবলৈ ললে। ইতিমধ্যে দুয়োৰে সম্পৰ্ক দুয়োখন ঘৰৰ মানুহে গম পালে। নেকিবৰ ঘৰত বিয়াৰ কথা ওলাল। নেকিবে এদিন জুৰিহঁতৰ ঘৰলৈ তাৰ দদায়েকক পঠালে বিয়াৰ প্ৰস্তাব লৈ। জুৰিহঁতৰ পৰিয়ালটো আছিল বহু ধনী আৰু অহংকাৰী জুৰিৰ দেউতাকে নেকিবৰ দাদায়েকক অপমান কৰি পঠালে। আৰু পিছদিনাখন জুৰিয়ে নেকিবলৈ এখন চিঠি দি পঠালে।

মৰমৰ নেকিব,

মই হয়তো তোমাক কথাখিনি লগ কৰি কব লাগিছিল, কিন্তু তোমাৰ মুখামুখি হোৱাৰ সাহস মোৰ নাই। তুমি মোক পাহৰি যাবলৈ চেষ্টা কৰা, আৰু যিমান সোনকালে পাহৰি যোৱা হয়তো তোমাৰ বাবেই ভাল হব। তুমি ভুলতো নাভাবিবা যে তোমাক মই আৰ্থিক ভাবে নিম্ন বাবে পাহৰিবলৈ চেষ্টা কৰিছো। ইচ্ছা কৰিলে মই এতিয়াই তোমাৰ ওচৰলৈ যাব পাৰো। কিন্তু মই সেইটো নকৰো। বৰ্তমান দেউতা যি অৱস্থাত আছে, এই অৱস্থাত যদি মই দেউতাৰ বিৰুদ্ধে যাও হয়তো দেউতাৰ মৃত্যুও হব পাৰে। দেউতাৰ বাবেই মই মোৰ পবিত্ৰ, সঁচা প্ৰেমক ত্যাগ কৰিলো। নেকিব, মনত ৰাখিবা জীৱনত যদি কেতিয়াবা কাৰোবাক আপোন কৰি লবলগীয়া হয়, তেনেহলে আপোন কৰি লম আন্তৰিকতাৰে, অৰ্থৰ ঢাক ঢোলেৰে নহয়। হৃদয়ৰ মিলনত অৰ্থৰ বিনিময় আৰ্থিক পাপ। মন্দিৰত দেৱতা নাথাকিব পাৰে, কিন্তু পবিত্ৰতা থাকে। তুমি মোৰ কাষত নাথাকিলেও হৃদয়ৰ গভীৰততে চিৰদিন থাকিব স্মৃতি, মাথো তোমাৰ।। ইতি -

যদি তুমি প্ৰতাৰিকা প্ৰেমিকা বুলি কোৱা তেনেহলে তোমাৰ প্ৰতাৰিকা প্ৰেমিকা "জুৰি"

চিঠিখন পোৱাৰ পিছত নেকিবে মানসিকভাবে ভাগি পৰিল যদিও কিছুদিনৰ ভিতৰতে নিজকে সংযত কৰি ললে। সি জীৱনত কেতিয়াও হাৰ নামানে। হয়তো স্মৃতিয়ে সময়ে সময়ে আমনি কৰিব। সেইবাবে হয়তো আজি সি দিল্লীৰ ৰাষ্ট্ৰীয় বাতৰি কাকত এখনৰ ষ্টাফ ৰিপৰ্টাৰ ব্যস্ততাৰ সময়তো অলপ সময় উলিয়াই অসমৰ এই ৰাণীলৈ দৌৰি আহে।

বেলিটোৱে পশ্চিম আকাশত লুকাই গ'ল। নেকিবে মনতে ভাবিলে আজি ৰাতিটো গুৱাহাটীৰ হোটেলতে থাকি কাইলৈ পুৱাই সি গুচি যাব। ঠিক সেই সময়তে সি দেখা পালে তাৰ অলপ আগফালে এজনী বিবাহিতা মহিলা এজন সৰু লৰাক লগত লৈ তাৰ ফালে লক্ষ্য কৰি আছে। সি আৰু অলপ আগুৱাই গৈ দেখিলে এইজনী দেখোন জুৰি। অসম্ভৱ যেন লাগিলেও সত্য। যাৰ স্মৃতিৰ বাবে সি দিল্লীৰ পৰা এই ৰাণীলৈ আহিছে সেইজনী জুৰিক বিবাহিতা ৰূপত দেখি তাৰ গালত কিছু বিন্দু ঘাম ওলাই আহিলে। তথাপি সি তাইৰ সন্মুখত দুৰ্বলতা নেদেখুৱাই তাইক মাত লগালে ঃ জুৰি তুমি ইয়াত ...............

ঃ অ, তোমাক দেখিয়ে ইয়ালৈ আহিলো। বলা মোৰ ঘৰলৈ যাও। অলপ আগত মোৰ ঘৰটো।

ঃ বেয়া নাপাবা জুৰি, আজি মই যাব নোৱাৰিম। মোৰ অলপ কাম আছে। বেলেগ, এদিন যাম

ঃ বলা না আংকল। জুৰিৰ লগত অহা সৰু লৰাটোৰ অনুৰোধত নেকিব জুৰিৰ ঘৰলৈ যাবলৈ মান্তি হ'ল। ৰাস্তাত যাওতে জুৰিক সুধিব খুজিও নুসুধিলে তাইৰ স্বামীৰ কথা। ৰাতি যেতিয়া ভাত খাবলৈ বহিলে তেতিয়াও তাইৰ স্বামীক দেখা নাপালে। তথাপি সি তাইক একো নুসুধিলে। খোৱা লোৱা শেষ কৰি নেকিবক এটা কোঠাত শুবলৈ দি জুৰিয়ে কাষৰ কোঠাটোতে সৰু ল'ৰাটোৰ লগত শুবলৈ গ'ল।

ৰাতি প্ৰায় বাৰ মান বাজিল। তথাপিও নেকিব টোপনি যোৱা নাই। হঠাৎ তাৰ কানত পৰিল। সিটো ফালৰ কোঠাত কোনোবাই উচুপি উচুপি কান্দি আছে। সি অনুমান কৰিলে সেয়া জুৰিৰ বাহিৰে অন্য কোনো নহয়। কিহৰ দুখত কান্দিছে তাই সি জানে। তথাপি তাৰ তাত থকা ধৈৰ্য্য নহল। সি কাগজ অলপ লৈ চিঠিএখন লিখিলে,

জুৰি

এই পৃথিবীত কেনেকৈ কিমান চিনাকি মানুহ কিমান স্মৃতিৰ বোজা বুকুত লৈ এৰা এৰি হয়। অস্তিত্বৰ তাগিদাত জীৱন সংগ্ৰামৰ গতি দেখোন দ্ৰুতৰপৰা দ্ৰুততৰ হোৱাৰ পথত। যেন সকলোবোৰৰে লক্ষ্য এজনক পিছ পেলাই অগ্ৰসৰ হোবাৰ। তুলনাই কিজানি মানুহক অসুখী কৰে। হয়তো কোনো নিশ্চিত নহয় অলপ সুখেৰে জীৱনটো পাৰ কৰিবলৈ। মানুহক কিহৰ প্ৰয়োজন ? পোৱা নোপোৱাই জীৱনৰ শেষ হিচাপ নহয়। পাৰ হৈ অহা প্ৰতিটো মুহূৰ্ত কেনেকৈ পাৰ হ'ল, আন্তৰিকতাৰে কাক আমি কি দিলোঁ সেই অভিজ্ঞতায়েইতো ভৱিষ্যতৰ বাবে মানুহৰ বৰ্ণময় সম্পদ। দুখ আৰু সুখ হাঁহি আৰু কান্দোন দুয়োটাই সংক্ৰামক। পৃথিবীৰ প্ৰতিজন মানুহেই কিজানি কোনো কোনো মুহূৰ্ত্তত দুৰ্বল কোনো কোনো মুহূৰ্ত্তত দোষী। সেই দোষ আৰু দুৰ্ব্বলতাই যাৰ হৃদয়ত আছে তেওঁক আমনি কৰিবই যন্ত্ৰনা দিবই বা অতৃপ্তিও আনিবই। অতৃপ্তি আছে বাবহৈ হেনো প্ৰেম মধুময় আৰু সেইবাবেই হেনো নাৰী প্ৰেমৰ দৰে মাধুৰ্য্যক আৰু অতৃপ্তিৰ প্ৰতীক। কিন্তু এই দুখ যন্ত্ৰণা বিলাকক, মানুহ এজনৰ জীৱনৰ চিৰকালৰ বাবে দুখ হিচাপে গ্ৰহণ কৰা উচিত নেকি ? মই ভাবো তুমি আগৰ সকলো কথা পাহৰি তোমাৰ স্বামীৰ লগত এটা সুন্দৰ জীৱন অতিবাহিত কৰা। তোমাক মই দুখ দিব নিবিচাৰো, সেইবাবে মই তোমাক মাত নিদিয়াকৈ ৰাতিয়ে গুচি আহিলো। কাইলৈ ৰাতিপুৱাই ১০ বজাৰ ফ্লাইট ত দিল্লীলৈ যাম। ইমান দিনে তোমাক এবাৰ চোৱাৰ হেপাঁহ আছিল। সেইবাবে বছৰত এবাৰ হলেও "ৰাণী" লৈ আহিছিলো। তুমি এটা নতুন জীৱন আৰম্ভ কৰিছা, তাতকৈ মোৰ বাবে আৰু কি ভাল খবৰ আছে। জীৱনত হয়তো আৰু আমি কেতিয়াও দেখা-দেখি নহও .......। মই তোমাৰ স্মৃতি মোৰ মৃত্যুৰ আগলৈকে বুকুত লৈ থাকিম।

আহিলো, বাই, বাই।

চিঠিখন বিচনাৰ ওপৰত থৈ সেই ৰাতিয়ে সি গুচি আহিলে।

ৰাতিপুৱা জুৰিয়ে কোঠাটোত সোমাই দেখিলে নেকিব নাই। হঠাৎ বিচনাৰ ওপৰত থকা চিঠিখনৰ ওপৰত চকু পৰিল। চিঠিখন পঢ়ি তাই বলিয়াহে পৰিল। তাইৰ যে নেকিবক কোৱাই নহল, তাইৰ বিয়া হোবা নাই। এই সৰু লৰাটো তাই জন্ম দিয়া নাই। এজন মাক দেউতাক নোহোৱা লৰাক তাই নিজৰ লৰা হিচাপে লৈ নেকিবৰ স্মৃতিক জীয়াই ৰাখিছে। হঠাৎ তাই ঘড়িটোলৈ চালে ৮.৫০ বাজিছে। তাই মনতে ভাবিলে তাই আৰু নেকিবক হেৰুওৱাব নিবিচাৰে। তাক সকলো কথা খুলি কব। তাই ৰাস্তালৈ ৰাওনা হ'ল। বিমান বন্দৰৰ গেটত নামিয়ে ভিতৰলৈ দৌৰিলে। তাই আকৌ এবাৰ ঘড়িটোলৈ চালে ১০ বাজিবলৈ এতিয়াও এঘন্টা সময় আছে।

লেখক —
মঃ ইছলাম আলী
স্নাতক দ্বিতীয় বৰ্ষ
পাতিদৰং মহাবদ্যিালয়

# অভাৱ

কৰিতা, অ কৰিতা দুৱাৰখন খুলি দেচোন ; - হঠাৎ অৰুনিমাৰ মাতত মই সাৰ পাই উঠিলো। আজি গাটো সিমান ভাল নহয় কাৰণে মই ৰাতিপুৱাৰ কামখিনি সোনকালে কৰি বিচনাত এনেয়ে বাগৰি আছিলো। কেতিয়া মোৰ চিলমিলকৈ টোপনি আহিছিল গমে পোৱা নাছিলো।

অৰুনিমা মোৰ পেহীৰ ছোৱালী। তাইৰ ঘৰ ৰঙিয়াত। অৰুনিমা, মই একে লগৰে, বয়সত অলপ মই ডাঙৰ হ'লেও কিন্তু আমি দুয়োজনী খুব বান্ধৱী। আমাৰ মাজত কোনো কথা গোপন নাই, দুয়োবে মনৰ কথা দুয়োকে কওঁ।

অৰুনিমাৰ মাত শুনি অনিচ্ছাসত্বেও মই উঠি গৈ দুৱাৰৰ হুকটো খুলি দিলো।

কি অ ৰাজকুমাৰী আজি যে ইমান সোনকালে বিচনাৰ ওপৰত ; আজিকালি সপোনৰ ৰাজকুমাৰক দেখাৰ আশাত দিনতো এনেদৰে শুই থাক নেকি ? - তাই মোক ঠাট্টাৰ সুৰত কৈ বিচনাত বাগৰি পৰিল।

নাই, এনেয়ে গাটো ভাল নহয়। তই আকৌ কেতিয়া আহিলি ? - তাইক মই ওলোটাই প্ৰশ্ন কৰিলো আৰু তাইৰ ওচৰতে গৈ বাগৰ দিলো।

কিয় ? মোৰ যেতিয়াই ইচ্ছা তেতিয়াই আহিব পাৰো কাৰণ মোৰ মামাৰ ঘৰ, -
তোৰনো কিহৰ অসুবিধা নহয় নে ? অৰুৱে ক'লে ।

বাৰু হ'ব দে ,ইবোৰ এৰ, তোৰ খবৰ ক ; কিমান দিনৰ মূৰত যে তোৰ মোৰ কাৰনে মনত পৰিল নহয় নে অৰু ? - তাইৰ আওঁপকীয়া কথাবোৰৰ পৰা হাত সাৰিবৰ বাবে মই তেনেকে ক'লো।

মোৰতো সদায়ে মনত পৰে, তোৰহে আজিকালি মনত নপৰে, ফোন কৰিবও পাহৰিলি, যোৱাটো বাদেই। - অৰুৱে অভিমান কৰি ক'লে।

যাম, যাম কিয় নাযাম, এইবাৰ সচাঁকৈ যাম তই চিন্তা নকৰিবি। - তাইৰ অভিমান ভাঙিবৰ কাৰণে মই ক'লো।

অতো এইবাৰ তই যাবই লাগিব ; সেই কাৰণেই মই আহিছো। ফোনতে খবৰটো দিব পাৰিলোহেতেঁন কিন্তু তই নাযাব বুলি মই জানিয়ে নিজে আহিলো। অৰুৱে ক'লে।

কি খবৰ অৰু ? - মই আচৰিত হৈ ক'লো।

পিকনিক আকৌ, জানুৱাৰী আহি পালে। আমাৰ গাঁৱৰ ছোৱালীবোৰে মিলি জানুৱাৰীত পিকনিকলৈ যাব। মই আকৌ তয়ো যাবি বুলি ক'লো, তোৰ নামো লিষ্টত লিখিছে। তই কিন্তু যাবই লাগিব। এইবাৰ তই কলেজৰ পৰা যাম বুলি কৈ ঠগাব নোৱাৰ, কাৰণ তইতো কলেজৰ পৰা ওলাইছয়ে নহয়নে ? অৰুৱে এফালৰ পৰা কৈ গ'ল, যদিও মোৰ কাণত পিকনিক শব্দটোৰ বাহিৰে আৰু একো নোসোমাল।

অৰুৰ মুখত পিকনিকৰ নাম শুনি মোৰ গাঁটো শিয়ৰি উঠিল আৰু মই চকখোৱা মানুহৰ দৰে উচপখাই উঠি একেকোবে মিৰিকীৰ কাষ পালো। মই আৰু মোৰ বুকুত বান্ধখাই থকা কান্দোনখিনি ঢাকি ৰাখিব নোৱাৰিলো, লাহে লাহে মোৰ দুচকুৰে লোতক বাগৰিবলৈ ধৰিলে।

হঠাৎ মোৰ এনেকুৱা পৰিৱৰ্ত্তন দেখি অৰুনিমা স্তব্ধ হ'ল আৰু তাই মোৰ ওচৰত গৈ শান্তভাৱে ক'বলৈ ধৰিলে - কি হ'ল কবিতা, মই কিবা ভুল ক'লো নেকি ?

মই একো মাতিব পৰা নাছিলো, তেতিয়া মোৰ দুচকুৰে অনৰ্গল ভাৱে চকু পানী নিগৰি আছিল।

অৰুনিমাই বহুত অসহায় বোধ কৰিলে। তাই ভাবিব নোৱাৰিলে কিটো কথাৰ বাবে মই অন্তৰত ইমান দুখ পালো। অৰুনিমাই অপৰাধীৰ ভাৱত মোৰ হাত এখন খামুচি ধৰি ক'লে - মোক ক্ষমা কৰিবি কৰিতা। নাজানো মই কি ক'লো, যিটোৰ বাবে তই বহুত দুখ পালি। মই জনা নাছিলো যে - মই কোৱা কথাখিনিয়ে তোৰ অন্তৰত আঘাত দিব বুলি। I am very sorry কৰিতা।

নাই নাই অৰু তই মোক একো দুখ দিয়া নাই। মাত্র ........... মোৰ ওঁঠ কপি উঠিল।

মাত্র .......... মাত্র কি ক'চোন, তই মোকো মিছা কোৱা নে ? অৰুনিমাই মোক জোৰদি সুধিলে।

কি জান অৰু, তই পিকনিকৰ কথা কোৱাৰ বাবে মোৰ গণেশলৈ বহুত মনত পৰি গ'ল। - মই কান্দি উঠিলো।

কবিতা কোন গণেশ ক'চোন। তইতো মোক আজিলৈকে ইয়াৰ বিষয়ে একোৰে কোৱা নাছিলি। - অৰুনিমাই ক'লে।

তই ভৱাৰ দৰে গণেশ মোৰ প্ৰেমিক নহয় অৰু ; সি মোৰ বহুত মৰমৰ বন্ধু আছিল। - মই ক'লো।

আছিল ? ইয়াৰ অৰ্থ কি কৰিতা। - অৰুৱে আচৰিত হৈ মোক সুধিলে।

এতিয়া আৰু সি আমাৰ মাজত নাই অৰু, সি আমাক এৰি অজান ঠাইলৈ গুচি গ'ল। - মই হুক হুকাই কান্দি পেলালো।

নাকান্দিবি কৰিতা, কান্দি জানো কিবা লাভ আছে। বাৰু, কচোন তহঁত বাৰু কেনেকুৱা বন্ধু বান্ধৱী আছিলি ? - অৰুৱে মোৰ পৰা সকলো জানিব বিচাৰিলে।

অৰুনিমাৰ অশেষ জোৰত মই তাইক আমাৰ বিষয়ে সকলো ক'বলৈ ধৰিলোঁ।

তোকনো আৰু কি কম অৰু, আমাৰ কলেজীয়া দিনৰ কথাবোৰ। কিমান আনন্দৰ দিন আছিল, আমাৰ মনবোৰো আনন্দতে আত্মহাৰা হৈ আছিল ; সেই দিনৰ কথা সোঁৱৰণ কৰিলে মনটো বহুত ভাল লাগে। কিন্তু এটা বিষন্নভৰা দিনৰ কথা মনত পৰিলে মনটো হাহাঁকাৰ কৰি উঠে।

জানা অৰু, ৰতন, গণেশ, জয়ন্ত, দিগন্ত, পঙ্কজ, বিভা, সৰিতা, মৃদুলা, ইন্দু আৰু মই আমাৰ দহজনীয়া গ্ৰুপ আছিল। আমি এইকেইটা বহুত মৰমৰ লগ আছিলো। আমি সকলোৱে পাতিদৰং মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ পৰায়ে একেলগ আছিলো। আমাৰ মাজত থকা মৰমৰ বাবে আমি কোনেৱে কাকো কেতিয়াও অভিন্ন বুলি ভৱা নাছিলো। জানা অৰু, আমাৰ মাজত ইমান আত্মীয়তা আছিল আমি যেন এখন ঘৰৰে পৰিয়ালৰ সদস্য। কলেজখন আছিল আমাৰ বাবে মৰমৰ ঘৰ আৰু আমি আছিলো ইয়াৰ সদস্য। প্ৰত্যেকদিনাই আমি আটায়ে আহি কলেজৰ পিছফালে পুখুৰীৰ পাৰত গছৰ তলত বহি নানা ধৰণৰ ধেমালি কৰিছিলো। কাৰ কেতিয়া কি হৈছিল সকলোবোৰ বহিয়ে আলোচনা কৰিছিলো। আটাইতকৈ ডাঙৰ কথা কি আছিল জানা অৰু, আমাৰ মাজৰ কোনোবাজনৰ যদি আবেলি তিনি বজালৈ ও ক্লাচ হৈছিল সেইজনৰ বাবে সকলোৱে সেই গছৰ তলতেই বহি অপেক্ষা কৰিছিল আৰু আটায়ে একেলগেহে কলেজৰ পৰা ঘৰলৈ আহিছিলো। আমাৰ মাজত সমান মৰম ভালপোৱা আছিল যাৰ বাবে আমি কোনেও কাকো এৰি থাকিব পৰা নাছিলো। আমাৰ এনেকুৱা আত্মীয়তা দেখি কলেজৰ বহু ল'ৰা ছোৱালীয়ে জ্বলিছিল জানা। আমি প্ৰত্যেক বছৰতে এবাৰ পিকনিক খাবলৈ গৈছিলো, কেৱল আমাৰ গ্ৰুপটোহে। কিমান যে আনন্দ কৰি পিকনিক খাবলৈ গৈছিলো, ভাৱিলে মনটো উৎফুল্লিত হৈ উঠে।

অৰু, সেইবছৰো আমি পিকনিকত যোৱাৰ বাবে আলোচনা কৰিছিলো। সেই দিবা আমি মানে গণেশ আৰ জয়ন্তৰ বাদে বাকী কেইজনে বহি সিহঁত দুটাৰ বাবে অপেক্ষা কৰি আছিলো। কিছুসময় অপেক্ষা কৰাৰ পিছত সিহঁ আহি পাইছিল আৰু আহিয়েই গণেশে আৰম্ভ কৰিছিল - Hello ভালে আছানে তহঁতে ? আজি তঁহতে কিছু আলোচনা কৰিবি। - এই বুলি কৈয়ে সি মোৰ ওচৰতে তাৰ চেণ্ডেলযোৰ খুলি তাৰে ওপৰতে লেপেটা কাঢ়ি বহিছিল

ভালে আছো দিয়া - ময়ে তাক আমাৰ আলোচনাৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলো।

আমি আজি পিকনিকত যোৱাৰ বাবে আলোচনা কৰিম। তইতো জানই জানুৱাৰীৰ ৬ তাৰিখটো আমা বাবে কিমান গুৰুত্বপূৰ্ণৰ দিন নহয় জানো। এতিয়া ডিচেম্বৰ মাহ শেষ হ'বৰ হলেই, সেয়ে তয়ে ক'চোন - বাৰু কেনেকৈ কি কৰা হুব।

হ'ব হব সকলো ঠিক হৈ যাব। তহঁতে মাত্ৰ বাকীবোৰৰ দায়িত্ব লোৱা আৰু মই ঠাই নিৰ্বাচনৰ দায়িত্ব ল'লো এইবাৰ কিন্তু মই পচন্দ কৰা ঠাইত যাব লাগিব। তঁহতৰ যদি কিবা আপত্তি আছে এতিয়াই ক'। - গণেশ সকলোকে উদ্দেশ্যি ক'লে।

নাই , নাই কিহৰনো আপত্তি, মাত্ৰ ভাল ঠাই নিৰ্বাচন কৰিবি। - আম সিকলোৱে একেলগে কৈ উঠিলো।

কিন্তু গণেশ ভালদৰে মনত থকা ঠাই নিৰ্বাচন কৰিবা দে। - বিভাই কৈ উঠিছিল।

তই চিন্তা কৰিব নালাগে, এইবাৰ মই তহঁতক এনেকুৱা ঠাইৰ নাম ক'ম তহঁতে আচৰিত হৈ যাবি। গণেশে গৌৰৱেৰে কৈ উঠিল যেন সি ঠাই নিৰ্বাচন কৰাত মহা পণ্ডিত।

আমি সকলোৱে আন কথাত ব্যস্ত হ'লো আৰু গণেশক আমি ঠাই নিৰ্বাচন কৰাৰ দায়িত্ব দিলো।

ৰতনে ক'ত কিমান কি খৰচ হ'ব সকলোবোৰৰ এখন বাজেট লিখি উলিয়ালে। আমি বাকীবোৰে তাৰ লগত সহযোগ কৰিলো। প্ৰায় এঘন্টামান সময়ৰ পিছত আমান হিচাব নিকাচ কৰা শেষ হৈছিল কিন্তু গণেশৰ ঠাই নিৰ্বাচন কৰা হোৱা নাছিল।

গণেশ তোৰ হোৱাই নাই নেকি ? - ইন্দুৱে গণেশৰ পিনে চাই হাঁহি ক'লে।

নাই হোৱা, অলপ বাকী আছিল। বাৰু আজি আৰু ভাৱিবৰ সময় নাই ঘৰত গৈ ভালদৰে ভাৱিম তহঁতক কব নিলেভাল হ'ব। - গনেশে কলে।

ঠিক আছে দে, ঘৰত গৈ ভালদৰে ভাবিবি যাতে আমি তাত গৈ অলপো আমনি নাপাওঁ। আমাৰ ল'ৰাহতৰ কথা নাই, ছোৱালীহতঁৰ বাবে যাতে পচন্দৰ হয়। - পঙ্কজে গণেশক উদ্দেশ্যি কলে।

হ'ব হব কোনো চিন্তা নাই, এতিয়া ব'ল ক্লাচৰ সময় হ'ল বেল বাজিলেই। এইবুলি কৈ গণেশ বহাৰ পৰা উঠিল আৰু তাৰ লগে লগে আমি আটায়ে ক্লাচলৈ গুচি গৈছিলো।

সচাঁকে অৰু, বহুত আশা কৰিলে, তাৰ ফল সদায় নিৰাশাহে হয়। বহুত আশা বান্ধি আছিলো, সকলোৰে মনত বহুত আনন্দ ভৰি আছিল গণেশৰ পচন্দৰ ঠাইত পিকনিকলৈ গৈ প্ৰাণভৰি আনন্দ কৰিব।

এদিন কলেজত আমাৰ আলোচনা কৰা ঠাই মানে পুখুৰীৰ পাৰত আমি আটায়ে বহি আছিলো। সকলোৱে গণেশৰ মুখৰ পৰা ঠাইৰ নাম শুনিবৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিলো। গণেশৰ পৰা কোনো সহাঁৰি নাপাই মৃদুলাই অধৈৰ্য্য হৈ সুধিয়ে পেলালে -

কি হ'ল গণেশ, আজি একসপ্তাহে বাৰু তই কি চিন্তা কৰিলি, ভাল ঠাই পালি নে নাই ?

পাম , - ঠাই নিৰ্বাচন কৰা সহজ কথা নে ? তাতে আকৌ এই কেইদিন মই ভালদৰে ভাৱিব পৰা নাই, অহা বুধবাৰে মোৰ এটা ইনটাৰভিউ আছে, তাৰ বাবে অলপ মই ব্যস্ত আছো। তাৰ পৰা আহি ভালদৰে চিন্তা কৰি কম ; তহঁতে ইমান অধৈৰ্য্য হ'ব নালাগে গণেশে ক'লে।

লাহে ধীৰে কলেও হ'ব দে, আৰু দেৰমাহেই বাকী আছে নহয় জানো ? মই গণেশক ক'লো।

হ'ব ব'ল বাকী আলোচনা গণেশে ইন্টাৰভিউ দি অহাৰ পিছত কৰিম ; এতিয়া ঘৰলৈ ব'ল দুটা বাজিল। সৰিতাই বহাৰ পৰা থিয় হৈ যাবলৈ ওলাল আৰু আমি আটায়ে তাইৰ লগত ঘৰলৈ আহিব ওলালো।

আৰু অৰু সেই বুধবাৰৰ দিনটোৱে যে গণেশৰ শেষ দিন আছিল আমি কোনোৱেও কল্পনা কৰিব পৰা নাছিলো। আমাৰ দহজনীয়া গ্ৰুপটো ভাগি আমাৰ মৰমৰ মাজৰ পৰা যে গণেশে এনেদৰে গুচি যাব সচাঁই কল্পনাৰো অগোচৰ আছিল। সেইদিনা গণেশে ইন্টাৰভিউ দিবলৈ যেনেদৰে ওলাই গ'ল সি আৰু আমাৰ মাজলৈ কেতিয়াও ঘুৰি নাহিল। সেইদিনা গণেশ যোৱা গাড়ীখন দুৰ্ঘটনা গ্ৰস্থ হ'ল আৰু সি আমাৰ মাজৰ পৰা বহু দূৰ দুৰণিলৈ গুচি গ'ল। সি তাৰ মৰমৰ বন্ধু-বান্ধৱী সকলৰ বাবে ঠাই নিৰ্বাচন কৰিবৰ বাবে অজান দেশলৈ গুচি গ'ল অৰু। যোৱাৰ আগ মুহূৰ্তত সি যে আমাৰ পিনে চাই প্ৰাণখোলা হাঁহি মাৰি কৈ গ'ল - মৰমৰ বন্ধু-বান্ধৱীসকল মই তহঁতৰ বাবে বহুত ভাল ঠাই নিৰ্বাচন কৰিবলৈ আহিলো, যাৰ বাবে মই তহঁতক এৰি আহিব লগা হ'ল, কাৰণ এনেকুৱা সুন্দৰ ঠাইলৈ ঠাই নিৰ্বাচনৰ বাবে আহিলে অকলেহে আহিব লাগে। সেয়ে মই তহঁতক তাতে এৰি আহিলো। তহঁতে মোৰ বাবে অলপো চিন্তা নকৰিবি ; মই ইয়াত একো অসুবিধা নাপাওঁ, ইয়াতকৈ সুন্দৰ আৰু শান্তিৰ ঠাই কিজানি জগতত কতো নাই, Good bye everybody, bye ......... bye ......... bye ..........।

জানা অৰু তেতিয়াৰ পৰা আমাৰ দহজনীয়া গ্ৰুপটো ভাঙি চুৰমাৰ হৈ গ'ল। কাৰণ এই গ্ৰুপটোৰ সদস্যবোৰে গণেশৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে। আৰু কি জানা গণেশে আমাক এৰি থৈ যোৱাৰ দিনৰে পৰা আমাৰ বাকী কেইজন এতিয়ালৈকে প্ৰাণখুলি হহাঁ মই দেখা পোৱা নাই, প্ৰতিটো সময়তে যেন ডাৱৰীয়া ক'লা মেঘে মুখমণ্ডল বিষন্ন কৰি ধৰে। প্ৰতিটো সময়তে আমি গণেশৰ শূণ্যতাৰ অনুভৱ কৰো। সি যেন আমাৰ মুখৰ পৰা সৌন্দৰ্য্য কাঢ়িলৈ গ'ল। সি আমাক এৰি সুখী ৰাজ্যলৈ গুচি গ'ল অৰু সি আমাৰ মাজত থাকি সুখী আছিল যাদিও এই ৰাজ্যত থাকি সি সুখ পোৱা নাছিল। গুচি গ'ল সি অৰু সি আমাক অকলে এৰি গুচি গ'লে। সেয়ে অৰু এই জানুৱাৰী মাহটো আমাৰ বাবে বহু নিৰানন্দৰ দিন। এই মাহটো আহিলেই গণেশৰ স্মৃতিয়ে আহি আমাৰ অন্তৰত বহুত আঘাত কৰে। তাৰ অবিহনে বাৰু আমি কেনেকৈ পিকনিকৰ নামত আনন্দ কৰো। তই মোক ক্ষমা কৰিবি অৰু মই তোৰ কথা ৰাখিব নোৱাৰিলো - এইবুলি কৈয়ে মই অৰুনিমাৰ কোঁচত মুখগুজি মনৰ হেপাঁহ পলুৱাই কান্দিব ধৰিলো, আৰু অৰুৱে মোৰ মনত থকা দুখবোৰ চকুৰ পানীৰেই বাহিৰলৈ ওলাই আহক বুলি মোক বাধা নিদিলে, তাই কেৱল মোৰ মুৰত আলফুলে হাত বুলাই দি মৰম কৰি থাকিল।

(শেষত, মোৰ অতি মৰমৰ বন্ধু ˚ গণেশ বড়োৰ সোঁৱৰণত এয়া মোৰ ক্ষুদ্ৰ লেখনিটি অৰ্পন কৰিলো।

হে মোৰ মৰমৰ বন্ধু, তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক। তুমি যতেই আছা বহুত সুখত থাকা। এয়া মোৰ অন্তৰৰ অজস্ৰ কামনা।)

শ্ৰী কনকলতা বৰুৱা (কৱিতা)
পাতিদৰং মহাবিদ্যালয়
(প্ৰাক্তন ছাত্ৰী)

# বন্ধুত্ব

মিছ্ দিপিকা ডে
স্নাতক তৃতীয়

Friend is a person you can laugh with about everything you can c with without shame and whom you trust completely. বন্ধুত্ব এটি মিঠা শব্দ এক নিঃস্বাৰ্থ প্ৰেমৰ দায়িত্ববোধ, শ্বাশ্বত প্ৰীতিৰ বান্ধোন যি সকলো সম্পৰ্কতকৈ শ্ৰেষ্ঠ। বিশ্বাসৰ ভেটিত গঢ়ি উঠা এক সু সম্পৰ্ক। "বন্ধুত্ব' এনে এটা মধুৰ শব্দ যিটোৰ উচ্চাৰণত অনুভূত হয় এক মধুৰ শিহৰণ। দুখন হৃদয়ৰ মাজত থকা বুজাবু ভালপোৱা ইত্যাদি বন্ধুত্বৰেই ৰূপ। প্ৰকৃত বন্ধুত্ব জীৱনৰ সচাঁ পৰিচয়, জীয়াই থকাৰ প্ৰেৰণা কিন্তু বৰ্তমান সেয়া দুলৰ্ভ। বন্ধু মাজত বিচাৰি পোৱা যায় জীৱনৰ বাবে অনাবিল প্ৰেৰণা, আশাৰ সফুৰা, জীয়াই থকাৰ স্বপ্ন সুমধুৰ মাদকতা। সচাঁ বন্ধু মানুহৰ হৃদয়ে হৃদয়ে বিলাব পাৰে সুগন্ধি কাঞ্চনৰ সুবাস। হৃদয়ৰ আৰে আৰে বন্ধুত্বই প্ৰাণ পায়, জীপাল হৈ উঠে আৰু হৃদ আন বহুজনৰ হৃদয়ৰ মনিকোঠাত ৰূপালী জোনাকৰ ৰহনেৰে বাট বোলাই দিয়ে এক অবুজ অনুভূতিৰ। সচাঁ বন্ধুত্বৰ আবেগ পৰশে মানুহৰ মনত জগাই তোলে এক সীমাহীন বিশ্বাস, মৰম, আন্তৰিকতা, ত্যাগ আৰু একাত্মবোধ।

বন্ধুত্বৰ মাজত বয়স, জাতি, লিংগ আদিৰ পাৰ্থক্যই কোনো অন্তৰায় নহয় বৰং সমন্বয়হে। ভালপোৱা আৰু শ্ৰদ্ধ সমাহিত অন্য নাম বিশ্বাস আৰু এই বিশ্বাসৰ জুমুঠিত জ্বলি থাকে বন্ধুত্ব। নাৰী পুৰুষৰ মাজৰ বন্ধুত্বৰ দুয়োজনৰ আত্মাৰ মা এক সুদৃঢ় বান্ধোনৰ সৃষ্টি হয় য'ত নাই দেহজ প্ৰেমৰ প্ৰকাশ বা ইন্দ্ৰিয় বাসনাৰ গোন্ধ। নাৰী নুৰুষৰ বন্ধুত্বত থাকে এডাল প্ৰে শিকলি যি কলুষিতৰ পৰা সম্পূৰ্ণ মুক্ত, যাক কব পাৰি অতিন্দ্ৰীয় প্ৰেম।

পৃথিৱীত জন্ম হওঁতে মানুহ কোনো কাৰো চিনাকি হৈ জন্ম নহয়। সময়ৰ সোতত অচিনাকি চিনাকি হয় অ নতুন চিনাকি পুৰণি হৈ যায়। বহুজনৰ স'তে আত্মীয়তা গঢ়ি উঠে, বহুজনৰ সৈতে সংঘাত হয়। কিন্তু কেইজনৰ সৈতে প্ৰ বন্ধুত্ব গঢ়ি উঠে ?

যিকেইজনৰ মাজত প্ৰকৃত বন্ধুত্ব গঢ়ি উঠিছে, তেওঁলোকে কিন্তু বহুতো সংঘাত আৰু অন্ধবিশ্বাসৰ বলি হব ল হৈছে।

ঘাত প্ৰতিঘাট আৰু বিভিন্ন পৰিস্থিতিত উদ্ভৱ হোৱা বিশৃংখলতাৰ মাজেদি গঢ়ি উঠা বন্ধুত্বইহে প্ৰকৃত বন্ধুত্ব। বন্ধ গঢ়ি তোলা সহজ কিন্তু সেই বন্ধুত্বৰ এনাজৰীডাল চিৰজীৱন সুদৃঢ় কৰি ৰখাটো কঠিন। সেয়েহে কোৱা হয় Frienc ship like glass when its broken never repair again. কিন্তু এই ভাগি যোৱা বন্ধুত্ব পুনৰ ঠন ধৰি উঠিব পাৰে যদিহে সেই বন্ধুত্ব প্ৰকৃত হয়। বন্ধুজন জীৱনৰ প্ৰতিটো পদক্ষেপতে থকা এজন শুভাকাংক্ষী।

এজন যুৱক আৰু এগৰাকী যুৱতী একেলগে ফুৰি চাকি, খোৱা বোৱা, হাঁহি স্ফুৰ্তি কৰি থাকিলেই বন্ধুত্ব বুলি ক নোবাৰি। দুজনৰ মাজত প্ৰায়বিলাক ক্ষেত্ৰত মিল থাকিলেও তেওঁলোকৰ মনৰ গোপন কক্ষত অনুভূতিৰ সাদৃশ্য নেথাকি পাৰে। যি বন্ধুত্বৰ মাজত স্বৰ্গীয় প্ৰেম, বিশ্বাস, আন্তৰিকতাৰ দৰে মিঠা অনুভূতি সমূহৰ অভাৱ, য'ত কেৱল স্বাৰ্থপৰ বিৰাজমান, পাৰস্পৰিক বুজাপৰাৰ অভাৱ তেনে বন্ধুত্ব এদিন সময়ৰ সোতত নদীৰ গৰা খহাদি সহি যাবলৈ বেছি দি নেলাগিব।

প্ৰকৃত বন্ধুত্ব সদ্য প্ৰস্ফুটিত গোলাপ কলিটিৰ দৰে নিষ্পাপ। শতসহস্ৰ সংঘাতে বিধ্বস্ত কৰা মানুহক প্ৰয়োজন সু দুখৰ সমভাগী হোৱাৰ বাবে একোজন বন্ধুৰ সহায় সহযোগিতা।

যুৱক-যুৱতীৰ মাজত গঢ়ি উঠা সুহৃদ বন্ধুত্বক সমাজে পৃথক দৃষ্টিভঙ্গীৰে চোৱা পৰিলক্ষিত হয়। তথা কথিত

মনোভাবাপন্ন লোকৰ মনত এই বন্ধুত্বই কৌতুহলৰ সৃষ্টি কৰে। প্ৰকৃত বন্ধুত্বৰ মাজত প্ৰেম হব পাৰে, ইজনে সিজনক নেদেখাকৈ থাকিব নোৱাৰিব পাৰে, সেই বুলিয়েই তেওঁলোকৰ মনত সন্দেহজনক সম্পৰ্ক গঢ়ি উঠিব নোৱাৰে। তেওঁলোকৰ সম্বন্ধত কোনো জটিলতাই বাহ বান্ধিব নোৱাৰে। বৰঞ্চ জীৱনৰ বাটত সহায় সহযোগিতাৰ ক্ষেত্ৰত এনে বন্ধুত্বই সোণৰ সৰগ ৰচে। সকলোৱে জানে তেজৰ সম্পৰ্কৰ দৰে হৃদয়ৰ অধিকাৰো সমকক্ষ। গতিকে আমি প্ৰকৃত বন্ধুত্বৰ ক্ষেত্ৰত সন্দেহৰ বীজ ৰোপন নকৰি তেওঁলোকৰ বন্ধুত্ব যাতে চিৰস্থায়ী হৈ ৰয় তাৰ প্ৰতি বহল দৃষ্টিভংগী গ্ৰহণ কৰি বন্ধুত্বৰ সংজ্ঞা চিৰসেউজ আৰু সুমধুৰ কৰি গঢ়ি তোলাহে প্ৰকৃত মানৱতাবাদীৰ কাম হব।

বন্ধুত্বৰ এটা ধনাত্মক দিশ হৈছে মানসিক পৰিপুষ্টি। মানসিক পৰিপুষ্টি অবিহনে সুস্বাস্থ্য কেতিয়াও সম্ভৱ নহয়। কিয়নো নিজৰ আপোন মানুহক হৃদয়ত পুঞ্জীভূত হৈ থকা দুখবেদনাৰ বহুতো কথাই খোলাকৈ ক'ব নোৱাৰি মানসিক অৰ্ন্তদ্বন্দত ভোগে। এজন বিশ্বাসী বহল মনৰ বন্ধুৰ আগত সকলো গোপন কথা খুলি ক'ব পাৰিলে মনটো যথেষ্ট পাতল আৰু মুকলি মুকলি লাগে। এজন প্ৰকৃত বন্ধুৰ সৰলতা, উদৰতা, তথা উমাল হৃদয়ৰ বুকুভৰা চেনেহে বন্ধুৰ হৃদয়ত জীৱনৰ প্ৰতি প্ৰেম আৰু আনি দিয়ে সংঘাতক জয় কৰাৰ উদ্দাম সাহস আৰু বিমল অনুপ্ৰেৰণা।

মানুহৰ হৃদয় মন মুক্ত নীলিম আকাশৰ দৰে যেতিয়া মুকলি তথা ফৰকাল হৈ থাকে তেতিয়া হৃদয়ত দুখ-শংকা, বেদনা, অৰ্ন্তদ্বন্দ আদি প্ৰবৃত্তি সমূহে বাহ বান্ধিব নোবাৰে। দুজন বন্ধুৰ মুক্ত কথা-বাৰ্তা, গঠন মূলক চিন্তাধাৰা তথা উদাৰনৈতিক কাৰ্যকলাপে বহু মানসিক ৰোগৰ পৰা বচাই ৰাখিব পাৰে।

বন্ধু হ'ল সেইজন যিজনৰ ওচৰত প্ৰকাশ কৰা হয় হৃদয়ৰ অন্তঃকৰণত সাচি ৰখা আশা-নিৰাশা, সুখ-দুখৰ কথা। কল্পনাৰ জগতৰ সকলো সপোন মুক্তকণ্ঠে প্ৰকাশ কৰিবলৈ ইচ্ছা হয় মাত্ৰ নিজৰ আপোন বন্ধুৰ ওচৰত। বন্ধুত্বৰ সম্পৰ্কটো তেজ আৰু আত্মীয়তাৰো শীৰ্ষত।

কিন্তু বৰ্তমান সচা বন্ধুত্ব বিচাৰি পোৱা কঠিন। যান্ত্ৰিকভাৱে প্ৰেমৰ ৰূপ সলনি হোৱাৰ দৰে সলনি হৈছে বন্ধুত্ব। বন্ধুত্ব গঢ়াৰ প্ৰয়োজনীয় দুটা গুণ বুজাবুজি আৰু ত্যাগ। পিছে বৰ্তমান যুৱ সমাজৰ বহু সংখ্যকেই বন্ধুত্ব মানে কেৱল হাঁহি-স্ফুৰ্তি, ৰং ধেমালি কহে বুজে। তেওঁলোকৰ মনত হাঁহি ধেমালি প্ৰশংসা আদিয়েই বন্ধুত্ব। কিন্তু যুৱ সমাজৰ এই মানসিকতাই প্ৰকৃত বন্ধুত্বক বিপন্ন কৰিছে। বন্ধুত্বৰ অপৰিহাৰ্য্য অংগ বুলি ভবা ৰং ধেমালি বন্ধুত্বৰ প্ৰকৃত ৰূপ নহয়। প্ৰকৃত বন্ধুৰ থাকে বন্ধুৰ কাৰ্য বন্ধুক সমালোচনা কৰাৰ অধিকাৰ। এনে বন্ধুত্বক এজনে নিসংকোচে আনজন বন্ধুৰ দোষখিনি ফঁহিয়াই আলোচনা কৰিব পাৰে। তেওঁক বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে।

Friend is our guide and philosopher. এজন লোকৰ স্বভাৱ চৰিত্ৰ বহুখিনি নিৰ্ভৰ কৰে তেওঁৰ বন্ধুৰ ওপৰত। যেনেদৰে কোৱা হয় প্ৰত্যেকজন সফল পুৰুষৰ সাফল্যৰ আঁৰত এগৰাকী নাৰী থাকে ঠিক তেনেদৰে এজন চৰিত্ৰৰ লোকৰ আৰত বন্ধুৰ হাত থাকে। এজন বিপথগামী লোকক ৰক্ষা কৰিব পাৰে একমাত্ৰ অন্তৰংগ বন্ধুজনেহে। বন্ধুত্ব যদি দৃঢ় হয়, সেই বন্ধুত্বৰ শক্তিৰে অসাধ্য সাধন কৰিব পাৰি।

মহাভাৰতৰ কৰ্ণ আৰু দুৰ্যোধনৰ বন্ধুত্বও এক আদৰ্শ আছিল। কৰ্ণৰ দৰে বন্ধু পোৱাটো আজিৰ সমাজত মাথোঁন কল্পনাহে আৰু কোনোবাই পালেও তেওঁৰ সমান ভাগ্যবান হয়তো দ্বিতীয়জন নোলাব। বন্ধুত্ব এনে এটি সম্পৰ্ক য'ত ধন্যবাদ আৰু দুঃখিত স্থান নাই। সেইকাৰণে বন্ধুত্বৰ প্ৰয়োজনীয়তা অনুভূত হয় হৃদয়ৰ নিভৃতকোনৰ পৰা। দাৰ্শনিক 'চক্ৰেটিছ' ৰ মতে বন্ধুত্ব লাহে লাহে আগবাঢ়ি যোৱা, এবাৰ বন্ধুত্ব গঢ়ি উঠিলে তাতেই আবিচলিত, দৃঢ় আৰু স্থায়ী হৈ ৰ'বা।

আন কাৰোবাৰ পৰা পোৱা উপদেশতকৈ প্ৰকৃত বন্ধুৰ পৰা লাভ কৰা উপদেশ বেছি বিশ্বাসযোগ্য। বন্ধুত্ব গঢ়ি তুলিবলৈ বয়স বা লিংগৰ প্ৰয়োজন নাই। বন্ধুত্বই কেতিয়াও বয়সৰ প্ৰাচীৰ নামানে। একেদৰেই নামানে লিংগ বা ধৰ্ম। এজন যুৱকা হয়তো এগৰাকী গাভৰুৰ প্ৰিয় বন্ধু হ'ব পাৰে। একদৰে এগৰাকী গাভৰুও এজন ল'ৰাৰ প্ৰিয় বান্ধৱী হ'ব পাৰে।

দুদিনীয়া বন্ধুৰ অভাৱ নাই। কিন্তু সেইবোৰ বন্ধুৰ পৰা পোৱা ঠক প্ৰবঞ্চতাই মানুহক আঘাতহে দিয়ে।

বন্ধুত্বৰ শেষ পৰিনতিয়েই প্ৰেম Friendship after ends in love. এনে উদাহৰণ বিৰল নহয়

যে নিজৰ বন্ধুৰ প্ৰতি ওপজা অনুৰাগৰ ফলতেই সেই বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিক হয়। বন্ধুত্বৰ পৰিণতি প্ৰেম হ'ব পাৰে, কি প্ৰেমৰ শেষ পৰিণতি বন্ধুত্ব কেতিয়াও হ'ব নোৱাৰে। বন্ধুত্ব স্থায়ী কৰাটো কঠিন কাম যদিও দুৰ্বহ নহয়, লাগে মা কেইটামান সাধাৰণ কৌশল। বন্ধুৰ অবিহনে জানো উপভোগ কৰিব পাৰিব বৰ্ষাৰ প্ৰথম বৰষুণ বা শৰতৰ মিঠা আবেলি ? অবিহনে জীৱন মৰু সদৃশ। বন্ধুত্বক চিৰস্থায়ী কৰিবলৈ বন্ধুৰ মূল্য বুজক।

আপুনি যদি কাৰোবাৰ পৰা সচা বন্ধুত্ব আশা কৰিছে তেন্তে নিজেও প্ৰকৃত বন্ধুত্বৰ নিৰ্মল আনন্দ দিবলৈ যত্ন কৰক তেওঁৰ দুখত দুখী হওক। শান্তনা দিয়ক। কিন্তু মিছা সান্ত্বনা ভুলতো নিদিব।

বন্ধুত্ব বজাই ৰাখিবলৈ অনবৰতে উপদেশ দি থাকিব নালাগে। অনবৰত উপদেশ শুনাৰ ফলত বন্ধুৰ মনত বিৰক্তিৰ সৃষ্টি হয়। বন্ধুৰ স্বাধীনতাক হস্তক্ষেপ কৰিব নালাগে। অৱশ্যে যদি সেই স্বাধীনতাই বন্ধুক বিপথগামী কৰে তেন্তে বুদ্ধি আ বন্ধুত্বৰে তাৰ সমাধান কৰিব লাগে।

বন্ধুৰে বেয়া পোৱা বিষয়বোৰ এৰাই চলিব লাগে। দেখিব আপোনাৰ অপ্ৰিয়বোৰো তেওঁ এৰাই চলিছে। প্ৰত্যেক কথাই বন্ধুক কব লাগে যদিহে আপুনি ভাৱে তাৰপৰা আপোনাৰ একো অপকাৰ নহয়। আপুনি আপোনাৰ বন্ধুৰ বিশ্ কেতিয়াও নাভাঙিব বৰং সেই বিশ্বাস গাঢ় কৰিবলৈ যত্ন কৰক।

Friend like two sides of a coin without which life would be i vain. সেয়েহে এই বন্ধুত্বক যিকোনো মূল্যৰ বিনিময়ত বজাই ৰাখিবলৈ চেষ্টা কৰক।

বন্ধুত্বৰ ওপৰত কেইজনমান বিখ্যাত ব্যক্তিৰে দিয়া মতবাদ এনেধৰণ –

ক) চিদনিস্মৃথৰ মতে, বন্ধুত্ব হব পাৰে সকলো বয়সৰ লিংগৰ মাজত।

খ) "এমাৰশ্বনে কৈছিল , বন্ধুবোৰ কিতাপৰদৰে মোৰ আছে কেতিয়াবা ব্যৱহাৰ কৰো।"

ভাৰতীয় দৰ্শনত বন্ধুত্বক বহু ওপৰত স্থান দিয়া হৈছে।

বাইবেলত উল্লেখ থকা মতে, পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাসেই হল বন্ধুত্ব।

---

# "কৌতুক"

বুঢ়ীমাক ঃ নাতিয়েকক ভাত খাবলৈ মাতিলে

নাতিয়েক ঃ Just খাই আহিলো।

বুঢ়ীমাক ঃ যিমান নাখাৱ কিয় ? ভাতৰ দৰে হ'ব নোৱাৰে। Just খাওঁতে খাওঁতে চেহেৰা একেবাৰে কেৰাচিন হৈছে।

সংগ্ৰাহক

মহঃ আফতাৰ হুছেইন

স্নাতক ২ য় বৰ্ষ

# ৰবীন্দ্ৰনাথৰ "নষ্টনীড়" আৰু নাৰী মনস্তত্ব

মৃদুলা ডেকা
প্ৰাক্তন ছাত্ৰী (২০০৭)

কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে 'গীতাঞ্জলি'ৰ বাবে সাহিত্যৰ সৰ্বোচ্চ সন্মান লাভ কৰিলেও গল্পকাৰ হিচাপেও তেওঁৰ অৱদান একক আৰু অনন্য। সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰে তেওঁ সমাজৰ কেতবোৰ দিশ তেওঁৰ গল্পত উপস্থাপন কৰিছে।

ৰবীন্দ্ৰনাথ আছিল সুন্দৰৰ সাধক, ভাৰতীয় দৰ্শনৰ উপাসক। সেয়ে তেওঁৰ সৃষ্টি ৰাজিত চিৰন্তন ভাৰতীয় আদৰ্শৰ প্ৰতিফলন ঘটিলেও মাজে মাজে জৈৱিক ক্ষুধা, অসামাজিক প্ৰেমৰ চিত্ৰও প্ৰকাশ পাইছো। সেই বুলি ইয়াৰ তীব্ৰতাত তেওঁ ভাৰতীয়, আদৰ্শক মষিমুৰ হবলৈ দিয়া নাই। বৰং তাৰ জৰিয়তে চৰিত্ৰ সমূহক আত্ম বিশ্লেষণ আৰু আত্ম শুদ্ধিৰ সুযোগ দিছে। তেওঁৰ 'নষ্টনীড" গল্পটি এনে এক অসামাজিক প্ৰেমৰ প্ৰকাশ মাথোন। বিশেষকৈ নাৰী-মনৰ গোপন কোনত লুকাই থকা বেদনা আৰু আশা - আকাংক্ষক গল্পকাৰে অতি কৌশলেৰে বায় ৰূপ দিয়াৰ প্ৰয়াস কৰিছে।

গল্পটিৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ চাৰুলতা। শিক্ষিত স্বামী আৰু চাকৰ তাকৰেৰে ভৰা আপাত দৃষ্টি এখন অতি সুখৰ সংসাৰৰ অধিকাৰিণী আছিল চাৰুলতা (চাৰু) ধন-সম্পত্তিৰ অভাৱ নাথাকিলেও চাৰু ক্ৰমে এটা বস্তুৰ অভাৱ অনুভৱ কৰিলে, সেয়া হ'ল স্বামীৰ মৰম। ঐশ্বৰ্যশালী ঘৰখনত চাৰু বৰ অকলশৰীয়া হৈ পৰিছিল। চাৰুলতাৰ স্বামী ভূপতিয়ে চাৰুক ইচ্ছাকৃত ভাবে যে অনাদৰ কৰিছিল সেয়া নহয়, আচলতে বাতৰি কাকতৰ সম্পাদক ভূপতিয়ে বাতৰিৰ কামত অত্যাধিক ব্যস্ত হ'ব লগীয়া হোৱাৰ বাবে তেওঁ পত্নীৰ প্ৰতি মনোযোগ দিবৰ আহৰি পোৱা নাছিল। ভূপতিৰ এনে ব্যস্ততা দেখি তেওঁৰ আত্মীয় সকলে তিৰস্কাৰ কৰাত উপায়ন্তৰ হৈ ভূপতিয়ে তেওঁৰ একাকীত্ব দূৰ কৰাৰ উদ্দেশ্যে চাৰুৰ বৌৱেক মন্দাকিনীক তেওঁ লোকৰ ঘৰত আনি ৰখাবৰ সিদ্ধান্ত ললে। চাৰুক আচলতে কিহৰ প্ৰয়োজন, সেয়া সৰল মনৰ ভূপতিয়ে অনুভৱ কৰিব নোৱাৰিলে। তেওঁ ভাবিছিল যে ঘৰত এনেয়ে বহি থাকিব লগা হোৱাৰ বাবে চাৰুৰ সময়বোৰ বিৰক্তিকৰ হৈছে। আনহাতে, তেওঁ পত্নীৰ অধ্যয়ন স্পৃহা দেখি তেওঁৰ সম্পৰ্কীয় ভায়েক, কলেজীয়া ছাত্ৰ অমলক দায়িত্ব দিছে চাৰুক লিখা-পঢ়া শিকাবলৈ। অমলৰ ওচৰত নিত্য নতুন বিষয়ৰ পাঠ অধ্যয়ণ কৰিবলৈ পাই চাৰুলতা যথেষ্ট সুখী হৈছিল। ইয়াৰ বিনিময়ত গুৰু দক্ষিশা স্বৰূপে তেওঁ অমলৰ বিভিন্ন দাবী, আব্দাৰ পূৰণ কৰিব লগা হৈছিল। মাজে সময়ে অমলৰ অদ্ভুত দাবী, চখ দেখি চাৰুৰ খং উঠিছিল যদিও পিছলৈ সেই মৰমৰ দাবীবোৰ তাইক আনন্দও দিছিল। এদিন অমলে চাৰুক কাৰ্পেটৰ জোতা এযোৰ তৈয়াৰ কৰি পিছত তাই কাৰ্পেট চিলাই শিকি নিজহাতেৰে অমলৰ বাবে জোতা তৈয়াৰ কৰি বিমল আনন্দ অনুভৱ কৰিছে।

ভূপতিয়ে চাৰুলতাৰ নিঃসংগতা দুৰ কৰাৰ উদ্দেশ্যে মন্দাকিনীক নিজৰ ঘৰত ৰাখিলেও চাৰুক মন্দাকিনীৰ সান্নিধ্যৰ প্ৰয়োজন নহ'ল। মন্দাকিনীৰ লগত চাৰুৰ কথা বতৰা কাৰ্যকলাপৰো কোনো মিল নাছিল। মন্দাকিনীয়ে নিজকে ঘৰুৱা কাম কাজত ব্যস্ত ৰাখি ভাল পাইছিল, তাৰ বিপৰীতে চাৰুলতা পঢ়া-শুনা কৰিবলৈ অধিক আগ্ৰহী আছিল। চাৰু আৰু অমলে পঢ়া-শুনা কৰি থকা সময়ত মন্দাকিনী কাষলৈ নগৈছিল, আনহাতে চাৰুৱেও মন্দাকিনীৰ লগত এক দুৰত্ব বজাই ৰাখিবলৈহে ভাল পাইছিল। তেওঁ আশা কৰা নাছিল মন্দাকিনী অমল আৰু চাৰুৰ পঢ়া শুনা ,

ৰং-তামচাৰ অংশীদাৰ হওঁক। কিয়নো চাৰুৰ মনত এক হেতুক ভয় আছিল জানোচা মন্দাকিনী অমলৰ প্ৰতি আকৃষ্ট হয়। সেয়ে এদিন চাৰুৰ অনুপস্থিতিত অমলে মন্দাকিনীক নিজৰ লেখা পঢ়ি শুনোৱা কথাটো চাৰুৱে সহজ ভাৱে ল'ব নোৱাৰিলে। মন্দাকিনী আৰু অমলে একেটা ৰুমতে বহি গল্প কৰি থকা দৃশ্যই চাৰুৰ মনত বিষ-বাষ্পৰ সৃষ্টি কৰিছে। অথচ তাৰ বাবে তেওঁ মন্দাকিনীক তিৰস্কাৰো কৰিব পৰা নাই। কাৰণ অমলৰ লগত তেওঁ অকলশৰে চাদত অথবা বাগানত বহি গল্প কৰে। এহাতে অমলক হেৰুওঁৱা ভয়, আনহাতে আশ্ৰিতা মন্দাকিনীৰ আচৰণ এই দুয়োটা কথাই চাৰুৰ মনত গভীৰ ব্যথাৰ সৃষ্টি কৰিছে। কোনো নাৰীৱে তেওঁৰ 'মনৰ পুৰুষজন'ৰ লগত বেলেগ নাৰীয়ে অন্তৰংগ আলাপ কৰাটো সহ্য কৰিব নোৱাৰে। নাৰী মনৰ এই সহজাত প্ৰবৃত্তিক গল্পকাৰে সঠিক ৰূপত চিত্ৰিত কৰিছে আৰু ইয়াৰ জৰিয়তে গল্পটিৰ সংঘাতো আৰম্ভ হৈছে। ইমান দিনে চাৰুলতাৰ ভাব হৈছিল অমলৰ ওপৰত একমাত্ৰ তেওঁৰহে অধিকাৰ আছে। অমল আৰু চাৰুলতাৰ আলোচনাত মন্দাকিনীয়ে কোনো দিনে ভাগ ল'ব পৰা নাছিল। আনকি 'অমৰা গছ'ৰ তলত বহি বাগান নিৰ্মাণৰ পৰিকল্পনা কৰি থাকোতে অথবা গোপনে দুয়োৰে মাজত হাতে লিখা মাহেকীয়া আলোচনী প্ৰকাশ হোৱা কথাৰ মন্দাকিনীয়ে কোনো ভু-পোৱা নাছিল। কেতিয়াবা মন্দাকিনীয়ে সুধিলেও দুয়ো আভুৱা-ভাৰিবলৈ যত্ন কৰিছিল। তেনেস্থলত চাৰুৰ অনুপস্থিতিত অমলে মন্দাকিনীক নিজৰ লেখা পঢ়ি শুনাৰ এয়া চাৰুৰ বাবে সপোনৰো অগোচৰ কথা আছিল। তদুপৰি মন্দাকিনী চাৰুৰ আশ্ৰিতা। আশ্ৰিতা হৈ আশ্ৰয় দাতা 'গৰাকিনী'ৰ সমানে সমানে অমলৰ লগত মিলা মিচা কৰিব সেয়া চাৰুৱে সহ্য কৰে কেনেকৈ ?

এই ক্ষেত্ৰত চাৰুৱে অমলক একো ক'ব নোৱাৰে। আনকি মন্দাকিনীকো পোন পটীয়াকৈ একো কব পৰা নাই। মনৰ মাজত পুঞ্জীভূত হৈ থকা ক্ষোভ, দুখখিনি ব্যক্ত কৰিছে স্বামীৰ আগত। মন্দাকিনীৰ আচৰণ সম্পৰ্কে তেওঁ তিলটোকে তালটো কৰি লগাইছে স্বামীৰ আগত। চাৰুৰ অনুভৱ হৈছে যে মন্দাকিনী তেওঁৰ ঘৰত থাকিলে তেওঁৰ বিপদ হ'ব। ভূপতিৰ আগত পৰিয়ালৰ মান-মৰ্য্যাদাৰ দোহাই দি মন্দাকিনীক তেওঁ ঘৰৰ পৰা আতৰোৱাৰ কথা কলেও আচলতে চাৰুৰ মনত নিজৰ প্ৰেমৰ পথ কন্টকহীন কৰি তোলাৰ বাসনাহে তীব্ৰ হৈছে। মন্দানিকী আৰু তেওঁৰ স্বামী উমাপদ ভূপতিৰ ঘৰৰ পৰা আতৰি যোৱাৰ পিছতে অমলৰ বিয়া ঠিক হৈছে। অমলে বিয়া কৰাই লগে লগে বিলাতলৈ গৈছে বেৰিষ্টাৰ পঢ়াৰ উদ্দেশ্যে। অমলৰ প্ৰস্থানৰ পিছত চাৰুক দেখা গৈছে বিৰহ-বেদনাত কাতৰ এগৰাকী প্ৰেমিকাৰ ৰূপত। চাৰুৱে পাহৰি গৈছে তেওঁ যে বিবাহিতা। স্বামীৰ উপস্থিতিকো অৱজ্ঞা কৰি তেওঁ আকুল চিত্তে অপেক্ষা কৰিছে অমলৰ চিঠিলৈ। চাৰুৱে আশা কৰিছিল বিলাতলৈ গৈ অমলে নিশ্চয় চাৰুৰ লগত যোগাযোগ কৰিব। কিন্তু অমলে চাৰুৰ নামত কোনোদিনে চিঠি নপঠিয়ালে। এইলৈ চাৰুৰ মনত যথেষ্ট অভিমান হৈছিল। তথাপি ভূপতিৰ নামত অহা চিঠিত অমলৰ খা-খবৰ লৈয়ে চাৰুলতাই সান্ত্বনা লভিছিল। এবাৰ অমলৰ পৰা চিঠি অহাত পলম হোৱত চাৰু অধৈৰ্য্য হৈ স্বামীৰ অজানতিতে নিজৰ অলংকাৰ বন্ধকত দি অমললৈ টেলিগ্ৰাম পঠিয়ালে। এই কথাপিছত ভূপতিয়ে জানিব পাৰি চাৰুৰ প্ৰতি মন বিদ্ধেষেৰে ভৰি পৰে। আনহাতে অমলৰ পৰা কোনো ধৰণৰ সহাৰি নাপাই চাৰু এক প্ৰকাৰ মানসিক ভাৱে বিধবস্ত হৈ পৰিছে। আনকি পিছলৈ তেওঁৰ কাম কাজ, কথা-বতৰা সকলোতে মানসিক অস্থিৰতাৰ লক্ষনো প্ৰকাশ পাইছে। অমলৰ লগত যে বিচ্ছেদ হ'ব, সেই কথা চাৰুৱে কল্পনাই কৰিব পৰা নাছিল। সেয়ে প্ৰিয়জনক হেৰুওঁৱাৰ দুখন তেওঁ উদভ্ৰান্ত হৈ পৰিছে।

ইফালে , পত্নীৰ মানসিক অৱস্থাৰ সচা ৰূপ প্ৰত্যক্ষ কৰি ভূপতি মৰ্মাহত হৈ ঘৰ এৰি যাব ওলোৱাত 'পতিব্ৰতা' ৰ দৰে তেওঁৰ লগত যাব বিচাৰিছে চাৰুৱে। অমলৰ স্মৃতিকো পাহৰিব পৰা নাই ; আনহাতে বিবাহিত স্বামীকো এৰিব পৰা নাই। অবৈধ প্ৰেমৰ উত্তাল বানত হাবুডুবু খাই চাৰুৱে অৱশেষত পতিৰ হাতত ধৰিয়েই উদ্ধাৰ পোৱাৰ প্ৰয়াস কৰিছে। এটা কথা ঠিক যে অমলৰ অৱৰ্তমানত চাৰু বিৰহ-বেদনাত কাতৰ হলেও তেওঁ স্বামীৰ প্ৰিয়

খাদ্য বস্তু তৈয়াৰ কৰিছে, ৰাতি শুবৰ পৰতো চাৰু এগৰাকী মৰম আকলুৱা নাৰী। তেওঁ ইস্পিত মৰম খিনি প্ৰথমেই ভূপতিৰ পৰা পোৱা হলে অমলৰ লগত তেনে এক সম্পৰ্কগঢ়ি নুঠিলেহেতেন। প্ৰথম অৱস্থাত স্বামীৰ দ্বাৰা সম্পূৰ্ণ অৱহেলিত হোৱাৰ বাবেহে চাৰুৰ মনত অমলৰ প্ৰতি দূৰ্বলতাৰ সৃষ্টি হয়। অমলৰ লগত মিলা-মিছা কৰিবলৈ চাৰুক উদ্‌গণি দিছিল ভূপতিয়েই। কিন্তু সৰল মনৰ ভূপতিয়ে ভাবিব পৰা নাছিল যে নবৌয়েক দেওৰেকৰ এই মিলা প্ৰীতিয়ে প্ৰেমৰ সম্পৰ্কলৈ ৰূপান্তৰ হ'ব। কাৰণ ভূপতি একান্ত ভাৱে ভাৰতীয় আদৰ্শৰ ভূপতি আছিল। যিখন সমাজত বৌয়েক দেওৰেকৰ সম্পৰ্ক মাতৃ-পুত্ৰৰ দৰে পৱিত্ৰ, তেনে চিৰন্তণ আদৰ্শৰ যে পতন ঘটিব সেয়া তেওঁ কল্পনা কৰে কেনেকৈ ? ইয়াৰ বাবে কেৱল চাৰুকেই জগৰীয়া কৰিব নোৱাৰি। সেইবাবে গল্পকাৰেও যথেষ্ট সহানুভূতিৰে চাৰুৰ চৰিত্ৰটি অংকন কৰাত প্ৰয়াস কৰিছে। চাৰুৰ জৰিয়তে গল্পকাৰে এগৰাকী 'ভাৰতীয় আদৰ্শ বধু'ৰ পৰিৱৰ্তে হৃদয়-বৃত্তিক প্ৰাধান্য দিয়া নাৰীৰ ছবিহে অংকন কৰিছে। সেয়েহে অবৈধ প্ৰেমৰ বিষময়ফল কেৱল চাৰুৱেই ভোগ কৰা নাই, ভোগ কৰিছে ভূপতিয়েও। সুখৰ সংসাৰ গঢ় দিয়াৰ দায়িত্ব একমাত্ৰ নাৰী গৰাকীয়ে নহয়, পুৰুষজনৰ ভূমিকাও সমানেই গুৰুত্ব পূৰ্ণ। ভূপতি চাৰু দুয়োৱে অগ্নিক সাক্ষী কৰি যুগ্ম জীৱনৰ পাতনি মেলিছিল। পত্নীক যথোচিত মৰম, মনোযোগ, ভালপোৱা দিব নোৱাৰাৰ বাবেই চাৰুলতা ভূপতিৰ পৰা মানসিক ভাৱে বহু দূৰলৈ আতৰি গ'ল। সেই বুলি চাৰুৱে যি পন্থা হাতত লৈছিল সেয়া শুদ্ধ নহয়। যুক্তিৰ খাতিৰত চাৰুৰ কাৰ্যৰ বাবে তেওঁক পোন-পটীয়াকৈ জগৰীয়া নকৰিলেও এয়া কিন্তু সমাজৰ বাবে ক্ষতি কাৰক। সেয়ে গল্পকাৰে পিছৰফালে চাৰু আৰু ভূপতি দুয়োকে মানসিক যন্ত্ৰনাৰ বলি কৰাইছে। চাৰুলতাৰ হেৰওৱাৰ যন্ত্ৰনা ; তাৰ লগতে সংসাৰ ধৰ্ম পালনত ব্যৰ্থ হোৱাৰ বেদনাই তেওঁক জৰ্জৰিত কৰিছে। আৰু ভূপতিক ব্যথিত কৰিছে বিশ্বাস ভংগৰ বেদনাই। তদুপৰি তেওঁৰ অমনোযোগিতাৰ বাবেই যে পত্নীৰ মাজত এক বাট সৃষ্টি হ'ল, সেই কথাই ভূপতিক খুলি খাইছে। 'নীড়' - য'ত পোৱা যায় জীৱনৰ আশ্ৰয়, গভীৰ, প্ৰশান্তি, সীমাহীন মৰম -সেই 'নীড়' ভাঙি থানবান হৈছে অবিশ্বাস আৰু প্ৰেমহীনতাৰ বাবে।

যুগ্ম জীৱনত পতিৰ বাবে পত্নী আৰু পত্নীৰ বাবে পতিয়েই শেষ আশ্ৰয় হয়। সেয়ে ভূপতি চাৰুৰ পৰা আতৰি যাব খুজিও যাব পৰা নাই। অথবা চাৰুৱেও স্বামীক এৰি অমলৰ স্মৃতিৰ দিন কটাব পৰা নাই। পূৰ্বৰ কথা পাহৰি দুয়ো দুয়োৰে লগত একান্ত হোৱাৰ প্ৰয়াস কৰিছে

সংগ্ৰহ - আমাৰ অসম

মৃদুলা ডেকা
প্ৰাক্তন ছাত্ৰী

"অপব্যয় দৰিদ্ৰৰ কাৰণে অপযশ, ঠিক আছে, কিন্তু ধনীৰ অপব্যয়ত আনন্দ আছে।
ভোগৰ আনন্দ যাৰ আছে, অপব্যয়ৰ আনন্দ সিয়েহে উপলব্ধি কৰে।
দৰিদ্ৰৰ ভোগ নাই ত্যাগো নাই"

- ৰবীন্দ্ৰনাথ ঠাকুৰ।

# ভাষাৰ উৎপত্তি

শ্ৰী ভবানী দাস
স্নাতক তৃতীয় বৰ্ষ

ভাষা মানৱ সভ্যতা সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ। মানৱ সভ্যতাৰ প্ৰথম সপোন ৰচিত হৈছিল ভাষাৰ মাধ্যমেৰে। ভাষা বোলে, কেনেকৈ, কত প্ৰথমে সৃষ্টি কৰিছিল তাৰ উমান পাবলৈ নাই। তথাপি মানুহৰ মনৰ ভাব অনুভূতি উদ্দীপনা আদি প্ৰকাশৰ একমাত্ৰ মাধ্যমেই হ'ল - ভাষা। ই মানুহৰ এটা আচৰিত ক্ষমতা। সংস্কৃত ভাষ ধাতুৰ পৰা "ভাষা" শব্দৰ সৃষ্টি হৈছে। ইয়াৰ অৰ্থ ব্যক্তবাণী।

আদিম কালত মানুহে ভাষা ভগৱানৰ প্ৰত্যক্ষ দান বুলি স্বীকাৰ কৰিছিল। ধৰ্ম গ্ৰন্থৰ প্ৰতি শ্ৰদ্ধা কৰোতাসকলে ক'ব বিচাৰে যে সৃষ্টিৰে আৰম্ভনিতে ভগবানে ঋষিমুনি সকলক একোটা ভাষা শিকাই পঠিয়াছিল আৰু তাৰ পৰাই আন আন ভাষাবোৰৰ সৃষ্টি হৈছে। এনেদৰে বিশ্বাস কৰি য়ে সংস্কৃত ভাষাক দেৱভাষা আখ্যা দিছে। বৌদ্ধসকলেওঁ বুদ্ধদেৱে ধৰ্ম প্ৰচাৰ কৰা 'পালি' ভাষাক সকলো ভাষাৰ মূল বুলি ভাৱিছিল। তেনেদৰে জৈনধৰ্মীসকলে মহাবীৰৰ ভাষা 'অৰ্ধমাগধী' ভাষাৰ মুল ভাষা বুলি স্বীকাৰ কৰে। এনেদৰে অষ্টাদশ শতিকাৰ আগলৈকে ভাষা ভগৱানৰ প্ৰত্যক্ষ দান বুলিয়ে ভৱা হৈছিল। জে.ডি হাৰ্ডাৰ নামৰ (১৭৪৪-১৮০৩) এজন পণ্ডিতে The Orgin of language" - শীৰ্ষক ৰচনাত পোন প্ৰথমে "ভাষা ভগৱানৰ প্ৰত্যক্ষ দান" মততো খণ্ডন কৰে আৰু আনকি প্ৰুচিয়ান একাডেমীৰ দ্বাৰা আয়োজিত ৰচনা প্ৰতিযোগীতাত পুৰস্কাৰো লাভ কৰে।

কিছুমানে আকৌ জন্মৰ লগে লগে মানুহে ভাষা শিকি আহে বুলি কয়। ভাষাক জন্মগত বুলি ভাৱি;ল এটা সমস্যাই দেখা দিয়ে, কয় যদি ভাষা মানুহে জন্মৰ লগে লগে শিকি আহে, তেন্তে মানুহেনো পোন প্ৰথমে কোনটো ভাষা শিকি আহে। এই সমস্যাৰ সমাধানৰ কাৰণে বহুতো পৰীক্ষা-নিৰীক্ষা চলাই অৱশেষত ভাষা জন্মগত নহয় বুলি প্ৰমাণ পোৱা গৈছে। ই পৰিবেশৰ ওপৰত নিৰ্ভৰশীল অৱশ্যে এইবোৰ মতবাদৰ কোনো বৈজ্ঞানীক ভিত্তি নাই। ভাষা সৃষ্টিৰ মূল উপাদান প্ৰাকৃতিক শব্দৰাজি, সহজাত প্ৰবৃত্তি, শক্তিৰ ভাৱসাম্য, ইঙ্গিত আদি বুলি ধৰিব পাৰি। সৃষ্টিৰ পাতনিৰে পৰা মানুহে ইতৰ প্ৰাণীৰ দৰে বসবাস কৰিছিল। উলঙ্গভাৱে, বৰ্বৰভাৱে, হাবি-বননিয়ে গছৰ ফল-মূল বিচাৰি, জীৱজন্তু চৰাই চিৰিপতি আদি চিকাৰ কৰি জীৱিকা নিৰ্বাহ কৰিছিল এনেদৰে ঘুৰি ফুৰোতে মানুহে বিভিন্ন প্ৰাকৃতিক শব্দ ৰাজিৰ মুখামুখী হৈছিল। যেনে - বনৰীয়া পশু-পক্ষীৰ মাত, হাতী, ঘোঁৰা, বাঘ, ভালুক, সিংহ আদি জীৱ জন্তু প্ৰত্যকৰে সুকীয়া সুকীয়া মাত মানুহে অনুকৰণ কৰিবলগীয়া হৈছিল। এই মাতসমূহ অনুকৰণ কৰিয়ে - হাঃ হাঃ, হু হু আদি বিভিন্ন ভাষা অনুশীলন কৰিবলৈ শিকে।


কেতিয়াবা আকৌ দলবদ্ধভাৱে ঘুৰি ফুৰোতে ভিন্ন হিংস্ৰ জন্তুৰো মুখামুখি হৈ তাক বধ কৰিবলগীয়া পৰিছিল। এই কথাখিনিকে তেতিয়া লগৰবিলাকৰ আগত আনন্দ, বিষাদেৰে প্ৰকাশ কৰিছিল। এই আনন্দ, বিষাদ আদি অনুভূতি সমূহৰ ফলশ্ৰুতিৰ পৰা সৃষ্টি হোৱা হাঁহি, কান্দোনে এটা সময়ত ভাষাৰ জন্ম দিব পাৰে বুলি ভৱা হৈছে। কাৰণ এজন মানুহে কিবা এটা ভয়ৰ শিহঁৰণত যেনেদৰে কান্দিব, মৰ্মস্পৰ্শী বেদনাৰ তাড়নাত হয়তো কান্দোনৰ সুৰ বেলেগ হ'ব। ঠিক সেইদৰে কোনো এক আনন্দত উৎফুল্লিত হ'লে মানুহে যিদৰে হাঁহিব, সাধাৰণ আনন্দত তেনেদৰে নাহাঁহিব পাৰে। গতিকে, বিভিন্ন সময়ত মানুহৰ সহজাত প্ৰবৃত্তিসমূহৰ ভাৱনাৰ তাড়নাৰ অনুৰূপে বিচিত্ৰ হৰ্ষ বিষাদৰ প্ৰকাশে ভাষা সৃষ্টিত ইন্ধন যোগাব পাৰে।

প্ৰাচীন কালত শক্তিৰ ভাৰসাম্য ৰক্ষা কৰোতেওঁ ভাষাৰ সৃষ্টি হ'ব পাৰে। কাৰণ হাবি বননিয়ে ঘুৰি ফুৰোতে কেতিয়াবা প্ৰকাণ্ড একোডাল গছকাটিব লগীয়া, বা একোটা প্ৰকাণ্ড বস্তু এঠাইৰ পৰা আন ঠাইলৈ ঠেলি নিবলগা হোৱাত যথেষ্ট শক্তি প্ৰয়োগ কৰিছিল। এনেদৰে শক্তিৰ ভাৰসাম্য ৰক্ষা কৰোতে কিছুমান ধ্বনি আপোনা আপুনি মুখেৰে ওলাই আহিছিল আৰু খুব সম্ভৱ ইয়াৰ পৰাই ভাষাৰ সৃষ্টিৰ মূল কাৰণ। ইঙ্গিতৰ পৰাই ভাষা সৃষ্টি হোৱা বুলিব পাৰি। কিয়নো যি সময়ত ভাষা বোলা কোনো এটা কথাৰ সৃষ্টি হোৱা নাছিল, তেতিয়া মানুহে নিজৰ মনোভাৱ প্ৰকাশৰ বাবে কিছুমান অঙ্গী-ভঙ্গী ব্যৱহাৰ কৰিছিল। হাবিৰ পৰা কেনেদৰে ফল-মূল গোটালে, চিকাৰ কৰিলে, কেনেদৰে হিংস্ৰ জন্তুৰ মুখামুখী হৈ তাক বধ কৰিলে, নাইবা হিংস্ৰ জন্তুটোৱে কেনেদৰে সন্মুখলৈ খেদি আহিল আদি কথা যেতিয়া লগৰ জনৰ অগত মনোভাৱ ব্যক্ত কৰিছিল তেতিয়া দেহৰ হাত ভৰি, বিভিন্ন অংগ সঞ্চালনেৰে প্ৰকাশ কৰিছিল। অৰ্থাৎ ইঙ্গিতে সহায়েৰে আদিম কালত মানুহে মনোভাৱ প্ৰকাশ কৰিছিল। অৱশ্যে ইঙ্গিতক ভাষা বিজ্ঞানৰ দৃষ্টিৰে ভাষা বুলি ক'ব নোৱাৰি যদিওঁ বৰ্তমানেও এই প্ৰথা উত্তৰ আমেৰিকাৰ ৰেড ইণ্ডিয়ান সকলৰ কথা উল্লেখ কৰিব পাৰি।

এইবোৰৰ উপৰিও সংগীতৰ পৰাওঁ ভাষাৰ সৃষ্টি হুব পাৰে বুলি ক'ব পাৰি। মানুহৰ মনত ক্ৰিয়া কৰা সাংগিতীক মধুৰতাৰ ফলতে জন্ম হয় সংগীতৰ। ভাষাৰ সৃষ্টিত মানুহৰ এই সুক্ষ্মতম অনুভতিৰো অৱদান নিশ্চয় থাকিব। কোনো কোনোৱে আদিম মানৱৰ ধৰ্মীয় নৃত্যাদি পৰাও ভাষাৰ সৃষ্টি হ'ব পাৰে বুলি মত পোষণ কৰে।

ভাষা যেনেকৈয়ে সৃষ্টি নহওঁক ই মানুহৰ চিৰন্তৰ প্ৰবৃত্তি। ভাষাৰ ব্যৱহাৰে মানুহক জীৱ -জগতত অদ্বিতীয় স্থান লাভ কৰাৰ সুবিধা প্ৰদান কৰিছে। তদুপৰি ভাষাৰ মাধ্যমেৰে মানুহৰ উপলবদ্ধ জ্ঞান ভৱিষ্যতলৈ সংৰক্ষিত হয়। আনকি ভাষাৰ ব্যৱহাৰৰ আৰম্ভনিৰ পৰাহে মানৱজাতি মানৱশাৰীলৈ উঠিছে। মানুহৰ ভাষা প্ৰকাশত এটা যেনেদৰে বাকশক্তি থাকে, তেনেদৰে তাৰ অন্তকলয়ত ভাৱশক্তিওঁ নিহিত হৈ থাকে। ভাৱ নহলে ভাষা নোলায় আৰু ভাষা নহলেওঁ ভাৱ প্ৰকাশ কৰিব নোৱাৰি। অৱশ্যে ভাৱ আৰু ভাষাৰ লগত এটা সম্পৰ্ক আছে যদিওঁ সুক্ষ্মভাৱে চালে ভাষা নথকাতো ভাৱৰ সৃষ্টি হ'ব পাৰে। কিয়নো কেতিয়াবা কেতিয়াবা আমি ভাৱ প্ৰকাশ কৰিবলৈ ভাষা নাই বুলি কওঁ ইয়ে ভাষাৰ অনুপস্থিতিত ভাৱৰ স্থিতিৰ কথা প্ৰমাণ কৰে। ঠিক তেনেকৈ এজন শিল্পীয়ে তেওঁৰ কোনো এটা মুৰ্ত্তিৰ গঢ় দিওঁতে যি ভাৱৰ উদয় হয়, সেইটো ভাষাৰ দ্বাৰা চালিত হয় বুলি কব নোৱাৰি।

মনৰ ভাৱ প্ৰকাশকে ভাষা বুলি কোৱা হয় যদিও কেইটামান বিশেষ দিশ এইক্ষেত্ৰত বিবেচনা কৰিবলগীয়া। কোনো এজন ৱক্তাৰ ভাৱ শ্ৰোতাৰ ওচৰলৈ প্ৰেৰণ কৰা ভাষাৰ প্ৰধান কাম। ইয়াৰ বাবে প্ৰথমতে দৰকাৰ হ'ব চেতনাৰ। কাৰণ, অচেতন বস্তুৱে কেতিয়াওঁ কথা নকয় বা নুবুজে। আনফালে আকৌ কেৱল চেতনা থাকিলেও বুদ্ধি অবিহনে কাম নচলে। উদাহৰণস্বৰূপে - গৰুৰ চেতনা আছে, কিন্তু বুদ্ধি নাই। গতিকে গৰু ভাষাহীন। আকৌ চেতনা, বুদ্ধি থাকিলেও মানুহে যেতিয়ালৈকে ইচ্ছা নকৰে তেতিয়ালৈকে কথা নকবওঁ পাৰে। কেতিয়াবা ইচ্ছা থাকিলেওঁ ভিতৰৰ শ্বাস বায়ুক বাহিৰলৈ উলিয়াই নিদিলে ধ্বনি উৎপন্ন নহয়। গতিকে ধ্বনি উৎপন্ন নহ'লে ধ্বনি আৰু ধ্বনি সংযোগ ফলত মনোভাৱ ব্যক্ত নহয়। গতিকে, ভাষা বৈজ্ঞানিক দৃষ্টিৰে প্ৰকৃততে ভাষা সৃষ্টি হবলৈ হলে আত্মা অৰ্থাৎ চেতনা, বুদ্ধি, মন আৰু শ্বাস বায়ুৰ নিত্যান্ত প্ৰয়োজন আছে।



# ভগ্নআশা

মানুহ জীৱনটো দুচকীয়া গাড়ী এখনৰ দৰে। এটা চকাৰ নাম সুখ, আনটো চকাৰ নাম দুখ। আৰু এই সু দুখক লৈয়ে মানৱ জীৱনৰ সৃষ্টি। আৰু নোপোৱাৰ বেদনাতকৈ পাই হেৰুওৱাৰ বেদনা সহ্য কৰিব পোৱাৰি যদিও দু নিশাৰ অন্তত সুখৰ দিনটো আহিব বুলি একান্ত ধৈৰ্য্য সহকাৰে অপেক্ষা কৰি আছে বিকিৰ জীৱনটোৱে। খিৰিকি খোলাৰ লগে লগেই ফিৰফিৰিয়া বতাহ এজাক বিকিৰ ৰুমৰ ভিৰতলৈ সোমাই আহিল। আজি চাৰিদিন ধৰি বিকি ৰুমৰ ভিতৰতে সোমাই আছে। অফিচলৈয়ো যোৱা নাই। বাৰে বাৰে তাৰ তৰালৈ মনত পৰিছে। তৰাৰ প্ৰতিচ্ছবি তাৰ চকুত ভাহি উঠি তাক বৰকৈ আমনি কৰিছে। তৰা লগত আনন্দেৰে অতিবাহিত কৰা সেই মধুৰ দিনবোৰলৈও মনত পৰিছে।

তৰা বৰ্তমান উঃ মাঃ ১ ম বৰ্ষৰ ছাত্ৰ বিকিৰ ঘৰৰ পৰা দুমাহলৈ আঁতৰত তাইৰ ঘৰ। দুয়োৰো মাজত ম বোল নাছিল। সিদিনা প্ৰথম কলেজ খুলিছে আৰু ৰেগিং আৰম্ভ হৈছে। স্নাতক ২য় বৰ্ষ ছাত্ৰ কেইজনমানে তৰাক ৰে কৰিব ধৰিছে। বহুত বেয়াকৈ। আৰু ঠিক সেই সময়তেই বিকিয়ে তৰাক কান্দি থকা অৱস্থাত দেখা পালে আৰু ত তৰাৰ প্ৰতি দয়া উপজিলে। সি তৎক্ষনাৎ দৌৰি গৈ ল'ৰা কেইজনক ধমকনি দি তৰাক সিহঁতৰ মাজৰ পৰা উদ্ধ কৰিলে। তৰাৰ সিদিনাই বিকিক ভাল লাগি গ'ল আৰু বিকিৰো তৰাৰ প্ৰতি অজান পুলক জাগিল। হয়তো সিদিন দুয়ো দুয়োকে ভাল পাই পেলালে যদিও প্ৰকাশ নকৰিলে। দুয়োৰো এৰাএৰি নাই। কলেজত দুয়ো একেলগে আ যোৱা কৰে। আৰু এদিন হঠাৎ বিকিয়ে তাৰ মনৰ কথাটো প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে। যে, তৰা, বেয়া নোপা যদি তোমাক মই এটা প্ৰস্তাৱ দিব বিচাৰো। তৰা, যদি তোমাৰ অকনো আপত্তি নাই, তোমাক মই ভালপাব বিচা আৰু অকল ভাল পোৱাই নহয়, ভৱিষ্যতৰ সুখ-দুখৰ সমভাগী জীৱন লগৰী কৰিব বিচাৰো। তোমাৰ কিবা আপ আছে যদি কব পাৰা, মই বেয়া নেপাওঁ তৰা। বিকি ময়ো তোমাক প্ৰাণভৰি ভাল পাওঁ। আৰু ভৱিষ্যতৰ কাৰ তোমাকে সুখ-দুখৰ সভভাগী জীৱন লগৰী কৰিব বিচাৰো বিকি। আৰু এনেকৈয়ে দুয়োৰো মাজৰ গভীৰ প্ৰে ভালপোৱা ই বহুদূৰ আগবাঢ়ি গ'ল। স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা আহিল। বিকিয়ে পৰীক্ষাত ভালদৰে উৰ্ত্তীণ হ'ল। প বাদ দি বিকিয়ে কোম্পানী এটাৰ মেনেজাৰ চাকৰি পালে। আৰু এইফালে তৰাৰ ফাইনেল পৰীক্ষা আহিল। তৰা পৰীক্ষাত ভালদৰে উৰ্ত্তীণ হ'ল। তৰাৰ পৰীক্ষা শেষ হোৱাৰ পিছতে ঘৰত বিয়াৰ বিষয়ে আলোচনা হৈছে। তৰাৰ বি পঢ়িবৰ বহুত ইচ্ছা আছিল। কিন্তু তাইৰ ইচ্ছা বাস্তৱত পৰিণত নহ'ল। মনৰ ইচ্ছা মনতে বৈ গ'ল।

মনোজ ল'ৰাজন দেখিবলৈ বৰ ধুনীয়া দেখাত যিমান ধুনীয়া অন্তৰখনো সিমানেই ধুনীয়া। বহুত ধীৰ গম্ভীৰ মনোজ, বিকিৰ দূৰ সম্পৰ্কীয় মোমায়েক এজনৰ ল'ৰা। ঘৰ গুৱাহাটীত। পৰিয়াল বুবিলৈ মনোজৰ মাক দেউতা অকল ভাল চাকৰি এটাও কৰে। বিকিয়ে মনোজক এদিন গাৱলৈ ফুৰাবলৈ লৈ আহিল। বিকিয়ে মনোজক তৰাৰ লগ চিনাকী কৰাই দিলে, কিন্তু দুয়োৰো মাজৰ সম্পৰ্কৰ কথা একো নকলে। মনোজৰ তৰাক বহুত ভাল লাগিব। মনো তৰাক প্ৰথম দৃষ্টিতে ভাল পায় পেলালে, কিন্তু প্ৰকাশ নকৰিলে। ঘৰলৈ গৈ মনোজে মাক-দেউতাকক তৰাক বি কৰাব বুলি কোৱাত মাক-দেউতাকে অকনো আপত্তি নকৰিলে। তৰাক বিয়া কৰাবলৈ তেওঁলোকে প্ৰস্তুত হ'ল। সে উদ্দেশ্যে তেওঁলোকে তৰাৰ ঘৰলৈ আহি তৰাক তেওঁলোকৰ ল'ৰা মনোজলৈ বিয়া কৰাব বুলি প্ৰস্তাৱ আগবঢ়া আৰু তৰাৰ মাক দেউতাকেও মনোজলৈকে তৰাক বিয়া দিবলৈ ৰাজি হ'ল। ইফালে তৰাৰ উপায় নোহোৱা হৈ বিকিকো লগ নেপায় এতিয়া। কাৰণ বিকি বৰ্তমান তাইৰ পৰা বহু নিলগতা বিকিয়ে কিবা এটা কামৰ বাবে ছয় মা কাৰণে দিল্লীলৈ যাব লগা হ'ল। তৰাই বিকিৰ কথা ঘৰত কলে যদিও কামত নাহিল। মাক-দেউতাকে বিকিক পাছ

যাবলৈ কৈ তাইৰ মনোজৰ লগত বিয়া ঠিক কৰিলে। থিক সেই সময়তেই বিকিৰ পৰা চিঠি এখন আহিল তৰালৈ। পিয়নে আহি তাইক চিঠিখন দি থৈ গ'ল।

মৰমৰ,

তৰা .

মৰম লবা। বৰ্তমান তোমাৰ প্ৰেৰণাত আৰু ভগবানৰ কৃপাত জীয়াই আছো। তৰা ভগবানক মই সদায় প্ৰাৰ্থনা জনাওঁ যে তোমাক যেন ভালে কুশালে ৰাখে। আমাৰ প্ৰেমক যেন চকু মেলি চাই। আমাৰ সপোন কল্পনাবোৰক যেন দিঠকত ৰূপায়িত কৰে। তৰা অহা জানুৱাৰী মাহত গৈ ঘৰত বিয়াৰ কথা জনাম। অপেক্ষা কৰিবা। চিঠি পঠাবা। বিশেষ নিলিখো।

ইতিত,

তোমাৰ বিকি

চিঠিখন পঢ়ি তৰাই কান্দি কান্দি লগে লগেই বিকিলৈ বিয়াৰ কথা জনাই চিঠি লিখি পঠাই দিলে। তৰাৰ চিঠি পাবাৰ লগে লগে বিকিৰ আনন্দ লাগি গ'ল যদিও খন্তেক পিছতেই চিঠিখনত তাৰ বুকুৰ তৰাৰ মনোজৰ লগত থিক হোৱা বিয়াৰ খবৰটোৱে আনন্দখিনি আতৰাই চিৰদিনৰ কাৰণে শোকৰ সাগৰত ডুবাই পেলালে। কান্দি কান্দি সি তৰাক বিয়াৰ শুভেচ্চা জনাই, শান্তনা দি চিঠি লিখি পঠাই দিলে

মৰমৰ,

তৰা

লিখনিৰ পাতনিতে তোমালৈ আন্তৰিক মৰম কন যাছিলো। আশা কৰো তোমাৰ খবৰ ভাল। তৰা মোক তুমি ক্ষমা কৰি দিবাদে। তৰা আৰম্ভনিতেই মই তোমাক ভৱিষ্যতৰ বাবে সুখ-দুখৰ সমভাগী জীৱন সংগীয়া কৰাৰ প্ৰতিশ্ৰুতি দিছিলো। তোমাক লৈ অলেখ সপোন ৰচিছিলো। কল্পনা কৰিছিলো কিন্তু সেই কল্পনা সপোনবোৰক দিঠকত ৰূপায়িত কৰিব নোৱাৰিলো। সময় বৰ নিষ্ঠুৰ তৰা। প্ৰকৃত প্ৰেম মানে বিবাহ নহয় তৰা। যিহেতু তোমাক মই প্ৰাণভৰি ভাল পাওঁ গতিকে তুমি অন্যৰ হবলগা হলেও মানে মোৰ অন্তৰংগ বন্ধু মনোজৰ হব লগা হলেও তোমাৰ প্ৰতি মোৰ প্ৰেম চিৰদিনলৈ থাকিব। তৰা বিয়াৰ দিনা কিন্তু মই মনোজৰ ফলীয়াহৈ হে যাম। তৰা শেষত এটা কথা জনাওঁ মনোজ যদি তোমাক সুখৰ পৰিবৰ্তে দুখহে দিয়ে আৰু যদি তেতিয়াই মোক কাষত বিছৰা একেবাৰে কাষতে পাবা। যিহেতু মই তোমাৰ সুখত সুখী আৰু তোমাৰ দুখত দুখী হৈ চিৰদিন তোমাৰ লগতে আছো। তৰা হৃদয়ত চিৰদিনৰ বাবে অংকিত কৰি লোৱা তোমাৰ প্ৰতিচ্ছবিটোক লৈয়ে চিৰদিনৰ বাবে জীয়াই থাকিম। তৰা এই জনমত তোমাক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নেৰৱাৰিলো। গতিকে অহা জনমলৈ তোমাক জীৱন লগৰী কৰাৰ প্ৰতিশ্ৰুতি দিলো। তৰা এই জনমত মই বুলি মোৰ অন্তৰংগ বন্ধু মনোজক লৈ স্বামী ৰূপত গ্ৰহণ কৰি চিৰদিনৰ বাবে সুখী হোৱা। মোৰ শুভেচ্ছা চিৰদিন তোমাৰ লগত থাকিব। তৰা তোমাৰ আৰু মনোজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি আজিলৈ লিখনিৰ সামৰণি মাৰিলো। ইতিত

তোমাৰ মৰমৰ বিকি

চিঠিখন পঢ়ি তৰাই কান্দি কান্দি ভাগৰি পৰিল। কিন্তু সেই কান্দোনৰ ৰহস্য কোনেও বুজি নাপালে। তাই সেই চকুলো টি দুখ মনে বিকিৰ কথা মানি আৰু একমাত্ৰ মাক দেউতাকৰ সন্মান ৰাখিবৰ কাৰণে মনোজক স্বামী ৰূপত লৈ সংসাৰৰ মায়া জালত আৱদ্ধ হৈ পৰিল।

শ্ৰী ৰীমামনি ডেকা

স্নাতক প্ৰথম বৰ্ষ

# জোনাকত এন্ধাৰ

শ্ৰী বিক্ৰম
স্নাতক দ্বিতী

ৰদ আজি কেনি পাও
ৰ'দ আজি কেনি চাও
খিৰিকী মেলি সমূখত
এন্ধাৰ হে পাও ............

90.9 F.M. ত জুবিনৰ গীতটো বাজি উঠিল। বিপুল অফিচলৈ যোৱাৰ পাছত বাকীখিনি সময় শুনি কটায়। পপীয়ে বিষম মন এটালৈ চকী খনত বহি পৰিল। উদ্যামহীন চিন্তাক্লিষ্ট ভাব এটাই আবৰি ধৰিছে তাই আনদিনাৰ দৰে আজি জিলিকি উঠা নাই সলাজ হাহিটো, মুখৰ উজ্জ্বলতা ম্লান পৰিছে। শংকাৰ চাপে বিধবস্ত কৰি সতেজ মুখাবয়ৱ বৰণ। অইন দিনা হলে তাই F.M.ৰ গীতৰ কলিয়ে কলিয়ে তায়ো গুন গুনালে হৈ। কিন্তু আজিৰ মন যোৱা নাই। তাই অতীতলৈ গুচি গ'ল।

এদিন দুদিন কৰি আজি চাৰি পাচ বছৰ মান হ'ল। পপীয়ে ৰীটমক দেখা নোপোৱা পপীয়ে ঘৰলৈ গ ৰীটমক দেখা নাপায়। যিদিনা খন পপীয়ে ৰীটকম আশা কৰিবলৈ মানা কৰিছিল সিদিনা ৰাতিয়ে ৰীটমে গাওঁ এৰি গৈছিল। আৰু সি কোনো দিনে ওভাতি অহা নাছিল। ৰীটম যোৱাৰ পাছত পপীৰ বিয়া হৈ গ'ল তাৰ পাছতো কোনো খবৰ নাই। ৰীটমৰ কথা ভবাৰ লগে লগে পপীৰ মনটো সেমেকি উঠিল। তাই বাৰু জীৱনত ডাঙৰ কৰিলে নেকি। তাইৰ নিজৰ জীৱনক লৈ ঘৃণা লাগিল। তাই বাৰু ধনৰ লোভ সামৰিব নোৱাৰি সচা প্ৰেমকো এৰি নেকি ? ৰীটমৰ কি নাছিল। সি দুখীয়া বাবে তাইৰ মাক দেউতাকে তাইক তাক ভাল পাব নিদিলে নেকি ? তায়ো তাৰ বাবে তাক এৰি গুচি আহিলে নেকি ? সচা মৰমক নেওচি। তাইৰ বহু কথা মনলৈ আহিবলৈ ধৰিলে। তাই নিজ চাবলৈ ধৰিলে। তাইৰ অতীতৰ কথাবোৰ মনত পৰিলে পাহৰিবলৈ চেষ্টা কৰে। তাই যে এতিয়া বিপুলক পাই সু তাইক আৰু ইয়াত কৈ বেছি সুখ নালাগে। এই সুখৰ বাবে তাই এদিন সৰ্ব্ব পৰা ভালপোৱা ৰীটমক এৰি আহিছিল। ডাকোবালৰ মাতত পপী উচপ খাই উঠিল। ডাকোৱালে পপীক চিঠিখন দি গুচি গ'ল। ৰীটমৰ চিঠি আচৰিত হৈ উঠিল। তাই চিঠি খন চকুৰ আগত মেলি ধৰিলে।

মৰমৰ পপী,

কিয় জানো আজি তোমালৈ লিখিবৰ মন গ'ল। কিন্তু কি লিখিম তাকো ভাবি পোবা নাই। ক'ৰ পৰা আ কৰো তাকো ভাবিব পৰা নাই। কিন্তু ভাবিছো তোমালৈ বহুত লিখো। লিখো নহয় তোমাক মনত পেলাই দিও, কথা তুমিয়েইটো কৈছিলা তোমাৰ মনক কেতিয়াও বিচলিত হবলৈ নিদিয়া। মন এটা দূৰন্ত গতি, মন ভালপো সফুৰা। তুমিয়েইটো কৈছিলা তোমাৰ মনে যি বিচাৰে তাক পোবাৰ সংগ্ৰাম তুমি সদায় কৰি যাবা। মনৰ ওপ তোমাৰ যে উদাহৰণ। শুনি শুনি মই তোমাক এজনী মনস্তাত্বিক বুলি জোকাইছিলো, তোমাৰ হাতৰ কিমান কান খাইছিলো। ভাবিলে হেৰাই যোবা অতীতটো কাষতে পোবা যেন লাগে। বহুত দিন বহু বছৰ হ'ল পপী তোমাক নেদেখা। এতিয়াও মই ভাবো তোমাৰ সেই সান্নিধ্যৰ সেই দিনবোৰত আমি কিমান পবিত্ৰ ভাবে কটাইছিলো, আমাৰ ৰক্ষা কৰি আমি দুয়ো দুয়োকে কিমান ভাল পাইছিলো। আমাৰ প্ৰেম কামনাৰ চৰিতাৰ্থ নাছিল অথচমই কলে পৰা অহাৰ পাছত তুমি মোৰ বাবে বৈ আছিলা বাৰী পাছৰ জুপুৰি ঘৰটোত তোমাৰ প্ৰতিটো টিউচনৰ দিনত

তোমাক লগ পাবৰ বাবে সেই তিনি চকটো ৰখি থাকো। মই যদি কোনোবা দিনা নাযাও তোমাৰ খণ্ডতে ঠাই নাইকীয়া হৈ থাকে। প্ৰতিৰবিবাৰতে তুমি ঘৰৰ পৰা মনে মনে আহি মোৰ লগত কটাইছিলা অথচ আমি দুয়ো ইমান সংযত আছিলো। তুমিয়েটো কৈছিলা ই ভাল পোৱাৰ মন।

বৰ্তমান মই সম্পূৰ্ণ শয্যাগত। মৃত্যুয়ে মোক কেতিয়া আকোঁৱালী লব তালৈকে মাথো বাট চাই আছো। কব নোৱাৰো কিয় মৰাৰ আগতে তোমালৈ মোৰ ইমান মনত পৰিছে। তোমাক মোৰ এবাৰ চাবৰ মন গৈছে। সেয়েহে তোমালৈ চিঠিকে লিখিলো তোমাক সকলো কথা জনাবৰ মন গ'ল।

পপী তোমাৰ মনত পৰেনে মই তোমালোকৰ বাটেদি বাহী বজাই যাওতে তোমাৰ দেউতাৰে মোক কলিৰ কৃষ্ণ বুলি ঠাট্টা কৰিছিল আৰু ধমকনি দিছিল। সেই বাবে তুমি যে মোক বজাবলৈ মানা কৰিছিলা আৰু মই কৰবাত ফুৰিবলৈ যাম বুলি কলে তুমি যে আপত্তি কৰিছিলা তুমিও নাযাও বুলি কৈছিলা। কিন্তু আজি সেই মন কত হেৰাই গ'ল। মোৰ কেতিয়াবা ভাব হয় মই যেন সচা প্ৰেম তোমাৰ মাজতে বিচাৰি পাইছিলো আৰু আজিও পাও। মোৰ সকলো মনত আছে পপী মোৰ যে এই মনে একোয়েই পাহৰিব পৰা নাই।

তোমাৰ মনৰ কথাবোৰ জানিবলৈ মোৰ বৰ যায়। তোমাৰ জানো মন নাযায়। ইমান মিল আছিল আমাৰ মনবোৰ। এতিয়াও চেনে চেনে মোৰ মন তোমাতেই বিলীন। তোমাক মোৰ লগ পাবৰ মন যায়। তোমাক মাতিবৰ মন যায় সেই আগৰ দৰে। তুমি এদিন আহিবা হয়তো আৰু বেছি দিন জীয়াই নাথাকো। সেয়েহে তোমালৈ লিখিবৰ মন গ'ল। কিন্তু এতিয়া মৃত্যুৰ আগমূহুৰ্তত তোমাক এবাৰ চাবৰ মন গৈছে। তুমি আহিবা বুলি মই বাট চাম। অইন নহলেও অন্তত ব্লাড কেঞ্চাৰ ৰোগী এজনৰ শেষ আশাটো পূৰাবলৈ তুমি আহিবা।

তোমাৰ ৰীটম

চিঠিখন পঢ়ি পপীৰ চকুলো বাগৰি আহিল। তাই অনুভব কৰিলে জীৱনত তাই যেন বহুত ডাঙৰ ভুল কৰিলে। ভুলৰ শুধৰণী হয়তো তাই কেতিয়াও নাপাব। এই ভুলৰ বাবে হয়তো ভগবানে তাইক কেতিয়াও ক্ষমা নকৰিব। তাইৰ হুক হুকাই কান্দি দিবৰ মন গ'ল। ৰীটমে তাইক এবাৰ চাব বিচাৰিছে। ভুল শুধৰণী হিচাপে তাই ৰীটমক দেখা কৰিবলৈ গ'ল।

ৰীটমৰ পদুলি মুখ পায়েই পপী ৰৈ গ'ল চোতালত মানুহৰ জুম বান্ধিছে। বগা কাপোৰৰে ঢকা মৃত দেহটোৰ মূৰ শিতানত আউলি বাউলী চুলিৰে ৰীটমৰ মাক নিঠৰ হৈ বহি আছে। পপী মৃত দেহটোৰ ফালে লাহে লাহে আগুৱাই গ'ল।

---

# জানিৱলগীয়া কথা

চাৰিযুগ ঃ সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি

চাৰিবেদ ঃ ঋকবেদ, যজুৰবেদ, সামবেদ আৰু অৰ্থববেদ

চতুৰণ ঃ হাতী, ঘোৰা, ৰথ আৰু পদাতিক

পঞ্চভুত ঃ ক্ষিতি, অপ, তেজ মৰুৎ আৰু ব্যোম

পঞ্চকন্যা ঃ অহল্যা, দ্ৰোপদী, কুন্তী, তাৰা আৰু মন্দোদৰী


পঞ্চৰত্ন ঃ মনি, মুকুতা, সোন, ৰূপ আৰু প্ৰবাল

পঞ্চতীৰ্থ ঃ পুৰী, গয়া, প্ৰয়াগ, ঋষিকেশ আৰু লক্ষ্মনঝুলা।

# যুৱ সমাজত মাদক দ্ৰব্যৰ ৰেঙনি

শ্ৰী জুৰি ৰাজবংশী
স্নাতক তৃতীয় বৰ্ষ

ভাৰতে স্বাধীনতা লভা কৰাৰ পিছৰে পৰা আমাৰ ভাৰতবৰ্ষৰ সকলো ঠাইৰে মানুহে স্বাধীনভাবে চলাৰ এটা সুযোগ পালে। এই সুযোগতে আমাৰ দেশৰ বুঢ়া আদহীয়াৰ লগতে বৰ্তমান উঠি অহা যুৱ সমাজেও এই কন সুবিধা এৰি দিয়া নাই। যুৱ সমাজৰ স্বাধীনতাৰ প্ৰধান স্ব-ইচ্ছা হ'ল মাদক দ্ৰব্য। মাদক দ্ৰব্যক তেওঁলোকে এনেকুৱা এটা স্থান দিছে য'ত নেকি পৃথিৱীত দ্বিতীয় এনেকুৱা এটা বস্তুৱে স্থান নাপায় বা ভবিষ্যতেই নাপাব। তাৰ ভিতৰত ঘোৰতে কেইটিমান হ'ল মদ, কানি, চাধা, চিগাৰেট, চাৰ্মচ, ফ্লেক, শিখৰ ইত্যাদি। এইবোৰ সেৱনৰ ফলত যুৱ সমাজৰ ভগ্ন ছিৰি চেহেৰাই দেখা দিছে। ইয়াৰোপৰি সমাজত বিভিন্ন সমস্যাই দেখা দিছে। যত নেকি সেইবিলাকৰ সমাধানৰ পথ নাই। যেনে - হিংসা, হত্যা, ধৰ্ষণ, চুৰ-ডকাইতি আদি। মাদক দ্ৰব্য সেৱনৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়া শুনাৰ প্ৰতি ধাউতি নোহোৱা হৈ গৈছে। ফলত তেওঁলোকৰ অমূল্য ধন জীৱনত দ্বিতীয় এবাৰ য'ত নেকি লাখ লাখ ৰত্নৰে ভৰপুৰ কৰি দিলেও ঘুৰাই নোপোৱা সম্পৰ্ক বোৰ নষ্ট কৰিছে। ইয়াৰ ফলত জীৱনৰ গতিপথ এন্ধাৰ দুৰ্যোগেৰে আগুৰি ধৰিছে। মাক দেউতাকৰ চকুত ধুলি দি বিদ্যালয় মহাবিদ্যালয়ত প্ৰয়োজন দেখুৱাই টকা নি কোনোৱাই গলিত, কোনোৱাই হোটেলৰ পিছফালে, কোনোৱাই ৰেষ্টুৰেন্টত আৰু কোনোৱাই সুন্দৰী যুৱতীৰ ঘৰত মাদক দ্ৰব্য সেৱন কৰাৰ লগতে কিছুমান লজ্জাবোধক কাৰু কাৰ্য্যৰ লগত জড়িত হৈ থাকে। কলেজত পঢ়া বিলাকৰ ক্লাচৰ কথাই নাই। কোনোৱাই ইউনিয়নৰ ছাত্ৰই কলেও সিহতৰহে গৰম বেছি। ইয়াৰ বাবে মাক দেউতাকৰ সজাগতাৰ নিত্যান্তই প্ৰয়োজন। মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীক কলেজত পঢ়া বুলিয়ে যদি স্বাধীনভাবে মুকলি বা লাগিব দিয়ে তেতিয়া হ'লে তেখেতসকলৰ ল'ৰা-ছোৱালী এনেকুৱা এটা কৰ্মত ব্ৰতী হবই। মাদক দ্ৰব্য সেৱনকাৰী ল'ৰা ছোৱালীয়ে অন্যকো এই গোন্ধ স্পৰ্শ কৰিবলৈ মোহিত কৰাইছে। ফলত সমাজ খনে অন্ধকাৰত থাহ-খাই গৈছে। আৰু মাদক দ্ৰব্য সেৱন কৰা যুৱক -যুৱতী সকলৰ মাজত বিভিন্ন ৰোগে ভূমুকি মাৰিছে। যেনে - এইচ্, কেঞ্চাৰ আদিয়ে প্ৰধানকৈ পীড়া কৰিছে। এই অপবিত্ৰ দ্ৰব্য সমূহ নিবাৰণ কৰিবলৈ হলে সমাজৰ সকলো মানুহে সজাগ হ'ব লাগিব আৰু সেৱনকাৰী সকলক অন্যায় অত্যাচাৰ কৰি তেওঁলোকক সন্ত্ৰাসবাদীৰ দৰে আটক কৰিব লাগিব। এই সকলক চৰকাৰে বিশেষ ধৰণে কোনো কৰ্মত নিয়োগ কৰি মাদক দ্ৰব্যৰ চাহিদা হ্ৰাস কৰিব লাগিব। এই সকলোবোৰ নিৰাময় কৰি যুৱ সমাজক সম্পূৰ্ণ পূৰ্ণাংগ জীৱন গঢ়ি আমাৰ দেশক এখন দোষমুক্ত দেশ হিচাপে গঢ়িব লাগিব। ইয়াৰ ফলত শিক্ষাৰ ক্ষেত্ৰতো দোপতদোপে উন্নতি হবলৈ ধৰিব আৰু সকলোৰে নিজৰ চিন্তা চৰ্চাৰ লগতে সমাজ খনৰ কল্যানৰ হকে আগবাঢ়ি আহিব।



# পাতিদৰং অঞ্চলত প্ৰচলিত লোকগীত

ড° বনলতা কলিতা
প্ৰৱক্তা, অসমীয়া বিভাগ

লোক সাহিত্যৰ এটা প্ৰধান অংগ হৈছে লোকগীত। সাহিত্যৰ দৃষ্টিভঙ্গীৰে চালে লোকগীতবোৰ অধিক মূল্যৱান। লোকগীতবোৰক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি। ১। অনুষ্ঠানমূলক, ২। আখ্যানমূলক আৰু ৩। বিবিধবিষয়ক। পাতিদৰং অঞ্চলত প্ৰধানকৈ অনুষ্ঠানমূলক লোকগীতৰহে প্ৰচলন দেখা যায়। এই অনুষ্ঠানমূলক লোকগীত হ'ল - বিহুগীত, বিয়ানাম, আইনাম আদি। এই অঞ্চলত বিয়ানাম আৰু আইনামহে বেছিকৈ প্ৰচলিত হোৱা দেখিবলৈ পোৱা গৈছে। তলত এই বিয়ানাম আৰু আইনামবোৰ উল্লেখ কৰা হ'ল -

বিয়ানাম বা বিয়াগীত ঃ- প্ৰতিগৰাকী অসমীয়া নাৰীৰ মুখতেই লাগি আছে বিয়াগীত। কি যে অপূৰ্ব অনুভূতি কঢ়িয়াই আনে বিয়াগীতৰ সুৰ আৰু সাংগীতিক অভিব্যঞ্জনাই, কি যে আকৰ্ষণ। প্ৰবাহমান গতিৰে যুগ যুগ ধৰি অসমীয়া জনজীৱনৰ আঁহে আঁহে, কোঁহে, কোঁহে ভাৱৰ কোমলতা আৰু সজীৱতাক আশ্ৰয় কৰি জনজীৱনৰ পৰিচয় দাঙি ধৰি অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য্য অংগ হিচাপে পৰিগণিত হৈছে বিয়াগীত বা বিয়ানাম। বিশাল সাগৰৰ অতল গৰ্ভত লুপ্ত হৈ থকা মণি-মুকুটাৰ দৰে বিয়াগীতৰ মাজত প্ৰচ্ছন্ন হৈ আছে অসমীয়াৰ ভাবানুভূতি, সভ্যতা-সংস্কৃতি, সমাজ-ৰাজনীতি আৰু ধৰ্মীয় বিশ্বাসৰ পৰিপূৰ্ণ আভাস। সুৰৰ অতুলনীয় লয় আৰু কৰুণাকাতৰ কথাবস্তুৰে পৰিপুষ্ট এই বিয়াগীত। সহজ-সৰল অসমীয়া মহিলাৰ মুখত জীৱন্ত ভাবে পৰিস্ফুট হৈ পৰা বিয়াগীতত কি যে ৰহস্য নিহিত হৈ আছে তাক শুনোতাজনেহে বুজিব পাৰে। বিয়াঘৰত গাঁৱলীয়া হোজা মহিলাৰ বিয়াগীতেই ভোক-পিয়াহৰ সাৰথি। বিয়াগীতবিহীন বিয়া কল্পনাৰো অতীত তেওঁলোকৰ বাবে।

হৰ্ষ-বিষাদ, আনন্দ-নিৰনন্দ এইবোৰৰ অপূৰ্ব সংমিশ্ৰণত বিয়াগীতৰ সৃষ্টি। এফালে কইনাৰ মনত হোৱা উগুল থুগুলৰ আভাস, আনফালে অতদিনৰ পালিতা কন্যা আৰু বান্ধৱীবোৰে চেনেহৰ সখীক চিৰদিনৰ কাৰণে বিদায় দিয়া তথা কইনাই নিজৰ আপোন ঘৰখন, মাক-দেউতাক, ভাই-ভনী আটাইতে এৰি অহাৰ কৰুণ দৃশ্যই বিয়াগীতত বৰ্ণিত। দৰা ঘৰত বিষাদৰ কথা আহিবই নোৱাৰে কেৱল আনন্দৰ ৰহঁঘৰা। তাতে আকৌ দৰাপক্ষ আৰু কইনাপক্ষই উভয়ে উভয়ক কৰা হুনা খোচাবোৰতো আছেই।

বিয়াগীতৰ মাজেৰে দৰা কইনাক হৰ পাৰ্ব্বতীৰ বসতি হওক বুলি আশীৰ্ব্বাদ কৰা হয়। বিয়াৰ আগদিনা অৰ্থাৎ জোৰণৰ দিনা আৰু বিয়াৰ দিনা নামতীৰ মুখত বিভিন্ন সময়ত বিভিন্ন বিয়াগীত আখৈ ফুটাদি ফুটে। তলত নামতী সকলৰ বিভিন্ন পৰিৱেশত গোৱা বিয়াগীতবোৰৰ নমুনা এটা দিয়া হ'ল।

তলোৰ ভাৰোৰ গীত (জোৰণৰ গীত) ঃ

সিব আগোৰখান ভাৰোতে
সিব কি কি আনিচে
সিব ভৰাল ঘৰোতে থোআহে
সিব মাজোৰখান ভাৰোতে
সিব কি কি আনিচে

সিব ৰাইজোৰ আগোতে থোআহে।
দেউতাৰাৰ অলংকাৰ থোআহে আইদেউ
অই ৰাম মাত্রৰেৰে অলংকাৰ থোআহে
দাঁৰকাৰ চিৰিকিচনই অলংকাৰ পথেইচি
অই ৰাম হাতে জোৰ কৰি লোআহে।

পান তোলাগীত (পানী তোলা গীত) ঃ
"ওলাই আহা দইবকি অই
জমুনালৈ জাও
জমুনালৈ জাও।
ওলই আহা কইনেৰ মাত্রক
জমুনালৈ জাও
বাইদ'ৰ বিঞ্ৰৰ পান তুলবে জাও।
হাতে চাতি কোসোঁতি কলচি
জমুনলৈ জাও
জমুনলৈ জাও।"
"আগজুৰি তামোল পান
আগাগোৰা কৰি
অই ৰাম, সেইদৰে কাতিবা পানি।"
"পানি তুলি ৰাধে পাচফালে নাচাবা
অই ৰাম সাগাৰে আহিবো ধলি হে
সাগাৰে আহিবো আগোতে পৰিবো
অই ৰাম তই ৰাধে বোনেকে জাবি হে।"

"ৰাম কিচ্‌ন ওলাল জাকি মাৰি
ৰাম কিচন পুখুৰীৰ পোনা মাচ
হৰি মোৰ অই, ওলাল জাকি মাৰি তৰা।
ৰাম কিচ্‌ন দইবকি সুনদৰি
ৰাম কিচ্‌ন মিচে নামাতিবি
হৰি মোৰ অই, কি দি আনিলি জল।"

"ফুল চনদ্‌ন তুলসি
ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচি।"

কইনে বা বৰ ধুঅআগিত (কইনা বা দৰাৰ গাধুওৱাগীত)ঃ-

"সম্বৰে পদুলিতে হালি আছে নল,
কলহে কলহে ধালে জমুনৰে জল।"
"গাধুই উথিয়ে আইদেৱে সুধিলে
অই ৰাম, কি সাজ সলাব পাই হে ;
চাঁতে সুকুআ মুথিতে লুকুআ
অইৰাম, সেই সাজ পিনধিব পাইহে।"
"আগবেলাৰ ফুতে গাখিৰ, ফুতে গাখিৰ অই ;
ভাতিবেলাৰ দই কলোত্ তলে
আএই/ বাপাই চিক্কন কৰে।
আএৰ / বাপাৰ বাএক চতে মাৰি অই
পাতোৰ কাপুৰ কই কলোত তলে
আএই / বাপাই চিক্কন কৰে।"

বৰ আহাগীত দৰা অহা বা আদৰা গীত) ঃ-

"লাই হালে জালে, সিব গোসাই আহিচে,
আবেলি বতাহে, সিব গোসাই আহিচে
লফা হালে জালে পাতেহে, সিব গোসাই আহিচে
দমবৰু বজাইচে সম্বৰৰ পদুলিত কইনা ভিকখা মাগিচে।জোআ বোপা জোআগই
ৰভাতলিত বহা গই
হোমৰ জুক সাক্খি কৰি
আইদক গ্ৰহণ কৰা গই।"

"দৰা ঘৰিআ ধুনদুলি তলিআ
অই ৰাম, ঘৰি চাই নাহিলা কিআহে,
আহিবে দিচিলো দচ্তা বাজাতে
অই ৰাম, বাৰাওতা বাজিগেল কিআহে,
আমাৰে বাইদউ খাইলৈ সুই আচে
অই ৰাম, লাগে জি জজআই নিআহে।"

গোহাই পুজ কৰা গীত (গোসাই পূজা কৰা গীত) ঃ-

অ' গোহাই পুজিবলই
নাজানা বাপা তই অই

অ' মাএৰাক নাহিলা সুধিনালেই
হাতে লচ্‌পচ্‌ চোতালে বাখাৰোৰগচ।
অ' মৰামোৰ মাত্ৰৰাই
কই কই পথেচি অই
অ' ফুলেদি পুজিবি গোহাই নালই
হাতে লচ্‌পচ্‌ চোতালে বাখাৰোৰ গচ।

কইনে ওলআ গিত ( কইনা ওলোৱা গীত) ঃ-
চালোৰে খৰিকা
ওলেই আহ্‌ দৰিকা
অই ৰাম, তোৰে লগৰি এ মাতেহে
কেঙ্‌কে জাম লগৰি মাৰ মোহচাৰি
অই ৰাম, বুকুতে অগণি জলেহে।
গাতাৰে চেঙমাচ হাত ভৰে উললু
অই ৰাম, পেতভৰে নাপালো ভাত হে।
থাকিবে খুদচুলু আৰু দুতি বচাৰ
অই ৰাম, কোপালোত নাহিলো সুধিহে।

আখে তোলা গিত (আখৈ তোলা গীত) ঃ-
আখে তোলা আখে তোলা
মৰামোৰে ভাই মৰামোৰে ভাই
আজিৰ পৰা তোমাল লগোত
গোত্‌ৰ চিণ্ডি জাই গোত্‌ৰ চিণ্ডি জাই।

বৰোক জলপান দিএগিত (দৰাক জলপান দিয়াৰ সময়ত গোৱাগীত) ঃ-
কোনথেৰ পাৰাই আহলে কোআৰ
কোন্‌থে দিলে ভৰি,
কতে তোমাৰ মাও বাপা কতে তোমাৰ ঘৰ
মুখ ধোবা দিলে বাপু উত্তম গংগাৰ জল
মাগুৰিতে থাকো আমি নইৰ খাও পানি
মাউৰ নাউ নিলেমতি পিতিৰ নাউ হৰি
বহিবেকে দিলে বাপু চন্দান কাথোৰ পিৰে
জলপান কৰবে দিলে বাপু মালভুগ ধানোৰ চিৰে।

ধুএনিৰ গিত (তোলনী বিয়াৰ গীত) ঃ-

গাধুই চানা আএ অই
অ' আএ মাত্ৰৰেক মাগ্‌গে
মাই মোক কাপুজোৰ লাগে
তোৰে কাপুৰজোৰ অই
অ'বাচা বাকাচে আচে
লাগে জি ওলেই দিম পাচেই।
পাচেইউ নালগে মাই অই
অ' মাই এতিত্ৰেই লাগে
লগৰি চাও বুলি আচে।

যোৰানাম ঃ

বিয়াঘৰৰ আন এটা আকৰ্ষণীয় দিশ হ'ল যোৰা নাম। বিয়াগীতৰ এক অনবদ্য অংশ হিচাপে এই যোৰানাম, নিন্দাগীত বা খিচাগীতৰ কথা আৰু সুৰ মনকৰিবলগীয়া। আয়তী সকলে ইটোৱে সিটোক, ইদলে সিদলক লৈ কৰা ধমালিৰ শেষ নোহোৱা হয়। গাভৰুজাকে বিয়াঘৰত ডেকাজাকক দেখি কেতিয়ানো জোকাই চুপতি মাৰিব পাৰে তাকে ভাৱি অস্থিৰ হয়। এইখিনিতেই জোৰানামৰ উৎপত্তি। পাদিদৰং অঞ্চলৰ বিয়াত যোৰানামৰ সংযোগ লক্ষণীয়। তলত কেইটামান যোৰানাম উল্লেখ কৰা হ'ল।

"দোকানোৰে জালুক দোকানোৰে জালুক,
দৰা ঘৰোৰ আপাগিতে বাঁহোত্‌তলোৰ ভালুক।"

"দোকানোৰে সিন্দুৰ দোকানোৰে সিন্দুৰ
কইনে ঘৰোৰ আপিগিতে ভাখ্‌ৰিততলোৰ ইনদুৰ।"
"ৰাচ্‌তা কাখোৰ পচেতে ৰাচ্‌তাকাখোৰ পচেতে,
কইনে ঘৰোৰ আপিগিতেৰ ওৰে গাই খুজেতে।"
"সিৱসাগৰ নাজিৰে সিৱসাগৰ নাজিৰে,
কইনেঘৰোৰ আপাগিতে কেইস তকাৰ হাজিৰে।"
"কাহি-বাতি জাপ জাপ
কাহি-বাতি জাপ জাপ,
দৰাথেৰ আপাগিতেৰ
মুখে কৰে তপ্‌ তপ্‌।"

"অ' কেঁচাপাতে লাজুতে নামাতে,
অ' কেঁচাপাতে আএৰে/ বাপাৰে ভিহ্‌নেকে ;

কি খাওঁ কি নাখাওঁ কৰে কেঁচাপাতে লাজুতে নামাতে।”
“কাহি ঘুৰেনে বাতি ঘুৰেনে
বাএকে বচ্তু দিচি আধা পুৰেনে।”
“পান গাচোৰ পিপেলি পান গাচোৰ পিপেলি
কইনে ঘৰোৰ তিৰিগিতেৰ নাকোত লগাম চিকেলি (শিকলি)।”
“আধেলেৰে পানি তুপি
সিচো মেনি আহে লগৰীয়া
সিচো মেনি আহে ;
দৰাঘৰোৰ আপাগিতেক
সিজোমেনি হাঁহে লগৰীয়া
সিজো মেনি হাহে।”

“দোকানোৰে তেকৃচি দোকানোৰে তেকৃচি,
কইনে ঘৰোৰ আপিগিতেক আমি মাৰিম থেকৃচি।”

পাতিদৰং অঞ্চলৰ বিয়াগীতৰ প্ৰচলন প্ৰাচীন, অৱশ্যে গীতবোৰত যে আধুনিকতাৰ ছাপ পৰিছে সি স্প

ম'হোহোৰ গিত (ম'হ খেদাগীত) ঃ

নামনি অসমৰ কামৰূপ জিলাত প্ৰচলিত হুচৰীগীতৰ সমপৰ্য্যায়ৰ গীত হৈছে ম'হখেদা গীত বা ম'হো গীত। বিহুৰ লগত যদিও ইয়াৰ সম্পৰ্ক নাই, তথাপি এই গীত সমদল এটাৰ দ্বাৰা গোৱা হয়। ম'হ খেদাক উপলক্ষ্য কাহিনীটো বৰ্ণনা কৰাৰ লগতে সমস্বৰে গায় মাজে মাজে পদবোৰ দোহাৰি দোহাৰি গৃহস্থৰ মংগল কামনাৰ্থে গী সামৰণি মৰা হয়।

আঘোণ মাহৰ পূৰ্ণিমা নিশা গাঁৱৰ ডেকাজাকে ম'হখেদা উৎসৱ পালন কৰে। প্ৰতিজনে হাতত একো কৈ টাকোন লৈ ঘৰে ঘৰে গৈ চোতালত এই ম'হখেদা গীত গায়। পাতি দৰং অঞ্চলত গোৱা গীতাংশ হ'ল এনেধৰ

দিহা ঃ আঘোনোৰ পুন্‌নিমে হ'ল,
পালি ঃ হাইৰোকা হাইৰে।
পদ ঃ ম'হু খুনবোৰ হুকুম হ'ল।
ম'হ গেল মোমাথেক,
হিদেলি গাচোত গা ঘুহওতে।
হিদেলি বাই এ'
তেপোৰ পোৰা খাই এ'।
তেপোৰ পোৰাত নহ'ল লোন,
বুৰীই হাগে আকোদোন।

চাউল নেদি দিলে খৰি,
আইথেৰ ঘৰ লৰি চৰি।
লৰি চৰি যাওঁতে,
সোনাৰ খৰি পাওঁতে।
সোনাৰ খৰি ৰূপৰ মালা,
আইথেৰ ঘৰ দেখ্‌পে পালা।
এনথোৰ ঘৰোত তুহুধ ধোহা,
চলি কান্‌দে ওহা ওহা।
এন্‌থোৰ ঘৰোত ধেক্‌ন'ৰ বেৰা,
কইনে আনচি পাইদৰ মাৰা।
বাঁহোৰ পাত পকা, আমাক দিবো তকা।
বাঁহোৰ পাত চিকিমিকি, আমাক দিবো সিকিস্নিকি।
ভাল হ'ক, কুসল হ'ক, গোহালিৰ গৰু বাৰোক
ভাখেৰিৰ ধান বাৰোক, গুৰখে চলিক দুই চাৰেনা
দিবেৰ সক্‌তি হ'ক; হৰি ব'ল হৰি ব'ল।।

আইনাম ঃ আইনাম নাৰী সমাজতহে প্ৰচলিত। বসন্ত ওলালে উক্তৰোগৰ অধিষ্ঠাত্ৰী দেৱী বুলি বিশ্বাস কৰা 'সাত' গৰাকী আই বা দেৱীৰ বাই ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে 'আইনাম' গোৱা হয়। তলত পাতিদৰং অঞ্চলত গোৱা আই নাম এটা উল্লেখ কৰা হ'ল -

আইকে পন্‌নাম কৰো,
দুই চৰানে ধৰো।
ভগবতী দুৰ্গদেৱি
গঙাদুৰ্গ গোন্ধৰুপি
চৰানোত সুখে সংসাৰ কৰো।
হাগুৰি কাহুৰি মচুৰি,
চৰানোত সুখে সংসাৰ কৰো।
খুজেতি পকেতি আই
চমেৰি আইৰ চৰানোত
সুখে সংসাৰ কৰো।
নওবনি বাৰাওবনি
অথ্‌ৰও বণি চৰানোত
সুখে সংসাৰ কৰো
সকালো আইৰ চৰানোত

সুখে সংসাৰ কৰো।
ভগৱতি আই আহিএ বাতে আচে ৰই,
ধুপ্‌ধুন তেলোচ চাতি বৰি আনো গই।
গিৰেচ্‌তোক লেগি আই বাতৰি জনাইলা,
আসান পাৰিআ আই আইকে বহিবেক দিলা।
ভোজান কৰিবে দিলু জহা চালুৰভুগ,
মুকুতি (মুহুধি) কৰিবে দিলো কলপুল তামোল।
আই থাকুৰনি আই তোমাৰ নিলেচলে ৰাতি,
দুখনি চৰানে পাত্‌থনা কৰিচো ৰক্‌খা কৰা ভগবতি।
নাজেনি সুমলোএ আই খেমিবে দাই
তোমাৰ ফুলবাৰিতে আই খেমিৰে দাই
নাজেনি চিঙিলো ফুল।
ইখিনি দোখোকে আই খেমিবে দাই
সেআ ভগবতি আই খেমিবে দাই
ইখিনি দোখোকে সেআ।

কিদিএ পুজিম মাই চৰানে তোমাৰে
আসন দিআপুজিম মাই কাউৰে হাগি জাইএ।
বন্‌তি দিআ পুজিম মাই ব্ৰহ্মাই আগে খাইএ।
তামোল দিআ পুজিম মাই বচে আগে খাইএ।
পান দিআ পুজিম মাই ফুত্‌ক লাগি জাইএ।
কল দিআ পুজিম মাই বাদ্‌লি আগে খাইএ।
চাউল দিআ পুজিম মাই চোকাই আগে খাইএ।
মাহে মুগে পুজিম মাই পোকাই আগে খাইএ।
দুগধ দিআ পুজিম মাই চৰুই আগে খাইএ।
জি ফুলে পুজ কৰো সিও ফুল চুঅ
তোমান্নামে তোমাক পুজিম গধুলি পুঅ।
বিদেই-দিআ আইএ গধুলি হ'ল
বিদেই দিআ আই এ গধুলি হ'ল।
বিদেই দিএ চলে আই আসনে ৰ'ল,
বিদেইদিএ চলে আই কদাম গাচে ৰ'ল
বিদেই দিএ আইএ' গধুলি হ'ল।
ৰাম জয় হৰি থউ নাম লাহে কৰি।

# কম্পিউটাৰ তথ্য সৰবৰাহত 0 আৰু 1 ৰ ব্যৱহাৰ

কুৰি শতিকাৰ আটাইতকৈ মহত্বপূৰ্ণ এটা যন্ত্ৰ যিটো নেকি বুদ্ধি দক্ষতা, ক্ষমতা আৰু যুক্তিৰ দ্বাৰা পৰিচালিত। সঁচাকৈয়ে ইয়াক বাৰু আলৌকিক যেন নালাগেনে ? কিন্তু ইয়াৰ নিজস্ব বিশ্লেষণ ক্ষমতা থকাৰ বাবে খৰতকীয়াকৈ আৰু নিয়াৰিকৈ তথা সুন্দৰ ভাৱে কাম সম্পাদনা কৰিব পাৰে। কম্পিউটাৰৰ দ্বাৰা আমি কোনো তথ্য, ছবি আদি এঠাইৰ পৰা আন ঠাইলৈ সৰবৰাহ কৰিব পাৰো। অতিকে আচৰিক যদিও ই বৰ্তমান সকলো ভাষাতে কাম কৰিব পাৰে। কিন্তু কম্পিউটাৰৰ ভাষা হ'ল মাত্ৰ দুটা 0 আৰু 1। অৰ্থাৎ ই অকল 0 আৰু 1 বুজি পায়। ই সঁচাকৈয়ে আচৰিত আৰু অবিশ্বাস্য নহয়নে বাৰু ?

যাক আমি Computer বুলি কওঁ ই আচলতে তিনিটা প্ৰধান অংশৰে গঠিত।

i) In put ii) Out put iii) C.P.U. বা central processing Unit.

Computer ত প্ৰধানকৈ সকলো কাৰ্য্য সম্পাদন কৰে C.P.U. অংশই। C.P.U. ৰ মূল অংশ হ'ল -

ক) Microprocessor যাৰ বিশ্লেষণ ক্ষমতা আছে। সকলো সিদ্ধান্ত এই অংশই সম্পাদন কৰে।

খ) Control Unit বিভিন্ন নিৰ্দেশ সমূহ নিয়ন্ত্ৰণ কৰে।

গ) Cache Memory যাৰ বিশ্লেষণ ক্ষমতা আছে। সকলো সিদ্ধান্ত এই অংশই সম্পাদন কৰে।

Computer Memory - দুই প্ৰকাৰৰ

a) permanent আৰু

b) Temporary।

এই যন্ত্ৰত লক্ষ্যাধিক সুক্ষ্ম সুক্ষ্ম Tranistor, Diode আদিৰে গঠিত এখন জটিল Mother Board থাকে। Input Unit ৰ দ্বাৰা যাৱতীয় নিৰ্দেশ আৰু তথ্য যোগান ধৰে। এই কামটো Key Board ৰ সহায়ত কৰা হয়। Out put Unit ৰ দ্বাৰা Result বা ফলাফল জানিব পাৰোঁ। এই কামটো Monitor ৰে কৰে।

ই কেনেকৈ বুজে ?

Computer ৰ ফলাফলৰ বাবে যাৱতীয় নিৰ্দেশক Commond বোলে। ফলাফলৰ বাবে প্ৰয়োজনীয় তথ্যক Data বা Information বোলে। Data is a rawfact. It can be a number, a digit, a letter or may be a character.

যেতিয়া Commond দিয়া হয় তেতিয়া Key Board ৰ পৰা এটা সংকেত C.P.U. লৈ গুচি যায়। এই সংকেত নিৰ্দেশ কৰা হয় কিছুমান সংখ্যাৰে। এই সংখ্যা হ'ল 1 ৰ পৰা 256 লৈ। এই সংখ্যাবোৰক ASCII (American Standard Code Information Interchange) সংখ্যা বোলে। যেতিয়া কোনো সংকেত দিয়া হয়, তেতিয়া Key Board ৰ পৰা সেই সংকেতৰ নিৰ্দেশক সংখ্যাটো C.P.U. লৈ গুচি যায়। তেতিয়া C.P.U. য়ে বুজি উঠে তাক কিবা নিৰ্দেশ দিয়া হৈছে, তেতিয়া সেই নিৰ্দেশক সংখ্যাৰ এটা প্ৰতিৰূপ মান 0 আৰু 1 লৈ পৰিবৰ্তন কৰে। এই 0 আৰু 1 ৰে গঠিত সংখ্যাবোৰক Binary Number বোলে। অৰ্থাৎ 0 আৰু 1 হে বুজে। এই সংখ্যাৰ দ্বাৰা ই যাৱতীয় নিৰ্দেশটো বুজে আৰু তাৰ উপযুক্ত ফলাফল Monitor ত দেখুৱায়। ই সঁচাকৈয়ে আচৰিত নহয়নে বাৰু ?

(কম্পিউটাৰ সম্পৰ্কীয় বিভিন্ন গ্ৰন্থৰ সহায় লৈ)

সংগ্ৰাহক - শ্ৰী জুৰি প্ৰভা নাথ

স্নাতক প্ৰথম বৰ্ষ - ২০০৭

# "নীলা খামৰ চিঠি"

মৰমৰ প্ৰেৰণা,

বহুদিনৰ মূৰত তোমালৈ বুলি পুনৰাই একলম। মৰমৰ বুলি ক'বলৈ সংকোচ লাগিছে কিজানি তুমি বেয়া পোৱা। তুমি যে একেবাৰে বিষাদ সাগৰৰ সিটো পাৰে থিয় দিলা। কেতিয়াৰে পৰা যে মোৰ বিশ্বাসৰ ভেটিও সন্দেহৰ বৰষুণজাক দিবলৈ ললা। সেই বৰষুণ জাকে মনত পেলাই এটি সেমেকা গধুলিৰ গোন্ধ। সেই কথা তুমি ভবানে? ময় জানো সেইভাবে তোমাক পীড়া নকৰে। তুমি চাগে এতিয়া আকৌ ব্যস্ত ৰামধেনুৰ ৰং চুৰ কৰাত।

প্ৰেৰণা সেই যে শৈশৱত তুমি, মই লিপি পেহীৰ বাৰীৰ পিচৰ লুঙলুঙীয়া বাটটোৰে দৌৰ দিছিলো পাৰলৈ বুলি, দুয়ো যে মগ্ন হৈছিলো বালি ঘৰ সজাত, প্ৰায়ে তুমি মোৰ বালিঘৰ ভাঙি দিছিলা। মনত আছে তোমা আজিও তাৰ ব্যতিক্ৰম নহ'ল। এচাপ, দুচাপকৈ সাজি যোবা মোৰ কল্পিত ৰাজ অট্টালিকা ধুমুহাৰ দৰে আহি গৈ ভাঙি থৈ গ'লা তুমি। প্ৰেৰণা সেই যে কৈশোৰ আৰু যৌৱনৰ আলি দোমোজাত নৈ ঘাটত এদিন হঠাতে সিএৰি দিছি ৰামধেনুখন দেখি (যদিও আগতে বহু ৰামধেনু দেখিছিলা)। নৱযৌৱনৰ সেইখনেই চাগে প্ৰথম ৰামধেনু। বুজা নুবুজা ভাবেৰে সাতোটা ৰঙেই বুকুত সোমোৱাই লৈছিলো কিঞ্চিত কিঞ্চিতকৈ তোমাৰ দি যাম বুলি আবেলিৰ হেঙুলীয়া তোমাৰ মুখত উবুৰিয়াই বেলিটো ঝাৰনিৰ সিটো পাৰে ডুব গৈছিল।

সেই বছৰৰে প্ৰথমটো বহাগত তুমি যেন মোক নতুনকৈ লাজ কৰিব শিকিছিলা আৰু আবেলি বিহু গাবলৈ যাওঁতে উকা খোপাটো দেখুৱাই দুচকুত সমস্ত অভিমান সানি কৈছিলা, "এই বহাগে নেপালে কপৌফুলৰ সু তোমাৰ অভিমানে দুখ হৈ খুন্দিয়াইছিল মোৰ বুকুত। মনত আছে তোমাৰ হাবি মহতিয়াই পিছদিনাই আনিছি তোমালৈ এপাহ কপৌফুল। প্ৰেৰণা, মোৰটো এতিয়াও স্পষ্টকৈ মনত আছে এমোকোৰা প্ৰাপ্তিৰ হাঁহি চটিয়াই কপৌগাছ হাতপাতি লৈছিলা। তন্দ্ৰালগা মানুহৰ দৰে চাই ৰৈছিলো মই তোমালৈ। সেই হাঁহিটোলৈ মনত পৰি অভিজ্ঞতাই গৰকা বয়সবোৰ এটা এটাকৈ সৰি পুনৰ যৌৱনত ভৰি দিয়া যেন লাগে।

আৰু আজি প্ৰেৰণা তোমাৰ সেই নিষ্পাপ হাঁহিটো ক'ৰবাতে এৰি আহিলা। কৃত্ৰিমতাৰ পোচাক পিন্ধি অ বেলেগকৈ হাঁহিবলৈ শিকিলা, সেই হাঁহিয়ে মোৰ নিবিচাৰে, অজানিতে মোৰ হৃদয়ৰ পৰা তোমাৰ হৃদয়লৈ গঢ়ি সাঁকোখন বিশ্বাস, অবিশ্বাসৰ সন্দেহৰ মাজত ডুলি ডুলি কেতিয়ায়ে চিঙি গ'ল ধৰিবই নোবাৰিলো। মোৰ দুচ জোনাক কাঢ়ি আচি আন কাৰোবাক জোকান দেখুৱাব পৰা হ'লা। প্ৰেৰণা, তোমাৰ হৃদয়ৰ মনিকোঠাত থকা মোৰ তুমিনো কিহেৰে মচিলা, মই দেখোন মচিবই নোবাৰিলো। আৰু প্ৰেৰণা শিক্ষা জীৱন শেষ কৰি বেকাৰ জীৱনত দিয়াৰ পিছত সেই যে প্ৰথমটো ইন্টাৰভিউত বিমুখ হোৱাত তুমি যে কৈছিলা, "হব দিয়া, ইমান সোনকালে ভ নপৰিবা কিবা এটা নিশ্চয় হব"। সেইদিনা এনে লাগিছিল তুমি সচাকে প্ৰেৰণা মোৰ জীৱনৰ প্ৰেৰণা। আৰু আজি ক'ত, মই ক'ত। তুমি আধুনিকতাৰ লগত খোজ মিলাই বহুদূৰ পালাগৈ, মই থাকি গলো সীমাৰ মাজতে একঘেয়ে জীৱনটোতে সেই একেই বিফলতা একেই ইন্টাভিউৰ।

প্ৰেৰণা, তুমি যে মোক বহুত বুজিও হঠাতে একো নুবুজাৰ দৰে আতঁৰি গ'লা, কিয় ? সেই প্ৰশ্নৰ উ

খেগিয়াই একো বিচাৰি নাপাও। যেতিয়াই বিচাৰিব চাওঁ সেই উত্তৰ তেতিয়াই অবাধ্য হৈ ওলাই আহে অজস্ৰ চকুলো। (তোমাৰ সতে) বিচ্ছেদৰ নিদাৰুণ আলিংগনত হৃদয় খেকেচি ওলাই আহিছিল সেই চকুপানী। তুমি মোক কান্দিবলৈ শিকালা। তোমাক বাৰু কেতিয়াবা মোৰ স্মৃতিয়ে কন্দুৱাইছেনে ? নিজম মাজনিশা হঠাৎ উচুপি পাইচানে ? নে আমাৰ এই ভালপোৱা আন দহজনে কোৱাৰ দৰে বয়সৰ দোষ আছিল। যাৰ বাবে মোক দুখৰ বোকোচাত বহাই থৈ আতঁৰি গ'লা। প্ৰেৰণা, তুমি মোৰ নহলা। তথাপি মোৰ স্মৃতি সৰি পৰিব নিদিবা। প্ৰতিদিনে আহিবা অনুভবৰ বাটেৰে এখোজ দুখোজ দি। দুখৰ সীমনাত বহি জুখি চাওঁ কিমানত এৰি আহিলো সুখৰ টোপোলা, তুমিও ভাবিবা কিমানত এৰি থৈ গ'লা মোক দিয়া প্ৰতিশ্ৰুতিবোৰ— ইতিত

অনুৰাগ

শ্ৰী মানসী পটোৱাৰী
স্নাতক দ্বিতীয় বৰ্ষ
পাতিদৰং মহাবদ্যিালয়।

---

# শায়েৰী

য়ে জানতে হুৱে কে জান এ ৱফা হো তুম,
মে কেইচে মান লু অৱ কিচি ঔৰ কো হো তুম
(জানিও তুমি মোৰ প্ৰিয়তম সচাঁ মৰমৰ বুলি, মই
কিদৰে মানি লওঁ আজি তুমি আনৰ বুলি)
হোঙ্গে বদনাম তোম হোনে দো,
আজ হম কো জী ভৰকে ৰো লেনে দো
(বদনাম হ'লেও হ'বলৈ দিয়া, মোক আজি হিয়া
ধাকুৰী কান্দি ল'বলৈ দিয়া)

লোক কাটো সে বচকৰ চলতে হে, মেইনে
ফুলো সে জমম মায়ে হে।
(মানুহ কাঁইটৰ ভয়ত আঁতৰি ফুৰে, মোক পিচে বিন্ধিলে এপাহি ফুলে)

ইস্ক নে মুঝে নিকম্মা কৰ দিয়া, বৰ্ণা হম ভী আদমীথে কামকে।
(কামৰ মানুহ আছিলো মই, প্ৰেমেহে মোক এলেহুৱা কৰিলে হায়)।

সগ্ৰাহক - মিছ ৰঞ্জুমণি ডেকা,
স্নাতক ১ ম বৰ্ষ

# যৌতুক

শ্ৰী অমল চন্দ্ৰ
স্নাতক তৃতীয়

সন্ধিয়াৰ ৰঙচঙিয়া আকাশখনে এনেকুৱা এটা সৌন্দৰ্য্যশীল পাট কাপোৰৰ দৰে জকমকীয়া ৰূপ তাকে চাই মহিধৰ মহাজনে ঘৰৰ আগফালে থকা ফুল বাগিচাখত চকী এখন পাৰি বহি আছে। তেওঁৰ মনতো কবিতাৰ ভাৱ প্ৰকাশ কৰাৰ কাৰণে আবেগত উত্তাউল হৈ আছে। যেন তেওঁ ভাৱবোৰ প্ৰকাশ কৰিব নোৱাৰা বাকৰুদ্ধ মানুহৰ দৰে মানসিক আঘাত প্ৰাপ্ত হৈছে। তেনেতে পিছফালৰ পৰা ঘৈনীয়েক থানেশ্বৰীয়ে মাত লগালে

ঃ চাহ লওঁক। মহীধৰ মহাজনে উচ্‌প খাই উঠিল আৰু তেখেতৰ আবেগপ্ৰৱন মনতো চূৰ্ণ বিচূৰ্ণ হৈ ভাগি গ'ল। তেখেতে কলে

ঃ এই অসময়ত আকৌ কিহৰ চাহ তাহ। অলপ খঙাল ভাবে কলে

ঃ প্ৰফুল্লৰ মাক আহিছিল, সেই কাৰণে চাহ কাপ আজি কিছুসময় আগতে দিলো। তাৰ বাবে জানো খঙ কৰিব লাগে থানেশ্বৰী নম্ৰভাৱে ক'লে।

ঃ খং আকৌ কোনো কৰিছে। পিছে কিছুসময় আগত চাহ কান দি আজৰি হৈ বহি থাকিলে নহয়। মোক হ'লে সময় আৰু একাপ চাহ দিব লাগিব। মহিধৰ ধেমালি সুৰত কলে।

ঃ হ'ব হ'ব যদি বিচাৰে কিয় নিদিম ? হাঁহি হাঁহি থানেশ্বৰী উত্তৰ দিলে।

ঃ হে ...... ৰি এটা কথা হ'ল নহয় ! চাহ কাপ এধোক মাৰি মহিধৰ কলে, কি কথা ?

ঃ হেৰি নহয় আমাৰ সৰু বোৱাৰী আৰু সৰু পোনাৰ বিয়াৰ দিন ধৰি কোনো কথাত মিল নাই। এজনে এটা কলে আনজনে এটা কয়।

ঃ মহিধৰে চাহৰ কাপটো মাটিত থৈ পিছে এতিয়া কি কৰিবা।

ঃ তাকেতো চিন্তা কৰিছো। মই হ'লে এটা কথা ভাবিছো। জিজ্ঞাসু কণ্ঠেৰে মহিধৰে শুধিলে।

ঃ কি কথা ভাবিছা।

মই ভাবিছো যদি আমি সৰু বোৱাৰীক দিভোৰ্চ দিওঁ তেতিয়া হ'লে কেনে হ'ব। তাইৰ কাৰণে আমাৰ পোনাকনে অশান্তি ভুগি আছে। আপুনি কেনে দেখে। থানেশ্বৰী সৰু সৰুকৈ কথাখিনি ভয় শংকাৰে কৈ পেলালে।

ঃ তোমালোকে পিছে আটাইকেইজনে পেক থৈ লৈ হে মোৰ পৰামৰ্শ বিচাৰিছা কি জানি। মহিধৰ কথাখিনি তাচ্ছিল্যভাৱে কলে

ঃ হৰি হৰি এয়া আপুনি কি কৈছে ? লাই পোৱা কথা কনা হৰৰ কাৰণে আপুনি সিহঁতৰ গাত জগৰ দিছে কিয় ? মইহে আপোনাক কথাটো সুধিলোঁ, কেনে দেখে। সিহঁতৰ গাত আকৌ কিহৰ দোষ দিয়ে। থানেশ্বৰী বিস্ময়ভাৱে কথাখিনি একেৰাহে কৈ পেলালে আৰু ভগৱানক মাতনি ধৰিব ধৰে 'হে ভগৱান মানুহজনে কি কথা কয়। আমাক অকনো ভালচকুৰে নেচায়। কাৰুণ্যভাৱত কৈ তাৰপৰা পোনচাতে ৰান্ধনি ঘৰলৈ গ'ল। ৰান্ধনি ঘৰত সৰু বোৱাৰী জলিতাই কিবা কৰি আছিল। শাহুৱেকে গৈ ভোৰ ভোৱাই ক'বলৈ ধৰিলে।

ঃ এই বিলাক তই কিয় লাৰিছা। নিজে আনি লাৰিবি। মাৰ বাপেৰক গৈ কবি। নহলে তোক ইয়াৰ পৰা খেদি পঠিয়াম অশ্লীল গালি শপনি দিবলৈ ধৰাত জলিতা অৱশ হৈ তাৰ পৰা ওলাই আহি বিচনাত উবুৰি হৈ গাৰুটোত মুখমণ্ডল গুজি শুই পৰিল। দুঃখত নিৰ্গিত চকুলোৰে গাৰুৰ ওৱাটো তিতি গ'ল।

পিছদিনা দিগম্বৰ মানে পোনাকন নিজৰ কামৰ বাবে ওলাই গ'ল। ৰাতি দহ এঘাৰ বজাত আহি সাজিথোৱা সাজটো খাই শুই থাকেহি। জলিতাই খোৱা নোখোৱাৰ প্ৰশ্ন নাই। ৰাতিটো শোৱাৰ বাহিৰে তাইৰ লগত পোনাকনৰ বিশেষ কাম নাই। কাৰণ তাইৰ কামৰ আগভাগ বৌয়েকে নয়। বৌয়েকে দিগম্বৰৰ সুত্ৰধাৰ। জলিতা আৰু দিগম্বৰৰ মাজত দেৱাল স্বৰূপে বৌয়েকে ভেটো দি আছে। দিগম্বৰ কিন্তু ইমান কঠিন হৃদয়ৰ নাছিল। পৰিস্থিতিৰ সোতে উটুৱাই নিলে তাক। কাৰণ মানুহ হৈছে পৰিস্থিতিৰ দাস। বাহিৰন কৰি জলিতাই গা-পা ধুই দেউতাকক সদায় সেৱা জানায়। দৈনিক দিনপঞ্জী মৰ্মে জলিতাই দেউতাকক সেৱা জনায় কলে।

ঃ দেউতা মই ইয়াৰ বেছিদিন থাকিব নোৱাৰো। আজি দুমাহে মোক যি নওৰু নাগৰি কৰিলে আৰু সহিব নোৱাৰো। কাৰণ মোৰ মা-দেউতাই যৌতুক দিব নোৱাৰে। যৌতুক যেতিয়ালৈকে আনিব নোৱাৰো তেতিয়ালৈকে মোক হেনো শান্তিৰে ভাত এমুঠিও খাব নিদিয়ে। মা, বাইদেউ আৰু আপোনাৰ চেনেহৰ পোনাকনৰ পৰামৰ্শ। কান্দি কান্দি কথাখিনি কলে।

ঃ ৰবাচোন সৰু বোৱাৰী, মই আজি কেইদিন মানৰ পৰা লক্ষ্য কৰিছোঁ, ইহঁত কেইটাৰ আচাৰ ব্যৱহাৰ। ইহঁত কেইটাৰ ব্যৱস্থা মই লম। তাৰ বাবে তুমি নিশ্চিত থাকা। কাৰণ অগ্নিক সাক্ষী কৰি হোমৰ গুৰিত বহি আহিছা। ইহঁতে তোমাৰ একো কৰিব নোৱাৰে। দুঃখ মানুহৰ জীৱনত আছে। তাক সহ্য কৰিব লাগিব। মানুহৰ হাতৰ আঙুলি আটাইকেইটা সমান নহয়। দেউতাকৰ কথাত উৎসাহ পাই জলিতাই অমান্য নকৰিলে। জলিতাই মনতে ভাবিছে ডাইনিঙ চেট, চোফাচেট গেছ, কালাৰ টি.ভি, চিলাই মেচিঙ আনিব নোৱাৰাৰ বাবেই মই আজি সতিনীৰ দৰে কথা শুনিব লগা হৈছে। জলিতাৰ দেউতাকে দিগম্বৰৰ লগত বিয়াৰ নাকচ কৰিছিল যৌতুকৰ বাবে। কাৰণ সিহঁতে ইমানবোৰ যৌতুক দিব পৰাটো সম্ভৱ নাছিল। সিহঁতৰ অৱস্থা একেবাৰে নিঃকিন আছিল। একমাত্ৰ মহিধৰৰ কাকুতি মিনতিতহে দিগম্বৰৰ লগত জলিতাৰ বিয়া সম্ভৱ হৈছিল। জলিতা দেখাত স্বৰ্গৰ অপ্সৰা। তাইৰ স্বভাৱ চৰিত্ৰৰ ওপৰতো মহিধৰে সম্পূৰ্ণ নজৰ দিহে যৌতুকৰ লাভ ত্যাগ কৰি জলিতাক সৰু বোৱাৰীয়েক হিচাপে আনিছিল। কাৰণ ডাঙৰ বোৱাৰীৰ স্বভাৱ চৰিত্ৰৰ ওপৰত মহিধৰে সম্পূৰ্ণ বিতুষ্ট আছিল। এনেকুৱা এটা আভিজাত্য পৰিয়ালত ৰাতি বাৰ বজাত ক্লাবৰ পৰা সমুলি ৰাস্তা আগুৰি মহা ডাঙৰ বোৱাৰীয়েকক মহিধৰে কোনো দিনে এষাৰ ভাল কণ্ঠেৰে নামাতিছিল। বোৱাৰীয়েকেও কোনো কথাৰ পৰামৰ্শ লোৱা নাছিল। ঘৈনীয়েকৰ মিঠা মিঠা কথাত পুতেকেও দেউতাকক অৱহেলা কৰিছিল। সেইবিলাকৰ কাৰণে সৰু বোৱাৰীয়েক জলিতাক কোনো বস্তুৰ লালচ নকৰাকৈ বোৱাৰী হিচাপে আনিছিল। মাত কথাত সুম পাব বুলি। আজি আকৌ সেই যৌতুকৰ হকে ঘৰখনত বিশংঙ্খলতাই দেখা দিছে। সেই বিলাকক লৈয়ে শহুৰেকে চিন্তাত বিভোৰ হৈ পৰিছে।

থানেশ্বৰী শাহুৰেক, ডাঙৰ বোৱাৰী আৰু দিগম্বৰ আটাকেইজনে আলোচনাত গভীৰ ভাৱে মগ্ন। জলিতাক শ জলিতাক দিভোজ দিৱ নোৱাৰাৰৰ একমাত্ৰ কাৰণ শহুৰেক। শহুৰেক আজি ঘৰত নাই। এই চেগতে আটাইকেইজনে জলিতাক কিবা এটা কৰাৰ কথা ভাবিছে। কৰিব বা কি ? মাৰ ধৰ কৰি খেদি পঠিয়ালে আকৌ আহিব। ৰাইজৰ পদধূলি ৰত লৈ বিয়া কৰা হৈছে যেতিয়া। এই বিলাক আলোচনা কৰি তাইক দিগম্বৰে মাতি আনি দুহাতত খামো মাৰি ৰিলে। মাক আৰু বৌয়েকে কাপোৰেৰে ডিঙিত গাঠি দিবলৈ ধৰিলে। আৰ্তনাত কৰি জলিতাই চিএঞৰি চিএঞৰি কলে। এয়া আপোনালোকে মোক কি কৰে ? মোক আপোনালোকে কিয় মাৰিব বিচাৰিছে ? মই ঘৰলৈ গুচি যাম। মোক মাৰিব। মোক এৰি দিয়ক। শাহুৱেকে খঙত কলে।

তোক এৰি দিম ৰহ। তোক স্বৰ্গলৈ পঠিয়াম। তই নিচিন্তে ইন্দ্ৰ দেৱতাৰ লগত থাকিবি পাৰিবি। ক্ৰমান্বয়ে জলিতাৰ থ কণ্ঠস্বৰ স্ফুটা হৈ আহিল। অৱশেষত তাই ভৰি হাত আচাৰি আচাৰি দু-চকু মুদি দিলে। তাইৰ অৱচেতন দেখি

আটাইকেইজনে ভেবা লাগি এৰি দিলে। জলিতা গুচি কটাগছৰ দৰে বাগৰি পৰিল। সিহঁতে গলৰ পৰা কাপোৰ দি ভয় শংকাৰ মাজত মৰা শ'টো বাৰীৰ পিছফালে গাত খান্দি পুতি থলে।

যৌতুক যেন জীৱনৰ এটা বহুমূলীয়া সম্পদ। বিশেষকৈ আজিৰ আধুনিক সমাজখনত। যাক নহলে মানু জীৱনটো ত্যাগ কৰিব লাগে। সেই কাৰণে আমাৰ সমাজৰ প্ৰতিজন যৌতুকৰ লালচ নকৰা ব্যক্তিয়ে সামজৰ পৰা ঘৃণনীয় কাৰ্য্যটো ৰোধ কৰিব পাৰো। তেতিয়া হ'লে জলিতাৰ দৰে বহু বোৱাৰীয়ে এনেদৰে জীৱন দান দিব নালাগে তাৰকাৰণে সজাগতাৰ প্ৰয়োজন। কোনো বিবাহ কাৰ্য্যত যৌতুকৰ ব্যৱহাৰ অনাৱশ্যক কৰিব লাগিব।

# কুইজ

১। কুইজৰ উৎপত্তি ক'ত হৈছিল ?
- আমেৰিকা যুক্তৰাষ্ট্ৰত।

২। কোন দেশৰ পতাকা আটাইতকৈ পুৰণি ?
- ডেনমাৰ্কৰ

৩। শুকুলা হাতীৰ দেশ কোনখন ?
- থাইলেণ্ড।

৪। পঞ্চ কন্যাগৰাকী কোন কোন ?
- অহল্যা, দ্ৰৌপদী, কুন্তী, তাৰা, মন্দোদেৰী।

৫। সৌন্দৰ্য্য ৰাণীৰ দেশ কোনখন ?
- ভেনিচ

সংগ্ৰাহক -
শ্ৰী জুৰিপ্ৰভা নাথ
স্নাতক প্ৰথম বৰ্ষ - ২০০৭

## প্ৰবন্ধ

# টমাছ্ আলভা এডিছ্নৰ জীৱনী

বৈদ্যুতিক চাকি, গ্ৰাম'ফ'ন, চিনেমা - এই সকলোবোৰৰে মূলতে আছে এজন আৱিষ্কাৰক। তেওঁৰ নাম হ'ল টমাছ্ আলভা এডিছ্ন।

১৮৪৭ চনত আমেৰিকাৰ অহাইঅ' নামৰ এখন চহৰৰ ওচৰত এডিছ্নৰ জন্ম হৈছিল। তেওঁৰ জন্মৰ সাত বছৰৰ পিছত তেওঁৰ মাক দেউতাক পৰ্ট হিউৰণ নামৰ আন এখন চহৰলৈ উঠি যায়। ইয়াতেই এডিছ্নে স্কুলীয়া শিক্ষাৰ পাতনি মেলে। কিন্তু পঢ়া আৰম্ভ হোৱাৰ তিনি মাহ পিছতে তেওঁৰ স্কুলীয়া শিক্ষা সাং পৰিল। এদিন শিক্ষকে তেওঁক ভোটা বুদ্ধিৰ ল'ৰা বুলি গালি পাৰিলে। এই বাতৰি মাকৰ কানত পৰিলত মাকে খঙতে তেওঁক স্কুলৰ পৰা এৰুৱাই আনিলে আৰু ঘৰতে পঢ়াবলৈ ল'লে।

পৰীক্ষা পাতি কৰা কামত এডিছ্ন সৰুৰে পৰা পাকৈত আছিল। কুকুৰাই উমনি দিয়া দেখি তেওঁ নিজেও এবাৰ কুকুৰাৰ দৰে কণী উমনি দিবলৈ চেষ্টা কৰিছিল। এবাৰ আকৌ তেওঁলোকৰ ঘৰত কাম কৰা মানুহ এজনৰ নাকত তেওঁ মনে মনে পাউদাৰ সুমুৱাই দিছিল। তেওঁ ভাবিছিল, পাউদাৰৰ পৰা ওলোৱা গেছে মানুজনক উৰুৱাই লৈ যাব! কিন্তু মানুহজন উৰি নগ'ল। দেউতাকৰ ধমকি আৰু বেতৰ কোবত তেওঁ নিজৰ জীৱনটোহে উৰি যোৱা যেন পালে। গতিকে যাৰে তাৰে ওপৰত পৰীক্ষা চলাবলৈ এৰি তেওঁ বাৰীৰ এচুকত পৰীক্ষা পাতি কৰা কাম আৰম্ভ কৰিলে। দেউতাকে তেওঁক নিজ ইচ্ছামতে খেতি-বাতি কৰিবলৈ এটুকুৰা মাটিও দিছিল। তেওঁ তাত পৰিশ্ৰম কৰি বহুতো শাক-পাচলি কৰিছিল আৰু ৰে'ল গাড়ীৰে সেইবোৰ লৈ গৈ ডেট্ৰইট নামৰ ওচৰৰে এখন চহৰত বেছিছিললৈ।

ৰে'লত অহা-যোৱা কৰি থাকোঁতে এডিছ্নৰ মনত এদিন এটা নতুন চিন্তা সোমালে। তেওঁ ভাৱিলে, গাড়ীত গৈ থকা সময়খিনিত যাত্ৰীসকলক বাতৰি কাকত বেছি দেখোন ধন ঘটিব পাৰি। সৰু ল'ৰা এজনৰ এনে্ উৎসাহ দেখি ৰে'ল কৰ্তৃপক্ষই তেওঁক কাকত বেচিবলৈ অনুমতি দিলে। অকল সেয়ে নহয়, বিনা পইচাই তেওঁক ৰে'লত যাবলৈ অনুমতি দিলে। গাড়ীৰ মাল কঢ়িওৱা ডবা এটা আছিল এডিছ্নৰ অফিচ। ইয়াত তেওঁ কাগজ-পত্ৰ ৰাখিছিল, বিজ্ঞানৰ কিতাপ পঢ়িছিল আৰু কেতিয়াবা পৰীক্ষা-পাতিও কৰিছিল।

কেৱল বাতৰি কাকত বেচি তেওঁক্ষান্ত নাথাকিল, তেওঁ বাতৰি কাকত নিজে চপাবলৈ মন মেলিলে। এই উদ্দেশ্যে তেওঁ এটা ছপাকল আনি ডবাটোত সুমুৱালেহে ধৰিলে। চলন্ত ৰেল গাড়ীৰ ভিতৰত প্ৰকাশ হোৱা এইখনেই বিশ্বৰ একমাত্ৰ বাতৰি কাকত। অডিছ্ন বিশ্বৰ আটাইতকৈ কম বয়সীয়া কাকত সম্পাদকো, কাৰণ সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ পোন্ধৰ বছৰ। দুই পৃষ্টাৰ এই কাকতখন ভালেমান দিন সুকলমে চলি আছিল। কিন্তু এদিন এটা ঘটনাৰ ফলত কাকত খন বন্ধ হৈ গ'ল। চলন্ত ডবাটোৰ ভিতৰত কিবা পৰীক্ষা-নিৰীক্ষা কৰি থাকোঁতে ডবাটোত এদিন জুই লাগিল। দুৰ্ঘটনা দেখি গাড়ীখন গাৰ্ডে ৰখালে। তেওঁ এডিছ্নক এনে এটা কানতলীয়া চৰ শোধাই বিদায় দিলে যে তেতিয়াপৰে তেওঁ কানেৰে ভালকৈ নুশুনা হ'ল।

ৰে'ল গাড়ীৰ পৰা খেদাখাই এডিছনে ছপাকলটো নি এইবাৰ ঘৰত বহুৱাললৈ আৰু নতুনকৈ এখন কাকত প্ৰকাশ কৰিলে। কাকতখনৰ সৰু সৰু খুহুতীয়া বাতৰি বিলাকে মানুহক বেছ আমোদ দিছিল। কিন্তু সেই কাকতখনো এদিন হঠাতে বন্ধ হৈ গ'ল। চহৰৰ এজন ব্যৱসায়ীক ব্যংগ কৰি লিখা এটা কাহিনী এবাৰ কাকতখনত ওলাইছিল। সেই

ব্যৱসায়ী জনে এডিছনক এদিন বাটতে পাই ডিঙিত ধৰি ওচৰৰে এখন নৈৰ দাঁতিলৈ গৈ গ'ল। আৰু নৈত তেওঁক দ মাৰি পঠিয়ালে। এইদৰেই এডিছনৰ বাতৰি কাকত সম্পাদনাৰ লৰ পৰিল।

এডিছনে এইবাৰ টেলিগ্ৰাফি শিকিবলৈ মনমেলিলে। ইয়াৰো এটা কাহিনী আছে। এদিন তেওঁ ৰে'ল ষ্টে এটাৰ কাষত বৈ আছিল। এনেতে হঠাতে তেওঁৰ চকুত পৰিল যে এটা সৰু ল'ৰাই ৰে'ল আলিৰ মাজত একান্ত খেলি সি মনেই কৰা নাই। এডিছনে দৌৰিগৈ ল'ৰাটোক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিলে। ল'ৰাটো আছিল এজন ষ্টে মাষ্টৰৰ পুতেক। এডিছনৰ এই কাৰ্যত মাষ্টৰজন অতি কৃতজ্ঞ হ'ল। তেওঁ বিনা পইচাই এডিছনক টেলিগ্ৰাফি শিকাব গাত ল'লে। চাৰি মাহৰ ভিতৰতে এডিছনে এই বিদ্যা আয়ত্ব কৰিলে আৰু ৰে'ল বিভাগৰে টেলিগ্ৰাফ অপাৰেটৰ কাম নিযুক্ত হ'ল।

অপাৰেটৰ সকলে যে নিজ কৰ্তব্যত গাফিলতি কৰা নাই, তাৰ প্ৰমাণ হিচাপে তেওঁলোকে ৰাতি এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বিভাগীয় অফিচলৈ একোটা সংকেত পঠিয়াই থাকিব লাগিছিল। আন দহজনৰ যন্ত্ৰৰ দ এডিছনৰ যন্ত্ৰয়ো নিয়মীয়াকৈ সংকেত পঠিয়াই আছিল। এদিনাখন এটা কেনা লাগিল। কিবা কাৰণত কৰ্তৃপক্ষই তেওঁ মাতি পঠিয়ালে। কিন্তু এডিছনৰ পৰা কোনো উত্তৰ নাহিল, অথচ সংকেত হ'লে নিয়মীয়াকৈ আহি আছে। ঘটনাটো আঁত বিছাৰি কৰ্তৃপক্ষই গম পালে যে এডিছনে অনবৰত যন্ত্ৰটোৰ ওচৰত বহি নাথাকে। তেওঁ কিছু আঁতৰত বিজ্ঞা পৰীক্ষা-পাতি কৰি থাকে। অথচ সংকেত যাতে নিয়মীয়াকৈ যায়, তাৰ ব্যৱস্থা তেওঁ কৰি লৈছে। এইটোৱেই আছি এডিছনৰ প্ৰথম বৈজ্ঞানিক আৱিষ্কাৰ।

কিছুকাল পিছতে এডিছনে ৰে'ল বিভাগৰ কাম এৰি দিলে আৰু স্বাধীনচিতীয়া অপাৰেটৰ ৰূপে অ'ত-ত' চাকৰি কৰিলে। একৈশ বছৰ বয়সত তেওঁ বষ্টন চহৰলৈ যায়লৈ আৰু তাত এটা কোম্পানিত অপাৰেটৰ ৰূপে সোমায়। ইয়াত থকা কালতে তেওঁ ভোট ৰেকৰ্ডাৰ নামে এটা যন্ত্ৰ সাজিছিল। ইয়াৰ দ্বাৰা নিৰ্বাচন সমূহত সহজে ভো গণনা কৰিব পৰা গৈছিল। নিগনি, পঁইতাচোৰা আদি মৰা এটা বৈদ্যুতিক যন্ত্ৰও তেওঁ সেই সময়তে আৱিষ্কাৰ কৰিছিল

বষ্টনত এবছৰ মান থাকি এইবাৰ ওলাল নিউইয়ৰ্ক চহৰলৈ। নিউইয়ৰ্কত 'গ'ল্ড ইণ্ডিকেটৰ কোম্পানি' না এটা ডাঙৰ কোম্পানী আছিল। এডিছনে কোম্পানীটোৰ এটা এৰা পৰলীয়াঘৰত থাকিবলৈ ল'লে। তাত থকাৰ তৃতী দিনা তেওঁৰ জীৱনলৈ এটা সোণালী সুযোগ আহিল। সেইদিনা কোম্পানীটোৰ টেলিগ্ৰাফ যন্ত্ৰত এটা বিজুতি ঘটি কৰ্মচাৰী সকলে বহু যুঁজিও ইয়াৰ কাৰণ ধৰা পেলাব নোৱাৰিলে। তেতিয়া এডিছনে কৰ্তৃপক্ষৰ অনুমতি লৈ অতি সময়ৰ ভিতৰতে যন্ত্ৰটো সচল কৰি তুলিলে। তেওঁৰ এনে দক্ষতা দেখি কোম্পানীটোৰ কৰ্তৃপক্ষই তেওঁক কোম্পানী মেনেজাৰ পদত নিযুক্ত কৰিলে। তেওঁৰ দৰমহা হ'ল মাহে তিনিশ ডলাৰ। কোম্পানীৰ মেনেজাৰহৈ থকা সময় এডিছনে 'ইউনিভাৰ্ছেল প্ৰিন্টাৰ্ছ' নামৰ এটা বাতৰি সৰবৰাহ কৰিব পৰা যন্ত্ৰ সাজি উলিয়াই। যন্ত্ৰটোৰ অনেক সুবিধা দে কোম্পানীয়ে যন্ত্ৰটোৰ স্বত্ব কিনি ল'ব খুজিলে। এডিছনে ভাৱিছিল, ইয়াৰ বিনিময়ত তেওঁ হয়তো কেইশমান ডল পাব। কিন্তু এডিছনক হতভম্ব কৰি তেওঁক দিয়া হ'ল চল্লিশ হেজাৰ ডলাৰ।

সৰহকৈ ধন পাই এডিছনে মাত্ৰ তেইছ বছৰ বয়সতে নেৱাৰ্ক নামে এখন চহৰত নিজাকৈ এটা কাৰখানা আ পৰীক্ষাগাৰ খুলিলে। ইয়াত তেওঁ এটাৰ পাছত এটাকৈ ন-ন আৱিস্কাৰ কৰি যাবলৈ ধৰিলে। একেডাল তাঁৰেৰে দু আৰু ততোধিক বাতৰি পঠোৱা এটা পদ্ধতি তেওঁ আৱিস্কাৰ কৰিছিল। ইয়াৰ ফলত বাতৰি পৰিৱহনৰ কাম আগত বহুত সহজ হৈ পৰিল। টাইপৰাইটাৰ যন্ত্ৰৰো তেওঁ ভালেখিনি উন্নতি সাধন কৰিলে। তাঁৰৰ মাজেদি বাতৰি পঠো কামত লাগি থাঁকোতে তেওঁ এটা নতুন বৈজ্ঞানিক পৰিঘটনাও আৱিস্কাৰ কৰে। ই আজিকালি 'এডিছন প্ৰক্ৰি নামেৰে জনাজাত।

১৮৭৬ চনত এডিছনে তেওঁ কাৰখানা নেৱাৰ্কৰ পৰা 'মেন্‌ল' পাৰ্কনামে এডোখৰ ঠাইলৈ তুলি নিলে ইয়াত পোনতে টেলিফোন যন্ত্ৰই তেওঁৰ মন আকৰ্ষণ কৰে। তেওঁ ইয়াৰ উন্নতিৰ নানা কৌশল উলিয়াইছিল। লাউডস্পীকাৰ যন্ত্ৰতো তেওঁ হাত দিছিল। 'টাছিমিটাৰ' নামৰ এটা বৈদ্যুতিক তাপমান যন্ত্ৰত তেওঁ আৱিস্কাৰ কৰিছিল। ১৮৭৭ চনত তেওঁ এটা আকৰ্ষণীয় যন্ত্ৰ উদ্ভাৱন কৰে। সেইটো হ'ল মানুহৰ মাত ধৰি ৰাখিব পৰা যন্ত্ৰ। তেওঁ ইয়াৰ নাম হৈছিল 'ফ'নগ্ৰাফ'। আজিকালিৰ গ্ৰামফ'ন আৰু টেপৰেকৰ্ডাৰ যন্ত্ৰৰ ইয়েই আৰম্ভনি।

মেনল' পাৰ্কত এডিছনৰ আন এটা উল্লেখযোগ্য আৱিস্কাৰ হ'ল বৈদ্যুতিক চাকি। এই আবিস্কাৰ নিচেই সহজ নাছিল। ইয়াৰ বাবে এডিছন আৰু তেওঁৰ কৰ্মচাৰী সকলে প্ৰায় এবছৰ ধৰি খোৱা-বোৱা বাদ দিছিল বুলিব লাগে। অৱশেষত বহুতো চেষ্টাৰ মুৰত ১৮৮৯ চনত অকটোবৰ মাহত বিশ্বৰ প্ৰথম বৈদ্যুতিক চাকিটো মেন্‌ল পাৰ্কত জ্বলিবলৈ লয়।

১৯১২ চনত এডিছনে 'কাইপেট' স্কপ' নামৰ এবিধ যন্ত্ৰ সাজি উলিয়াই। যন্ত্ৰটোত সৰু দুটা বিন্ধা আছিল। বিন্ধা দুটাৰে ভিতৰলৈ জুমি চালে নানা তৰহৰ ফটো এখনৰ পিছত এখনকৈ ওলাই থকা দেখা গৈছিল। লগে লগে শুনিবলৈ পোৱা গৈছিল ফ'নগ্ৰাফৰ যন্ত্ৰৰ পৰা ওলোৱা সংগীত।

এডিছন কঠোৰ পৰিশ্ৰমী লোক আছিল। এটা সময়ত তেওঁ দিনে কুৰি ঘন্টাতকৈয়ো বেছি কাম কৰিছিল। শতকৰা এভাগ অনুপ্ৰেৰণা আৰু শতকৰা নিৰানব্বৈ ভাগ পৰিশ্ৰম। এয়াই হ'ল প্ৰতিভা' - তেওঁ এবাৰ এইবুলি কৈছিল। কঠোৰ শ্ৰমৰ বলত এডিছনে মুঠ আঢ়ৈ হেজাৰতকৈয়ো অধিক যন্ত্ৰপাতি আৱিস্কাৰ কৰি গৈছে।

১৯১৩ চনৰ ১৮ অকটোবৰত চৌৰাশী বছৰ বয়সত এই মহান গৰাকীৰ জীৱনৰ অন্ত পৰে।

(সংগ্ৰহ)

সংগ্ৰাহক - শ্ৰী জুৰিপ্ৰভা নাথ
স্নাতক প্ৰথম বৰ্ষ - ২০০৭

## কৌতুক

পতেশ্বৰী : কি হ'ল পানেশ্বৰী, তোক দেখোন বৰ চিন্তিত যেন লাগিছে ?

পানেশ্বৰী : এই নক'বি আৰু .................... ককাইদেউৰ এটা কথাই মোক বৰ চিন্তাত পেলাইছে।

পতেশ্বৰী : কি কথা কচোন ?

পানেশ্বৰী : আমাৰ ককাইদেউৱে কয় ........ তেওঁৰ হেনো দুজনী ভনীয়েক। কিন্তু মোৰ দেখোন এজনীহে ভনী।

কবিতা

# হে পাতিদৰং মহাবিদ্যালয়

সংগ্ৰাহক - শ্ৰী জুৰি প্ৰভা নাথ
স্নাতক প্ৰথম বৰ্ষ - ২০০৭

"হে পাতি দৰং মহাবিদ্যালয়
তুমি আমাৰ জ্ঞানৰ মন্দিৰ
লভিম ইয়াতেই নানা অভিজ্ঞতা
জগাম অন্তৰত মানৱতা
ভৱিষ্যতৰ ভেঁটি ইয়াতেই গঢ়িম
ইয়েই আমাৰ পৱিত্ৰ ধাম।
হিন্দু মুছলমান একে লগ হৈ
আমি সকলো সমান
বিছাৰিম ইয়াতেই নতুনৰ বাট
জাতিভেদ পাহৰি হ'ম মহীয়ান
আমি সকলোৱে গাঁও মহা মিলনৰ গান
লওঁ ইয়াতেই জ্ঞানৰ মুকুতা মালা।
যাচিছোঁ হে পাতিদৰং মহাবিদ্যালয়
তোমাক নমস্কাৰ।"

XXX

# মৰম

শ্ৰী নৱজিৎ
প্ৰাক্তন

মৰমৰ এক মনৰ কথা
মৰম ভৰি আছে মোৰ হিয়া
মৰমে হিয়াক কোমল কৰে,
মৰমৰ বাবে প্ৰেমত পৰে
মৰমে মৰমৰ ভাষা বুজি পায়
প্ৰেমে প্ৰিয়াক মৰম যাচে।
মৰম মোৰ একমাত্ৰ কল্পনা
মৰম বিয়পাও সকলোৰে মাজত
আহা শত্ৰুক দলিয়াই দিওঁদূৰত,
আহা সকলোকে মৰম যাঁচো
মৰমেৰে ভৰি আছে মোৰ হিয়া,
মোৰ হিয়াত নাই শত্ৰুতা
মৰমৰ সৈতে মোৰ সম্পৰ্ক
অন্যক নকৰো মই বিমৰ্ষ।
মৰমৰ ভাষা সকলোৱে বুজি পা
পৃথিৱীত কেৱল মৰম বিৰাজ ক
আহা মৰমৰে নতুন পৃথিৱী গঢ়ো
মৰমক হৃদয়ত ওপজাই ৰাখো।

০০০

# .বদনা, শিল্পীৰ নাম——

মোৰ প্ৰিয় বন্ধু স্বৰ্গীয় গণেশ বড়োৰ স্মৃতিত)

শ্ৰী সবিতা শৰ্ম্মা (চিতু)
প্ৰাক্তন ছাত্ৰী

ভাগি গ'ল বীণাখনি চিগি গ'ল তাঁৰ
ৰ গ'ল অৱশেষ অমিয়া জোকাৰ।"
হ মোৰ শিল্পী বন্ধু
কিয় বাৰু বজোৱা তুমি
বিষাদৰ বীণাখনি!
কিয় তুমি সানা
দামী চুলি কোচাত ধুলিৰ মলিয়ন ৰং
তুমি জীয়াই থাকিবা
জোন-বেলি আৰু তৰাৰ স'তে
গছ-লতা, নদী-নিজৰা, পাহাৰ
তোমাৰ আশাৰ পৃথিবী
চৰণ নৈৰ বুকুত কলিজা ধুৱাই লৈ
খেলি থাকিবা লুকা-ভাকু।
জীৱনক জীৱন দিয়া মোৰ পৃথিৱী
কাইটীয়া লুংলুঙীয়া সৰ্পিল বাটেৰে
মোৰ মাত্ৰা ............
জীৱন মুকুতাৰ এটি টোপাল বিচাৰি
ময়ো বিচাৰি চাইছিলো।
মাথো অপূৰ্ণতা.........!!

# বাছ ষ্টপেজ ————

বাছ ষ্টপেজত মোক দেখিলা বুলিয়েই
মোৰ প্ৰেমত পৰিব লাগেনে ?
মোৰ দুচকুৰ নীলাখিনিয়ে তোমাৰ হৃদয়ৰ সেউজীয়াখিনিত
সিচি দিলে নেকি প্ৰেমৰ আৰু আশাৰ বীজ।
গোপনে গোপনে
এদিন অকলে চিৰদিনৰ বাবে
বুকুখন লৈ গল এজনে
বহাগতে।
তোমাক দিবলৈ মোৰযে আৰু একো নাই,
শূণ্যতা আৰু দুখত বাহিৰে।
জানো, জানা
তোমাৰ কল্পনাৰ সেতুখন তেনেই নিশাকতীয়া
ভাঙে আৰু গঢ়ে
তোমাৰ প্ৰেমৰ জন্ম এটা বাছ ষ্টপেজত
প্ৰতিখন নোযোৱা বাছৰ অপেক্ষাত।

শ্ৰী ডালিমি দেৱী
স্নাতক তৃতীয় বৰ্ষ

# বিষন্নতা

শ্ৰী ৰেখা দাস
স্নাতক তৃতীয় বৰ্ষ

সুৰুজৰ হেঙুলি কিৰণ যে
ম্লান হ'ব ভবা নাছিলো
এতিয়া তেওঁ মোৰ বিষন্নতাৰ
সহযাত্ৰী হ'ল।
তেওঁক মই ৰাখিছিলো স্বপ্নৰ কাৰেঙত
সেই অভিনৱ স্বপ্ন এতিয়া
সমাধিৰ কৱলত
মই তেওঁক দিয়া নাছিলো
বেদনাসিক্ত ৰঙা গোলাপ
বিগত শৈশৱৰ দিনত
তেওঁলোকক আকোৱালি লৈছিল
বুকুৰ মাজত।
এতিয়া সেই ঠাই টুকুৰা ফাটি
চৌদিশে বিয়পি পৰিল
তেজৰ কণিকা
মাথো দেখো এন্ধাৰ
বিষাদতে সৰিপৰে চকুলোঁ দুধাৰি
সেয়া জানো বিষাদৰ সহাৰি।

# নিৰ্জনতা.................

মহঃ খাইৰুল ...
স্নাতক দ্বিতীয়...

মোৰ নিৰ্জন নিশাৰ বিষন্নতা
অসহ্য নিঃসংগতা
হৃদয় মোৰ, প্ৰেম পৰৰ।

যাৰ অপেক্ষাত ওৰেটো শতিকা সৰিল
কিযে কয় তেওঁ
মই হেনো এটা কয়দী ?

নিৰ্জনতাৰ আঁৰে আৰে
দুখবোৰ জুকিয়াই চাওঁ
কৰবাত হেনো কেনা লাগিব

কিযে ঋতুভাই
কেনে পৰত আহে
ভিতৰত দুখৰ ইলিজীয়ে কান্দে,
বাহিৰত আঘোনৰ ৰঙে হাঁহে।

# দগ্ধ হৃদয়

মিছ্ সোনমা বেগম
স্নাতক তৃতীয় বৰ্ষ

ভাগৰুৱা আত্মাৰ উচুপনিত
আজি মই ক্লান্ত
এয়া কি বনজুইৰ দৰেই জ্বলি আছে
কেৱল মানুহৰ দেহ
উৎকণ্ঠাত পোৰা মাংসৰ উৎকট গোন্ধ
স্বাধীনতাই সহবাস কৰে আজি তেজৰ সতে
তেজতে যেন স্বদেশ প্ৰেমৰ হিচাপ
কোনেনো লৈছে ক্ষুধাতুৰ পেটৰ খবৰ ?
ধৰ্ষিতা কিশোৰীক হিচাপ কৰাৰ
আৰু সকাম নাই
সভ্যতাক ধ্বংসস্তপত পৰিণত কৰিবলৈ যেন
সকলো দৌৰিছে মেঘাছন্ন আকাশৰ তলত
সকলোৱে এফালৰ পৰা
ভাগৰি পৰিছে, উচুপিৰ ধৰিছে কেৱল নিৰবে।

# দিবানে এবাৰ দেখা

জোনটি নাথ
স্নাতক প্ৰথম বৰ্ষ

তুমি আহিবা বুলি,
তোমালৈ আছো বাট চাই
হৃদয়ৰ য'ত দুখ বেদনা
তোমাকে দিবলৈ,
প্ৰতিটো ক্ষণতে ভুমুকিয়াই চাওঁ
তুমি আহিছা বুলি,
নীৰৱে অকলশৰে আছো বৈ
তুমি অহালৈ বাট চাই
দিবানে এবাৰ তুমি দেখা ?
জীৱনৰ যত দুখ কালিমা
তোমাকে দিম বুলি হিয়াভৰা
তপত শোনিতেৰে,
আহিবানে তুমি হৃদয়ৰ
বাতৰি লৈ মোৰ কাষলৈ,
দিবানে, বাৰু দেখা
হে প্ৰাণৰ সখা ?

# তোমাৰ অপেক্ষাত

শ্ৰী চন্দন ডেকা
স্নাতক তৃতীয় বৰ্ষ

এজাক বৰষুণৰ পিছত
যেতিয়া গৈছিলো মই
তোমাক লগ পাবলৈ।
এখন নেদেখা নদীৰ
কোৱাল ঢৌৱে ৰিঙিয়াই মাতিছিল
তোমাৰ প্ৰেম সুবাস লবলৈ।
মই গলো বতাহৰ সোঁতত মিলি
নদীখনৰ কোৱাল
ঢৌওঁ উটি।
তুমি আহিবা বুলি নদীৰ পাৰত বহি
কৃষ্ণচূড়া জোপাৰ তলত বৈ
কটালো মই মধুৰ আবেলি।
মধুৰ মলয়াৰ মাজত ভাঁহি
তুমি নাহিলাযে উৰি
এজনী বালিমাহী হৈ।
তাৰ পিছত, এটি সেমেকা ক্ষণত
বতাহে মোক বাতৰি দি গ'ল
তুমি নাহিলা বুলি।
উত্তপ্ত হৃদয়ৰ প্ৰতিটো জ্যোতি
সূৰ্য্যাস্তৰ পিছে পিছে
গ'ল যি ...... লি।

# প্ৰতীক্ষা

শ্ৰী মৃগেন্দ্ৰ কুমাৰ চৌ
স্নাতক প্ৰথম

আহিবানে আকৌ
সময় পালে মোৰ ফুলনিলৈ ?
সজাবানে মৰহি যোৱা ফুলনিখন
আকৌ নতুনকৈ ?
যেন পখিলা, মৌ-ভোমোৰাই
গুণ-গুণ কৈ গীত গাই
তাত আনন্দ পাই
সেই আনন্দত
ময়ো যেন দুঃখবোৰ পাহৰি
প্ৰেমেৰেই গীত ৰচিব পাৰি
হিচাপ কৰি যাম ফুলনিৰ ফুলবোৰ
হৃদয়ত আঁকি যাম তোমাৰ
আৰু প্ৰতিজোপা ফুলৰ গছ,
গধুলি হ'লেই মনত পেলাম
ফুলবোৰৰ আৰু তোমাৰেই কথা
প্ৰতীক্ষা মাথো তোমাৰ।

# আত্মীয়তা———

শ্ৰী মুনিন্দ্ৰ পাটোৱাৰী
প্ৰাক্তন ছাত্ৰ

তোমাৰ প্ৰেমৰ ঐশ্বৰিক মাদকতাত
হৃদয়ে হাহাকাৰ কৰি দৌৰি আছে
তোমাৰ সান্নিধ্যৰ নিবিড়তাত
হৃদয়ে ডুব যাব খোজে
তুমি বাৰু এবাৰো অনুভৱ কৰা
নাইনে .............
তোমাক প্ৰথম দেখাতেই
মোৰ উতনুৱা হৃদয়ে
তোমাৰ কাষলৈ যাব বিচাৰিছে
তুমি বাৰু বুজানে ...........
তোমাৰ বৈ পৰা চকুযুৰিৰ চাৱনিত
মোৰ হৃদয় কঁপি উঠে
তুমি অহা প্ৰেমৰ জুৰিটিত
আবেগৰ নাও অহা-যোৱা কৰে
তোমাৰ ওঁঠৰ ৰচিম কুসুম
লাই দিব খোজা মোৰ
সমস্ত ভাল পোৱা
তুমি জানো নোৱাৰিবা মোক দিবলৈ
অলপ মৰম
অলপ ভালপোৱা
অলপ আপোনতা .......।।

# স্মৃতি কিয় আহা ?

শ্ৰী ববীতা দাস
স্নাতক তৃতীয় বৰ্ষ

কিয় ?
কিয় আহা তুমি ?
কিয় আহা ?
কি তোমাৰ প্ৰয়োজন ?
তোমাৰ আগমেন কেতিয়াও
নিদিয়েতো প্ৰাপ্তিৰ অনুভূতি
সুখৰ সম্ভেদ
তেন্তে কিয় ?
কিয় আহা তুমি ?
মোৰ সমগ্ৰ সত্বাত
কিয় সিচি দিয়া যন্ত্ৰনাৰ বীজ ?
তোমাৰ আগমনে
তোমাৰ আগমনে
উভতাই আনিব নোৱাৰে মোৰ অতীতক
তেন্তে কিয় ?
কিয় আহা স্মৃতি ? ? ?

# "অন্তিম যাত্ৰা"

শ্ৰী দীপ্তি ৰাণী ডেকা
প্ৰাক্তন ছাত্ৰী

বহু ৰাতি হ'ল, যোৱাৰো সময়ে হল
কম বুলিও কোৱা নহ'ল
আশা ভৰা জীৱনৰ
ব্যথা ভৰা বহু গোপন কথা।
যাবলৈ ওলালো আজি বহু দুৰলৈ
নাজানো কিয় যে আজি মোৰ দুভৰি
বাৰে পতি ধৰে থমকি ৰবলৈ।
শোভেৰে ভৰা চাওঁ নাচাওঁকৈ চোৱা
তোমাৰ করুণ মুখনি দেখি
বুকুয়েদি বৈ যাব খোজে
জুই খনা বিষাদ নদী।
মাথো কৈ গ'লো
মনলে আহে যদি সোনাৱালী দিনৰ
এটি দুটি বহু কথা নিজান পৰত।
মইতো নুফুলো আৰু তোমাৰ হিয়াৰ বনত।
জানিবলৈ আহে যদি মনলৈ
সোধা যদি তৰা-ভৰা আকাশলৈ
বিচৰা যদি লগ মোৰ, মোক পাবা
যদিহে আহা সপোন নদীৰ পাৰৰ সপোন ঘাটলৈ।
মোলৈ বুলি সোধা যদি আকাশলৈ
তোমালৈ মোৰ কিমান মৰম
তাৰ প্ৰত্যুত্তৰত পাবা তুমি
আকাশ ভৰা তৰা সম হৃদয়েৰে বৈ থকা
মৰম নামৰ বোৱতী নৈ।
মাথো নিষ্পাপ প্ৰীতি ভৰা হৃদয়ৰ বাবে।
সেই নৈয়ে উটি যাব এদিন প্ৰীতিৰ চিহ্ন তোমালৈ
মৰমবিহীন বহু দুৰ ............... দুৰ দিগন্তলৈ ?
আৰু সেয়ে হ'ব 'অন্তিম যাত্ৰা' ৰ আৰম্ভনি।

# আশা

শ্ৰী কুলেন...
স্নাতক প্ৰথম...

তুমি আহিবা
তোমাৰ দুখোজ
মোৰ অন্তহীন প্ৰতীক্ষা
.....................................
যোৱাৰাতি জোনাক সৰিছিল
বাৰিষাৰ ঢল নামিছিল ........
মোৰ সেউজীয়া বুকুত
নদীবোৰ ভৰি পৰিছিল
পাৰবোৰ হালফীয়া হৈছিল।
মোৰ বুকু সেউজীয়া হৈয়েই আছিল
তুমি আহিবা
আশাবোৰ লাহে লাহে ডাৱৰ হৈছিল
ডাৱৰবোৰ লালে লাহে নামি পৰিছিল।
মোৰ চকুৰ পৰা বুকুলৈ
বৰষুণ হৈছিল
তুমি নাহিলা।

# "আকাংক্ষা"

ভবামতে কিয় আশা পূৰণ নহয়।
বিফলতাই কিয় মোক এৰা নিদিয়ে
জীৱনত এটি স্নিগ্ধ মন
পাবলৈ মই ব্যাকুল
নত উচ্চাকাঙ্খাৰ জোৱাৰ
কিন্তু ক'ত ?
একোৱেই নাই দেখোন
কলোৱে নাই দেখোন
কলোৱে মোক হেয়জ্ঞান কৰে
কলোতে দেখো মাথো
মিছাৰ প্ৰলেপ
নঘোৰ তমসাই
জীবন আকাশ আৱৰি ধৰে
ই জানো কেতিয়া দূৰ হব,
ৰ্ষাৰ পাছত জানো বসন্ত নামি আহিব ?
য়তো মোৰ জীবনলৈ
একোৱেই নাহিব,
তাশাই জানোচা হব লগৰীয়া
বিফলতাই হব বন্ধু
ন্দ্ৰনাই হব আনন্দ
য়াকে লৈ মই
পাৰিম জানো জীয়াই থাকিব ?
াই নোৱাৰো
ই কেতিয়াও হব নোৱাৰে
মাত্ৰ পাৰিবা তুমি
মোৰ জীবনৰ ঘনঘোৰ তমসাক
নিষ্ঠুৰতাৰে ধ্বংস কৰিবলৈ
সেয়েহে জীৱনত মোৰ
উচ্চকাংক্ষাৰ জোৱাৰ উঠিছে
আশাৰ বন্তিস্বৰূপ
মাত্ৰ তোমাক লৈ
আহিবানে তুমি সচাকৈয়ে
মোৰ অন্ধকাৰ জীৱন পোহৰাবলৈ ?
এই আকাংক্ষাৰে বাট চাই ৰ'লো
তোমাৰ্ আগমনলৈ।

শ্ৰীমৃদুলা দেৱী
স্নাতক ২য় বৰ্ষ

# "মানৱ জীৱন"

শ্ৰী গীতাঞ্জলী ডেকা
স্নাতক ২য় বৰ্ষ

জীৱন জীৱন বুলি জীৱনটোক সামৰি
হৈছো আমি মায়াত বন্দী।।
মৰো মৰো বুলি মৰিবও নোৱাৰো
কিয় বাৰু আমি মায়াত কৈও
ভুল পথে গৈছো কিয় ?
চকু থাকিও অন্ধ কিয় ?
বিবেক থাকিও বিবেকহীন কিয় ?
কান থাকিও নুশুনো কিয়
মুখ থাকিও বোবা কিয় ?

----

# সোণ্বৰণী

স্নাতক ২য় বৰ্ষ
শ্ৰী ববিতা ডেকা

কিয় ? কিয় ? আহিছিলা তুমি
ক্ষন্তেকৰ বাবে আমাৰ মাজলৈ
ৰং বিৰংগৰ মালা সজাই,
তুমি আমাৰ অন্তৰ হুহুৱাবলৈ
আৰু কিয় ? তুমি গুচি গ'লা
আমাক থৈ কন্দুৱাই
চিৰ দিনৰ বাবে —।।

হেৰাই গ'লা তুমি
আমাৰ মাজৰ পৰা
কোনোবা যেন অজান দেশলৈ
অৰ্থ নোহোৱা বিদেশলৈ
বিচাৰিলেও নাপাও যেন
তোমাক আমাৰ মাজত —।।

আহিলা তুমি, ৰিব-ৰিব মলয়াৰ দৰে,
আৰু গুচি গলা তুমি বলিয়া বতাহৰ দৰে।।

# পাতি দৰং—

হে পাতিদৰং
তোমাৰ বুকুতেই ৰচো জীৱনৰ ৰঙীন সপো
তোমাতেই নিৰ্ভৰ ক'ত
উজাগৰী নিশাৰ সাৰ্থকতা।
তুমিওতো জানা
তোমাৰ অবিহনে
আজি আমি শূন্য।
তুমি হাঁহিলে
হাঁহে জোনাকে
আৰু আমাৰ হৃদয়ত
গৌৰৱৰ বন্তি জ্বলে।
আৰু কি হয় জানা !
তোমাৰ পদূলিৰ কনমানি
দুবৰিয়েও প্ৰান পাই উঠে।
তোমাৰ পৰিচয়
কেৱল 'পাতিদৰং মহাবিদ্যালয়' য়েই নহয়
তুমি আমাৰ
মৰমৰ পাতিদৰং।।
গৌৰৱৰ পাতিদৰং।।

প্ৰীতিমনি ডে
স্নাতক প্ৰথম

# কবিতা........................................................

শ্ৰীতপন কুমাৰ শৰ্ম্মা
প্ৰৱক্তা, অসমীয়া বিভাগ

আঘোনৰ কুঁৱলীসিক্ত দুবৰিৰ পাতে পাতে
চুই দিলেই নিসাৰ-সাৰ গাভৰু নিচুকী পৰুৱাৰ জাকে জাকে
নিজৰ ঘৰতেই নাদৰা-দৰাহৈ
আলহীক সোধা নাঙল ধোৱা পিঠা দিয়া
পতনুৱাজাকৰ নান্নং নবস্ত্ৰং ৰূপটিৰ মাজে মাজে
বহুদিন দেখিছোঁ
লুকাই আছে বহু অনন্তযৌৱনা কবিতা

নৈমিষাৰণ্যৰ হে অপৰাজিতা
তোমাৰ প্ৰগলভ প্ৰেমিকক বুজাই দিয়া
নহয় যে তেওঁ অপাংক্তেয়,
অপহৃতা অসুৰা ...........
নোকোৱা কিয় তেওঁক
অকল অলকাপান্তি নতুবা ওঁঠৰ লালিমাৰে সনা
ভাষাই নহয় কবিতা
জীৱনক জীয়াই ৰখা
সপোনক সজাই তোলা কবিতা
শব্দৰ অমোঘ ব্যঞ্জনা
সোণামুৱা..................
সোনতৰা ...................
তোমালোক জীয়াই থাকা
কবিতাৰ জ্যোতিৰে
প্ৰেমৰ দ্যোতিৰে
সোণাসেৰীয়া জীৱন তোমালোকৰ ..............................

# বিষাদ............

শ্ৰী পূৰৱী দাস
স্নাতক ২ য় বৰ্ষ

ৰুমালৰ পৰ্দাত জুমি চালে
এদিন তুমিও দেখিবা বিষাদৰ সুখ,
তেতিয়া মোক নুসুধিবা
বিষাদৰ অন্য নাম কি ?
এদিন তোমাক লৈ দেখিছিলো দুচকুত
আকাশৰ দৰে নীলা বৰণীয়া সপোনৰ ঘৰ,
লহ-পহকৈ ফুলিছিল বন্ধুত্বৰ বাগিছাত
গোলাপ তগৰৰ কোমল পাহি।
পূৱতিৰ হেঙুলীয়া ৰঙীন সপোনবোৰত
ডাৱৰে বিস্তাৰ কৰিছিল বিষাদৰ প্ৰতিক্ষনত
ৰ'দালিৰ কোমল পুৱাত বহি
পাতিছিলো অলীক কল্পনাৰ কথা।
কিন্তু, এতিয়া মই নিঠৰুৱা
ধূৱলী-কুৱলী জীৱনৰ প্ৰথম খোজত,
সমগ্ৰ বিশ্বজুৰি আত্মহাৰা হৈ
নোৱাৰিম ছাগে সাতুৰিব
এই বিশাল বিষাদৰ বৈতৰণী।

# অপ্ৰকাশ্য

মিছ ৰুপুমা বেগম
স্নাতক প্ৰথম বৰ্ষ

প্ৰিয়তম,
তুমি মুখ নুখুলিলেওঁ,
মধুৰ ভাষাৰে প্ৰকাশ নকৰিলেও
নুবুজা বহু কথাই বুজিপাওঁ।
তোমাৰ দৃষ্টিয়ে ঢুকি নাপায়
অন্তদৃষ্টিৰে অনুভৱ কৰিছোঁ
তোমাৰ দু নয়নৰ অপ্ৰকাশ্য ভাষা
আৰু অবুজ চাৱনিক।
প্ৰিয়তম,
হৃদয়ৰ জপনা খুলি দেখুৱালোহেতেন
দুঃখ বেথাৰে জৰ্জৰিত
মোৰ আহত প্ৰাণ,
তুমিতো নুবুজা
পায়ো হেৰুৱাৰ বেদনা
অসহনীয় কিমান।
তথাপি প্ৰিয়তম,
জীৱনৰ বাটত
কেতিয়াবা যদি লগপাওঁ
তোমাক জনাম মোৰ
আধৰুৱা সপোনবোৰ
আৰু কল্পনাৰ বালিঘৰৰ
অনেক সমল

# জালুকবাৰী

শ্ৰী মৰমী বড়ো
স্নাতক দ্বিতীয় বৰ্ষ

জালুকবাৰী মানেই হ'ল ফুলৰ বাৰী
নানাফুল ফুলি থাকে ভৰি
জবা, গোলাপ, তগৰ
জালুকবাৰী এখন ফুলৰ নগৰ
বকুল, আম, জাম বগৰী
তাত যে থাকে কিমান জীৱনৰ লগৰী
জালুকবাৰী বুলিলে মনত পৰে কৃষ্ণচূড়া
মনতে ভাবো জীৱনত নহওঁ কেতিয়াওঁ বুঢ়া
জলফাই, আমলখি, শিলিকা
জালুকবাৰীত থাকিলে নাভাবো
জীৱনটো যে টিলিকা
জালুকবাৰীৰ কথাগুনিলে ভাল লাগে
মোৰ মনতো তাতেই জাগে
ক'ত ফুল ফুলি আমোল মোলাই থাকে
তাৰ সুগন্ধি লবলৈ মোৰ মনে বিচাৰে
যাব মই পাৰিম তাত
যদিহে হব পাৰো অৰ্নাচসহ
মহাবিদ্যালয় পাছ।
জালুকবাৰীৰ কথা মই
বাতৰি কাকতত শুনি প্ৰেমত পৰিলো
সেয়ে ইমানতে মই
জালুকবাৰীৰ কথা সামৰিলোঁ।

# ‘এজাক ধুমুহা’

মিছ ৰহিমা বেগম
স্নাতক ১ ম বৰ্ষ

সিপাৰলৈ যাওঁ বুলি
হঠাতেই দিলো
নাওঁখনি মেলি।
এজাক ধুমুহাই আহি
নাওঁখন পেলালে ডুবি।
ক'ৰ পৰা যে আহিল
ধুমুহাজাক,
গমকেই নাপালো।
মৰিলো মৰিলো বুলি
মাৰিলো চিঞৰ
তথাপি নাহিল কোনো
আত্মীয় স্বজন।
কি হয় বাৰু
আত্মীয় স্বজনেৰে,
যদিহে নকৰে সহায়।
সেয়ে চোৱা
বিপদৰ বন্ধু পাবলৈ টান
যি নকৰে বিপদত সহায়
তেনে বন্ধুৰ প্ৰতি
নিদিবা মন কান।
সেয়ে ধুমুহা আহিলে
নকৰিবা ভয়,
সাহসেৰে আগুৱাই আহা
বিপদ হবই নিৰাময়।।

----

# মৰমৰ এনাজৰী

আইতাৰ কথাবোৰ কিয় জানো
ইমান মিঠা লাগে,
ইমান নিভাঁজ লাগে,
এনে লাগে যেন
মৰমৰ এটি তাগিদা
যেন চেনেহৰ এটি নিজৰা
সেই নিজৰাতেই
ভাঁহি ফুৰো আমি
প্ৰতিটো সন্ধিয়া
আকাশৰ তৰা লিখি লিখি
পৰীৰ সাধু শুনি শুনি
আইতাৰ আচলেৰে
লুকাভাকু খেলি
আইতাৰ কোলাতে
যাওঁ টোপনী।
এয়াই নেকি বাৰু
নিভাঁজ মৰমৰ এনাজৰী ?

নমিতা কাকতি
স্নাতক ২য় বৰ্ষ

# জীৱন বাটত

শ্ৰী তপন কাকতি
প্ৰাক্তন ছাত্ৰ

মই বিচাৰো এক যোগ্য সংগী
যাক মই কব পাৰো
মোৰ হৃদয়ৰ গুপুত বাণী
কিন্তু সিহতেতো একো নুবুজে
বুজে মাথো সিহতৰ নিজৰ স্বাৰ্থ
সেয়েহে
মই এক নিসংগ পখী
নিসংগতাই মোৰ একমাত্ৰ সংগী।
বুজিছো জীৱনৰ অৰ্থ
প্ৰকৃততে জীৱন মানে .............
এক ভীষন যুদ্ধৰ প্ৰয়াস
য'ত জয়লাভ কৰাটো অতি কষ্টকৰ
তথাপিও চেষ্টা চলাইছো মই
প্ৰানেপনে সংগোপনে আৰু একাত্মভাবে
জীৱন যুদ্ধত জয়লাভৰ বাবে
হাঁহি আৰু কান্দোনৰ এয়েতো জীৱন
দুখত ওলোৱা হাঁহিৰ ৰেঙনি
আজিয়ে মানুহৰ মুখত পাবলৈ তাকৰ
জীৱনটোৱে শিকায় আমাৰ জীৱনৰ গতি
যি গতিৰ বাটত আছে
অলেখজনৰ সপোন গুঞ্জন
সেই গুঞ্জনৰ পথে পথে
আছে লুকাই
আমাৰ জীৱনৰ লক্ষ্য।

---

# স্বাধীনতা

শ্ৰী পিংকী কুমাৰ (স্নাতক প্ৰথম ব

স্বাধীনতাৰ প্ৰতিটো পদ পথত বুভুক্ষাৰ কোলাহল
আমি দেখোন স্বাধীনতা পালোৱেই।
আমি নিৰ্য্যাতিতা নহয়।
কাৰণ, আমি স্বাধীন ভাৰতৰ স্বাধীন প্ৰজা গণতান্ত্ৰিক নাগৰি
আমি গণতান্ত্ৰিক সভ্যতাৰ সোপান।
তেন্তে মহানগৰীৰ দাষ্টবিনৰ খাদ্যৰ বাবে
এজাক মানুহৰ খণ্ডযুদ্ধ কিয় ?
অথবা এটা থকা ঘৰৰ বাবে সিহতৰ মহাযুদ্ধ
সিহতৰ বাবে ফুটপাত অভাৰব্ৰিজ ষ্টেচনেই
আপোন .......... ঘৰ।
আমি বাৰু স্বাধীন দেশৰ স্বাধীন নাগৰিক নে ?
আজি উলংগ স্বাধীনতাৰ তাণ্ডৱ নৃত্য
মৃত্যুৰ গহ্বৰত স্বাধীন ভাৰতৰ ককবকনি।

# হেপাহ

শ্ৰী মুক্তাৰাম ডেকা (প্ৰাক্তন ছাত্ৰ)

অজান পৃথিৱীত বিচৰণ কৰিবলৈ
মোৰ যে অশেষ হেপাহ
সেই হেপাহক পূৰণ কৰিবলৈ
পালন কৰিছো ভয়াবহ চেষ্টা।
নাজানো মই ভগ্ন জীৱনক পুৰাব
নোৱাৰো মানুহক হিংসা দৃষ্টিৰে চাব
আনৰ সুখত সুখী আনৰ দুখৰ দুখী
সংসাৰৰ অভিনয়ত ভাওঁ ধৰি
জীৱনৰ মূল্যবান দিন অতিবাহিত কৰি
আহিব বুলি এদিন সুখৰ দিন ঘুৰি
ঈশ্বৰক বিশ্বাস কৰি মনক বান্ধি ধৰি
সেয়েহে আছো মই
অজান পৃথিবীত বিচৰণ কৰি।

---

# প্ৰিয়া

শ্ৰী ব্ৰজেন ডেকা
প্ৰাক্তন ছাত্ৰ

যৌৱনৰ দোকমোকালিত
দেখিছিলো অনন্ত
আশাৰ সফুঁৰা বুকত বান্ধি
তোমাৰ সপোন।
মনৰ তুলিকাৰে
হিয়াৰ পটত
আলফুলে বুলাই বুলাই
তোমাৰ ছবিকে আকোঁ।
কটাইছিলোঁ উজাগৰী নিশা
বুকুত বান্ধি মাথো
তোমাৰ ছবিখনি।
অবুজ ভাষাৰে
নোৱাৰো বুজাব তোমাক
মোৰ হৃদয়ৰ অসীম ভালপোৱা
মৰম বোৰ।
নিস্তব্ধতাৰ শিকলি চিঙি
কেতিয়াবা সকলোৰে আগত
চিএঞৰি চিএঞৰি মাতিম
প্ৰিয়া মোৰ প্ৰিয়া
কেতিয়াবা তৰাৰ দেশলৈ
গুচি গলেও
তাৰ পৰা তোমাক
জুমি জুমি চাই থাকিম
আৰু ৰিঙিয়াই মাতিম।
প্ৰিয়া মোৰ প্ৰিয়া
তুমি মোৰ মাথো মোৰ।

# প্ৰেম প্ৰতীক্ষাৰ সপোন

শ্ৰী ৰুনুমী দাস
স্নাতক ৩ য় বৰ্ষ

সংগোপনে সাঁচি থৈছো।
মোৰ সপোনৰ প্ৰেমিকলৈ
মোৰ প্ৰথম প্ৰেম
যিজনে মোক শিকাব, বুজাব আৰু উপলব্ধি কৰাব
জীৱনৰ নতুন ৰহস্য, নতুন তথ্য
ৰাতিৰ নিস্তব্ধ মুহূৰ্তত
মই ৰিনি ৰিনি শুনো কেইটুকুৰামান নিনাদ ........।
উন্মুক্ত মোৰ জীৱন, প্ৰেম আৰু যৌৱন
পাৰিবা জানো মোক দিব কিছু মৰম .............
ৰাতিপুৱাৰ ন সুৰুযৰ দৰে
এদিন তুমি আন্দোলিত কৰিবা মোৰ দেহ, মন
ৰূপালী নিয়ৰৰ দৰে
জিলমিল কৰিবা মোৰ জীৱন
নতুবা এপল
ন সুৰেৰে মোৰ জীৱনৰ কোঁহে কোঁহে গান শুনাবা

কৃষ্ণচূড়াৰ ৰঙাফুলৰ পাহি কোচত
মোৰ চিৰসেউজীয়া সপোন অংকিত
তুমি মোৰ সপোনক দিঠক কৰাবা
আৰু পাৰিবা জানো বেদনাবোৰ আকোঁৱালি ল'বলৈ?
চকুপানীৰে বেদনাবোৰ উটুৱাই দিবলৈ ?
দুখৰ ৰাতি নুপুৱাই, তুমিতো জানাই
তথাপিতো তুমি বাৰু কবানে
কেতিয়াকে পুৱাব মোৰ সেমেকা ৰাতি ?

# জীৱনৰ দুপৰীয়া—

শ্ৰী চন্দনা দাস
স্নাতক ৩য় বৰ্ষ

প্ৰথম প্ৰথম
তোমাৰ এনে হৈছিল
বহুত কথা কব বিচাৰিছিলা
লাজে-ভয়ে ওঁঠৰ পৰা সৰি নপৰিছিল
বুকুত বান্ধি সময় সুখৰ স্মৃতি জোকাৰি
মনত পেলাইছিলা ..........।
কেনেকৈ কওঁ ....... ??
তোমাৰ সুখৰ সেউজীয়া সপোন
গুলপীয়া, কুমলীয়া পাত।
কেনেকৈ কবা
অকল শৰীয়া হ'লে
মনত পৰে বুলি ?
যদিহে সময় দিলো হেতেন
তেতিয়া গোপনে
ওঁঠৰ ওঁঠ জুৰি বাকি দিলা
সংকোচ নকৰাকৈ
উতনুৱা হেপাহৰে
আলফুলিয়া আখৰেৰে সুধিছিলা
কথা দিবানে বুলি ?
কথা দিলে পলম নকৰি
সপোনৰ আঙুঠি পিন্ধাম বুলি।

# অনুৰাগ—

শ্ৰী অনিতা ম
স্নাতক ৩য় ব

তুমি ভবাৰ দৰে
মই ভবা নাছিলোঁ
সেই অবুজ প্ৰেমৰ কথা
এতিয়া জানো মোৰ কি হ'ল
কবকে নোৱাৰিলোঁ
কেতিয়ানো তুমিমোৰ
হৃদয়ক স্পৰ্শ কৰিলা
মোৰ হৃদয়ৰ আপোনজন হৈ পৰিলা
এতিয়া মাথো মই তোমাকে বিচাৰো
মোৰ অন্তৰৰ আলাপ দিবলৈ
তুমি যে মোৰ
মইযে তোমাৰ
তুমি হিয়া উজাৰি কৰা
সেই মৰম বোৰ
আজি অনুভৱ কৰিছো মই
সেই আন্ধাৰতো খেপিয়াই ফুৰো মই
মাথো তোমাক কেৱল তোমাক।

# মহৎলোকৰ বাণী

শ্ৰী নৱ দাস (সংগ্ৰাহক)
প্ৰাক্তন ছাত্ৰ, পাতিদৰং মহাবিদ্যালয়

১। মই তোমাক ভাল পাওঁ, কিন্তু ক'ব নোৱাৰো অথচ নোকোৱাকৈও থাকিব নোৱাৰো।

-উৰ্দু

২। প্ৰেম নাজানিলে মই পূজাও নাজানিম।

- হেনৰি

৩। প্ৰেম নোপোৱাতকৈ পাই হেৰুৱাও বেছি ভাল।

- টেনিচন।

৪। বিফল প্ৰেমৰ কথা কাকো নক'বা, কাৰণ প্ৰেম কেতিয়াও বিফল নহয়।

- লংফেলো।

৫। প্ৰেমৰ বহল পথাৰমনত প্ৰৱেশ কৰিবলৈ হ'লে প্ৰথমে নিজেই তাৰ জপনামন খুলি ল'ব লাগিব।

- শ্বেইক্সপীয়েৰ

৬। যদি প্ৰেম বাধাৰ মাজেদি দিয়া বা লোৱা নহয় তেন্তে ই প্ৰেমেই নহয়।

- ছেমকীনে

৭। সৌভাগ্যবান সেইজনহে, যিজনে প্ৰেম কৰিছে আৰু বঞ্চিত হৈছে, কিন্তু দুৰ্ভগীয়া সেইজনহে যিজনেই প্ৰেমেই কৰি পোৱা নাই।

- শ্বেৰশ্বায়েৰী

৮। প্ৰেম এক সঞ্জীৱনী শক্তি। প্ৰেমৰ অৰ্থ মহান, সাৰ্বজনীন।

- ক'লবীজ

৯। জীৱনত কেতিয়াও পৰাজিত নোহোৱাটোৱেই পৰম গৌৰৱৰ কথা নহয়। পৰম গৌৰৱৰ কথা হ'ল কোনো ধৰণৰ পৰাজয়তে হাৰ নামানি কৰ্মক্ষেত্ৰত অগ্ৰসৰ হোৱাটোহে।

- গ'ল্ডাস্মিথ।

১০। ঈশ্বৰ মানে হ'ল সত্য, সত্য মানে হ'ল শান্তি। নিঃসন্দেহে ঈশ্বৰ সত্যৰ সমৰ্থক। সত্যৰ সদায়ই জয় হয়।

- মহাত্মাগান্ধী

১। জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ প্ৰয়োজন।

- আব্ৰাহাম লিংকন

২। নাবিক নিপুন হ'লে সামুদ্ৰিক বতাহ আৰু ঢৌ বোৰেও তেওঁক সহায় কৰে। - গিবন)

৩। তুমি সাহসী হোৱা আনক হত্যা কৰাৰ বাবে নহয়।

-মাদাৰ টেৰেছা

৪। ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰায়ে শ্ৰেয়।

- মহাত্মা গান্ধী

৫। তুমি জীৱনক ভাল পোৱানে ? যদি পোৱা তেনেহ'লে সময় নষ্ট নকৰিবা, কিয়নো সময়ৰ ধাতুৰেই জীৱন নিৰ্মিত।

- ফ্ৰেং কলিন

৬। ভাৰতৰ মাটিয়ে আমাৰ স্বৰ্গ, ভাৰতৰ কল্যানেই আমাৰ কল্যাণ।

- স্বামী বিবেকানন্দ

৭। উদ্দেশ্য যদি মহৎ হয়, কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে।

- ৰবীন্দ্ৰনাথ ঠাকুৰ


# কৌতুক

ৰাকেশে ওলোটাকৈ কোট পিন্ধি আহি আছিল। ওলোটা মানে আগফালটো পিছফালে পিছফালটো আগফালে। তাৰ মুক্তাই দুৰৈৰ পৰাই তাক লক্ষ্য কৰি আছিল। ৰাকেশ যেতিয়া ওচৰ পালেহি, তেতিয়া মুক্তাই সুধিলে – ৰাকেশ, তই বাৰু আছনে, গৈ আছ ?

এদিন এজন মানুহে ডাক্তৰৰ ওৰচলৈ গৈ কলে যে "ডাক্তৰ চাহাব, মোৰ সদায় ৰাতি টোপনি নাহে,"
ডাক্তৰ ঃ কিয় ?
"কাৰণ মই সদায় ৰাতি বহু দেৰিলৈকে টোপনি ৰখি ৰখি শুই পৰো।"

ল'ৰা ঃ তাৰ মানে তুমি মোৰ বিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা নাই।
ছোৱালী ঃ নাই কৰা।
ল'ৰা ঃ কিয়
ছোৱালী । কাৰণ মই তোমাতকৈ এবছৰ ডাঙৰ।
ল'ৰা ঃ কোনো কথা নাই, এবছৰ পিছত বিয়া পাতিম।

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ................



লুইতৰ পাৰৰে আমি যুৱক
সন্তান আমি আই অসমীৰ
লাচিতৰ তেজেৰে গঢ়িত মই
অসমৰ আমি অসমীয়া
জীয়াই ৰাখিম মান অসমৰ।।

প্ৰতিবেদনৰ কলিতে অসমীয়া জাতিৰ অস্থিত্ব ৰক্ষাৰ বাবে অসমীয়া ভাষা, সংস্কৃতি তথা অসমীয়া জাতিৰ হকে হেলাৰঙে প্ৰাণ আহুতি দিয়া জাতীয় বীৰ-বীৰঙ্গণা সকললৈ মই শ্ৰদ্ধাৰে পুষ্পাঞ্জলি নিবেদিছোঁ। এই চেগতে যি সকল মহান ব্যক্তিৰ ত্যাগৰ বলত উচ্চ শিক্ষাৰ অনুষ্ঠান ৰূপে "পাতি দৰং মহাবিদ্যালয়ৰ" অংকুৰণ ঘটিল তেওঁলোকক শ্ৰদ্ধা জনাইছো। এই চিৰ সুন্দৰৰ আৱিস্কাৰ হৈছিল ইং ১৮৮৯ চনৰ ৩১ আগষ্টত। এই মহান অনুষ্ঠানটিৰ হকে যি সকল দাদা, বাইদেউ, বন্ধু-বান্ধৱী তথা মৰমৰ ভাইটি-ভন্টিয়ে সেৱা আগবঢ়োৱাৰ সুবিধাকন দিয়াৰ বাবে শ্ৰদ্ধাৰে মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনাইছো।

ইং ২০০৬-০৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত অৱৰ্তীন হওঁ। নিৰ্বাচনত জয়ী হৈ ইং ২৮-১২-২০০৬ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব মুৰপাতি লওঁ। এনেকুৱা এটি পৰিস্থিতিত মই দায়িত্ব ভাৰ লৈছো যিটো সময়ত অসমৰ পৰিবেশ ধুৱলী-কুৱলী এক ভয়ঙ্কৰ আতংকৰে জৰ্জৰিত অৱস্থা। সমগ্ৰ অসমতে উগ্ৰবাদীৰ আতংক, ভদ্ৰসমাজৰ মুখা পিন্ধা ৰূপ, আনফালে যৌন ক্ষুধাতুৰ সকলৰ বলপূৰ্ব্বক ধৰ্ষণ, আনফালে আজিৰ অসমে শিক্ষাৰ ক্ষেত্ৰত ভয়ানক কলংকিত দুৰ্নীতিৰ বোজালৈ আস্থাহীনতাৰ মাজেৰে আজিৰ গতানুগতিক শিক্ষা গ্ৰহণ কৰি বৰ্তমান প্ৰতিযোগিতাৰ দিনত এক অনিশ্চয়তাৰ ভৱিষ্যতৰ পথলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকল বিশ্বৰ দৰবাৰলৈ আগবাঢ়িগৈ আছে।

আজি অসমতেই নহয় গোটেই বিশ্বতে অশান্তিৰ পৰিবেশ কিয় ? কাৰ বাবে ভাবিলেই আচৰিত লাগে, স্বয়ং বিশ্বশ্ৰেষ্ট মানুহ আমাৰ প্ৰাণীৰ বাবেই নহয় জানো। উপনিৰেশিক আৰু সাম্প্ৰদায়িক ৰাজনীতিয়ে দেশৰ ঐক্য শান্তি, সমতা, ভাতৃত্ববোধৰ ভেটি উছন কৰিছে।

আজিৰ ছাত্ৰ কালি দেশৰ নাগৰিক। এখন সমাজ তথা এখন দেশৰ প্ৰতি ছাত্ৰ সমাজৰ দায়িত্ব অপৰিসীম। ইয়াৰ পৰিচয় পোৱাযায় আমাৰ মহাবিদ্যালয় সমূহৰ পৰাই। আমাৰ শিক্ষাগত অভিজ্ঞতাৰ কাৰণ প্ৰকাশ কৰিবৰ বাবে এতিয়াও পুৰঠ নহয়। তথাপিও সকলোৰে দৃষ্টিত অসমৰ শিক্ষা জগতৰ ক্ৰমশঃ অৱনতি আজিৰ সমাজৰ চিন্তাৰ কাৰণ হৈ উঠিছে। নিচাযুক্ত দ্ৰব্য সেৱন, ৰেগিং, ধৰ্ষণ আৰু অসংযত কাৰ্য্য আদিয়ে মহাবিদ্যালয় সমূহৰ শৈক্ষিক পৰিবেশ বিনষ্ট কৰিছে। আমাৰ দৃঢ়তাই যেন অঞ্চলৰ শৈক্ষিক জগতখন বিনষ্টকাৰী শক্তিসমূহক পৰাভূত কৰি বৌদ্ধিক চিন্তা-চৰ্চাৰ শক্তিৰে ভৰা অসম গঢ়ি তোলে।

মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ উন্নত কৰাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী মহাবিদ্যালয়ৰ কতৃপক্ষ তথা সৰ্বসাধাৰণ ৰাইজৰ নজৰ দিয়া অতি প্ৰয়োজন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ পুনৰ উজ্জীৱিত কৰি ৰখাটোত Union ৰ দায়িত্ব অপৰিসীম

মই পাতি দৰং মহাবিদ্যালয়ৰ Senior শাখাৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি কেইবাটাত কাৰ্য্যসূচী চলাই নিও যদিও যথেষ্ট কম সময়ৰ কেইটামান কাৰ্য্যসূচী চলাব লগা হয়। মোৰ দৰে যেন নহয় অনাগত ভৱিষ্যতলৈ

তাৰবাবে সকীয়ালো। কাৰণ মোৰ কাৰ্য্যকালত কাৰ্য্যভাৰৰ বাবে আমি হাবাথুৰি খাব লগা হয় নিৰ্বাচন দেৰি হোৱাৰ লগ্ন কাৰ্য্যভাৰ গটোৱা অনিচ্ছাকৃত মনোভাৱৰ বাবে। যথেষ্ট খেলিমেলিৰ মাজতে মোৰ শক্তিশালী সিদ্ধান্তত মহাবিদ্যাল গৌৰৱময় খেল সপ্তাহ বিভিন্ন খেল-ধেমালি, নৃত্য-গীতেৰে উদ্‌যাপন কৰা হয়। ইং ২৭/১/২০০৭ তাৰিখৰ পৰা ৩১/১/২০ লৈকে বৰ্ণাঢ্য কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত হয়। প্ৰতিভা সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছা সকলে যোগদান কৰি প্ৰতিভা সপ্তাহৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

অইন বেলিৰ দৰে মোৰ কাৰ্য্যকালতো মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। ইয়াৰ মাজ্ঞ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, বাথৌ পূজা, শিক্ষক দিৱস, স্বাধীনতা দিৱস, আছুৰ সম্বৰ্দ্ধনা সভা, মিলাদ মেহফিল, মহাবিদ্যালয়ৰ তৃতীয়বৰ্ষৰ ছাত্ৰ ˚ গনেশ বড়োৰ স্মৃতিত শ্ৰদ্ধাঞ্জলী অনুষ্ঠানলৈ ছাত্ৰ-ছাত্ৰী সকলকলৈ যোৱা মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সমুহ কাৰ্য্যসূচীতে ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা সহায় সহযোগিতা কেতিয়াওঁ অস্বীকাৰ কৰিব নোৱাঁ আকৌ ইং ১৫ চেপ্তেম্বৰ ২০০৭ তাৰিখে বৰ্ণাঢ্য কাৰ্য্যসূচীৰে নতুনকৈ নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে উলহমালহ নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয়।

অভাৱ মানুহৰ জীৱনৰ লগৰী গতিকে অনুষ্ঠান এখনত অভাৱ অভিযোগ থকাটো স্বাভাৱিক। সেয়ে মোৰ কাৰ্য্যকাল বিভিন্ন অভাৱ-অভিযোগ পৰিলক্ষিত হৈছে। মহাবিদ্যালয়ত নিৰ্দিষ্টকৈ ছাত্ৰ-একতা সভাৰ স্থায়ী কাৰ্য্যালয় নথকাটো এটা প্ৰ অভিযোগ। ইয়াৰ ওপৰিও মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ সকলোৰে জ্ঞাত। ইয়াৰ ভিতৰত উন্নতমানৰ পুথিভড়াল এটি, ছা ছাত্ৰীৰ জিৰণী কোঠা, প্ৰত্যেকটো শ্ৰেণী কোঠাত বিজুলি পাংখাৰ অভাৱ, ছাইকেল ষ্টেণ্ডৰ দুখলগা অৱস্থা, ছাত্ৰ একতা সভ আৱশ্যকীয় সা-সামগ্ৰী, খেলা-ধূলাৰ সামগ্ৰী, প্ৰস্ৰাৱগাৰৰ লগতে লেট্ৰিন আৰু মহাবিদ্যালয়ৰ পাঠদান সমূহ ৰুটিন অনুস নোহোৱা ইত্যাদি অভাৱ দেখাগৈছে। উক্ত অভাৱ অভিযোগসমূহ মোৰ কাৰ্য্যকালত সমাধান কৰাৰ চেষ্টা কৰিছিলো যদি সম্পূৰ্ণৰূপে সফল হব নোৱাৰিলো। সেয়ে মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ অভাৱ অভিযোগ সমূহ ছাত্ৰ-ছাত্ৰী একতা সভ পৰৱৰ্তী সম্পাদকসকলে দূৰ কৰিব বুলি মই আশা কৰিছোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় তথা দিহা পৰামৰ্শৰ লগতে উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অধক্ষ্য মহোদয় মাননীয় শ্ৰীযুত গিৰিধৰ শৰ্মা দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম। তেখেতৰ উপৰিও শিক্ষাগুৰু মান তপন শৰ্মা, দুলাল শৰ্মা, মুকুটৰ ৰহমান, নিজামুদ্দিন, প্ৰমূখ্যে সমূহ চাৰ বাইদেউ। ইয়াৰ পিছত উল্লেখ কৰিব বিচাৰিছোঁ অতিকৈ মৰমৰ বন্ধু-বান্ধৱীৰে সহায় সহযোগীতা ক্ৰমে - তপন কাকতি, হেৰম্ব শৰ্মা, বিক্ৰম শৰ্মা, মুক্তৰাম ডেকা, ব্ৰজে ডেকা, অমল বড়ো, নিপেন দাস, গগন কলিতা, চম্পক ডেকা, মৃগাংক পটোৱাৰী, সবিতা শৰ্মা, গীতা ৰাণী ডেকা, বিভা দা ৰুমি কুমাৰ, কনকলতা বৰুৱা, প্ৰীতি দেৱী, ভনিতা দাস, জুৰি, আমিৰুল নাহৰ, ববিতা ডেকা, নমিতা কাকতি, মিতালি শ মানসী পাটোৱাৰী, মৃদুলা ডেকা, নৱ ডেকা, ৰাতুল ডেকা, মন্টু ডেকা, নৱ কুমাৰ ডেকা, আজাদ আলী (নিতুল), জেচমি অখিল, খাৰুল, ৰাজকুমাৰ, অৰূপ, দিব্য, সমৰ ডেকা, হেমন্ত কুমাৰ দাস, মৃদুলা ডেকা, গীতাঞ্জলী ডেকা, দিপ্তী ডেকা, আৰমি সুনিতা কাকতি, মিন্টু বেজবৰুৱা, গনেশ বড়ো, পংকজ বড়ো, নৱ শৰ্মা, বিপুল কাকতি প্ৰমুখ্যে মহাবিদ্যালৰ সমূহ শুভাকা বন্ধু-বান্ধৱী। পাতি দৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ তৰফৰ পৰা হিয়া ভৰা শুভেচ্ছা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ লগতে প্ৰতিবেদনত যদি কিবা ভুল-ত্ৰুটি হৈছে তাৰবাবে সদৌটিৰে ওচৰত ক্ষ বিচাৰি মোৰ প্ৰতিবেদন ইতি ৰেখা টানিছোঁ।

শ্ৰদ্ধাৰে

শ্ৰী লক্ষ্যধৰ চৌধুৰী (ৰাজ)

সাধাৰণ সম্পাদক

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন.........................



প্ৰতিবেদনৰ বুলনিতে প্ৰথমতে সেই সদাশয় ব্যক্তি সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ যি সকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত এই মহান অনুষ্ঠানটিৰ গঢ় দিছে। লগতে শ্ৰদ্ধা যাচিছোঁ আমাৰ ছাৰ-বাইদেউসকলক। তেখেত সকলে আমাক উচ্চ শিক্ষাৰ পোহৰ দেখুৱাইছে।

মই ২০০৬-০৭ ইং বৰ্ষৰ পাতি দৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হওঁ। যি সকল ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণাত মই মহাবিদ্যালয়ৰ নিচিনা মহান অনুষ্ঠানত সেৱা আগবঢ়োৰ সুযোগ দিলে তেওঁলোকলৈ মই প্ৰতিবেদনৰ জৰিয়তে হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত মই কি কৰিব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য। কিন্তু নানা অসুবিধাৰ ফলতো যিখিনি কৰিবলৈ সুবিধা পাইছো তাক হেৰুৱা নাই। দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতেই আমি পাতিদৰং মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ পালন কৰো। নবাগত আদৰণি সভা, সৰস্বতী পূজা, মিলাদ-এ-মেহফিল আদি অনুষ্ঠানো আমাৰ কাৰ্য্য কালত পালন কৰা হয়।

সদৌ শেষত মই পাতিদৰং মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰদ্ধাৰে -
আবুল কালাম আজাদ
সহঃ সাধাৰণ সম্পাদক, পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
২০০৬-০৭ বৰ্ষ ইং

## Result of Annual Sports-2006 of Pati Darrang College

1. 200 Miter Run (Boy's)
   i) Amal Dass / 1st
   ii) Diganta Nath / 2nd
   iii) Gagan Kalita / 3rd
2. 200 Miter Run (Girl's)
   i) Babita Rajbongshi / 1st
   ii) Babita Deka / 2nd
   iii) Miss Minulua Begum /3rd
3. 400 M. Run (Boys)
   i) Diganta Nath /1sts
   ii) Amal Das / 2nd
   iii) Pranjit Kumar /3rd
4. 100M. Run (Girls)
   i) Bhobani Das /1st
   ii) Babita Rajbongshi /2nd
   iii) Minuma Begum /3rd
5. Long Jump (Boys)
   i) Amal Das /1st
   ii) Diganta Nath /2nd
   iii) R.Rajbongashi /3rd
   Muhutor Rahman /3rd
6. Long Jump (Girls)
   i) Babita Rajbongshi / 1st
   ii) Kanaklata Baruah /2nd

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন........................



প্ৰতিবেদনৰ বুলনিতে প্ৰথমে সেই সদাশয় ব্যক্তি সকললৈ আন্তৰিক শ্ৰদ্ধা জনালো, যিসকল ব্যক্তিয়ে অক্লান্ত শ্ৰম কৰি মুৰৰ ঘাম মাটিত পেলাই এই মহান অনুষ্টানটি গঢ় দিলে।

মই ২০০৬-০৭ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকা হিচাবে জয়ী হওঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত বিগত বছৰৰে নিচিনাকৈ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ অভাৱ। যাৰ বাবে কিছুমান প্ৰতিযোগিতা বাতি কৰিব লগা হয়। মই ভাবো আমাৰ মহাবিদ্যালয়ত প্ৰতিভাৱান ছাত্ৰ ছাত্ৰী আছে, কিন্তু লাজ সংকোচত ওলাই না তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ কৰিবলৈ শিক্ষাৰ লগতে সংস্কৃতি ৰক্ষা কৰাটো ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য। সাংস্কৃতিয়ে মানু মাজত সোমাই থকা কলুষতাবোৰ দুৰ কৰি নিকা কৰে। গতিকে ইচ্ছুক ছাত্ৰ-ছাত্ৰীক মই অনুৰোধ কৰিছোঁ যে, উৎস অধ্যাপক মহোদয় সকলৰ লগত মিলিত হৈ এক গঠনমূলক পৰামৰ্শ গ্ৰহণ কৰি আগবাঢ়ি আহক আৰু নিজৰ নি প্ৰতিভা বিকাশ কৰি শিক্ষাৰ লগতে সাংস্কৃতিক দিশটো উন্নত কৰি সুনাম কঢ়িয়াই আনক।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ত খেল সপ্তাহ অনুষ্ঠিত হৈছিল। তাত মোৰ কেইখনমান খেলৰ দায়িত্ব আছি খেলবোৰ হল - অন্তক্ষাৰী, কবিতা আবৃতি কইনা প্ৰতিযোগিতা, একক অভিনয়, মুকাভিনয়, বিহুনৃত্য, ভেকচন প্ৰতিযোগি আদি।

এই খেল কেইখন চলাই নিয়াত মোৰ বন্ধু বান্ধৱী সকলে যথেষ্ট সহায় কৰিছিল। বন্ধু বান্ধবী সকল আফজাল আলী, হাৰুনৰ ৰচিদ, আমিনুল আলী, নিবাৰণ বড়া, লক্ষ্যধৰ চৌধুৰী, গগন কলিতা, ৰুনুমী দাস, চা চুলতানা, সোনমা বেগম, কনকলতা বৰুৱা, দিগন্ত নাথ, লগতে, মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় তথা পৰামৰ্শ আগবঢ়োৱা অসমীয়া বিভাগৰ প্ৰৱক্তা শ্ৰী তপন শৰ্মা, ৰাজনীতি বিজ্ঞানৰ মহঃ আব্দুল ৰচিদ, আৰবী প্ৰ মহঃ বাহৰুল ইছলাম, ইংৰাজীৰ প্ৰৱক্তা মহঃ মুকুটৰ ৰহমান চাৰ এইলোক আটাইলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞা কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যাল উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইয়াতে ইতি ৰেখা টানিলোঁ।

জয়তু পাতিদৰং মহাবিদ্যালয়

জয় আই অসম

মিছ মিনুমা বে

সাংস্কৃতিক সম্পাদিকা, পাতিদৰং মহাবিদ্যা

২০০৬-০৭

iii) Minuma Begum /3rd

7. High Jump (Boys)
   i) Diganta Nath /1st
   ii) Rakesh Ali /2nd
   iii) Ajijul Ali /3rd

8. High Jump (Girls)
   i) Babita Deka /1st
   ii) Minuma Begum /3rd

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন..................



প্ৰতিবেদনৰ আৰম্ভণিতে অস্তিত্ব ৰক্ষাৰ হেতু আত্মহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদ সকলক পবিত্ৰ শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু তেখেতসকলৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। লগতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি যি সকল মহান ব্যক্তিয়ে পাতিদৰং মহাবিদ্যালয় স্থাপিত কৰিলে সেই সকল ব্যক্তিলৈও আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

পাতিদৰং মহাবিদ্যালয়ৰ ২০০৬-০৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ পাই নথৈ আনন্দিত হোৱাৰ লগতে এই সুবিধাকল দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সকলোৰে ওচৰত চিৰ কৃতজ্ঞ।

যথাসম্ভৱ কিবা অলপ কৰিম বুলি শপত খাই মহাবিদ্যালয় এখনৰ সমাজ সেৱা বিভাগৰ গুৰু দায়িত্বলৈ মোৰ কাৰ্য্যকালেও কৰনীয় মই যে কিবা কৰিব পাৰিছো সেয়া ছাত্ৰ বন্ধু-বান্ধৱী তথা মাননীয় শিক্ষাগুৰু সকলৰ উপদেশত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ তথা সভা সমিতিৰ মঞ্চ সজা, চৌহদ পৰিস্কাৰ কৰা, বৃক্ষ ৰোপন লগতে শ্ৰেণী কোঠা পৰিপাটিকৈ ৰখা ইত্যাদি কথাবোৰত মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয় খনত আৰু বহুতো কৰিবলগীয়া কাম থাকি গ'ল, কৰা নহল ! কিয়নো মহাবিদ্যালয়খনৰ আৰ্থিক নাটনি হেতুকে কৰিবলগীয়া সকলো কাম কৰাতো সম্ভৱ নহল। তাৰবাবে সকলোৰে ওচৰত মই দুঃখিত । সেই হেতুকে মই প্ৰতিবেদন দীঘলীয়া কৰিব বিচৰা নাই। বিগত বছৰবোৰত ছাত্ৰ বন্ধু-বান্ধৱী সকলৰ সকলো অসুবিধা দূৰ কৰিব বুলি মাননীয় অধ্যক্ষ মহোদয় তথা মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালো।

শেষত মোৰ কাৰ্যকালৰ প্ৰতিটো কামতে দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে চাৰ বাইদেউ সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও নানা দিশত সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ বন্ধু-বান্ধৱী সকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

সদৌ শেষত অনিচ্ছাকৃত ভূল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি "পাতিদৰং মহাবিদ্যালয়ৰ" উত্তৰোত্তৰ কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"

"জয়তু পাতি দৰং মহাবিদ্যালয়"

শ্ৰী হেমন্ত কুমাৰ দাস
সমাজ সেৱা সম্পাদক

iii) Kanaklata Baruah /2nd

9. Whigh Thro (Boys)
   i) Lashshay Dhar Choudhury /1st
   ii) R. Rajbongshi /2nd
   iii) Nabajit Das /3rd

10. Whigh Thro (Girls)
   i) Bhabani Das /1st
   ii) Minuma Begum /2nd
   iii) Sajima Begum /3rd

11. Jebling Thro (Boys)
   i) Rajkumar nath /1st
   ii) R. Rajbongshi /2nd

# ছাত্ৰ জিৰণী কোঠাৰ বিভাগীয় সম্পাদিকা প্ৰতিবেদন............



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকলে দেশ মাতৃৰ হকে বুকুৰ কেঁচা তেজ বোৱাই প্ৰাণ উচৰ্গা দিলে আৰু সেই সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো, যিসকলে বিগত বছৰ কেইটিত আমাৰ মহাবিদ্যালয়ৰ পৰা চিৰদিনলৈ আতৰি গ'ল আৰু লগতে যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু প্ৰ-চেষ্টাত এই মহান অনুষ্ঠানটি গঢ়ি উঠিল। সেই সকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মই ২০০৬-০৭ ইং চনৰ পাতি দৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰ কোঠাৰ সম্পাদিকা বিভাগত বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হওঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ প্ৰতিভ সপ্তাহ আৰম্ভ হয়। প্ৰতিভা সপ্তাহত মোৰ বিভাগৰ লুডু আৰু পাঞ্জা এই দুয়োখন খেল অনুষ্ঠিত কৰো। কিন্তু দুখৰ বিষ এই যে যিটো পদৰ বাবে মই জয়ী হ'লো সেই পদৰ যেন কোনো বাহ্যিক অস্তিত্ব নাই। মাথো কাগজে কলমেহে জীয়া আছে এই পদটি। মহাবিদ্যালয়ৰ ছাত্ৰীৰ জিৰণী কোঠা এটি নথকাটো খুবেই আচৰিত কথা আৰু যেতিয়ালৈকে এ অভাৱ পূৰ্ণ নহয় তেতিয়ালৈকে আমাৰ মহাবিদ্যালয়ে যেন পূৰ্ণতা লাভ কৰিব নোৱাৰিব। সেয়ে মই আশা কৰো যে অনতি পলমে যাতে আমি আমাৰ মহাবিদ্যালয়ৰ পূৰ্ণতা উপলব্ধি কৰিব পাৰো।

সদৌ শেষত মোৰ সকলো দিশতে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী তথা মহাশয় মহাশয়া সকলৈ মোৰ শ্ৰদ্ধা যাচি অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মো প্ৰতিবেদনৰ ইয়াতে ইতি ৰেখা টানিলোঁ।

জয়তু পাতি দৰং মহাবিদ্যালয়

জয় আই অসম

মিছ সোনমা বেগ

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিক

পাতি দৰং মহাবিদ্যালয়, ২০০৬-০৭ বৰ্ষ

iii) Diganta Nath /3rd

12. Discush Thro (Girls)
   i) Minunu Begum / 1st
   ii) Bhobani Deka /2nd
   iii) Bobita Deka /3rd

13. Jebling Thro (Girls)
   i) Salma Sultana /1st
   ii) Bhibani Das /2nd
   iii) Chajima Begum /3rd

14. Kabadi (Boys) D ! Z
   i) Amal Das
   ii) Nabajit Das
   iii) Diganta Nath (C)
   iv) Ratan Deka
   v) Bikram Sarma

15. Discush Thro (Boys)
   i) Hemba Sarma /1st
   ii) Lakshay Dhar Choudhury / 2nd
   iii) Rajkumar Nath /3rd

16. Kabadi (Girls)
   i) Sajima Begum
   ii) Salma Sultana
   iii) Mimunu Begum
   iv) Bhobani Deka
   v) Bobita Deka

17. Magic Chair (Girls)
   i) Minuma Begum / 1st
   ii) Runumi Das /2nd
   iii) Jaslunin Begum /3rd

# খেল বিভাগৰ সম্পাদৰ প্ৰতিবেদন ..........................................



প্ৰতিবেদনৰ পাতনিতে যিসকল মহান ব্যক্তিৰ চৰম ত্যাগ আৰু একান্ত চেষ্টাত আমাৰ পাতিদৰং মহাবিদ্যালয়খনে আজিৰ এই অৱস্থা লাভ কৰিলে সেই সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

শিক্ষাৰ ক্ষেত্ৰত খেলা-ধূলা এটা অপৰিহাৰ্য্য অংগ। বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে খেল বিভাগটো এটা গুৰুত্ব পূৰ্ণ বিভাগ।

পাতিদৰং মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদক হৈ ছাত্ৰ ছাত্ৰীক সকলক শিক্ষাৰ লগতে শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰি মহাবিদ্যালয় খনিক ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই নিবলৈ মই অশেষ চেষ্টা কৰিছিলো। কিন্তু এই মহান শিক্ষা অনুষ্ঠানখনতে খেলৰ সামগ্ৰীৰ অভাৱৰ বাবে খেল সমূহ নিয়াৰিকৈ চলোৱাত অসুবিধাৰ সন্মুখীন হৈছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ ২০০৬-০৭ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ খেল সম্পাদক ৰূপে মোক নিৰ্বাচন সমূহ পাতিদৰং মহাবিদ্যালয়ৰ বন্ধু বান্ধৱীৰ্ক মই হৃদয় ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত প্ৰতিটো মূৰ্হুততে সু-পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ শ্ৰীযুত গিৰিধৰ শৰ্মা, প্ৰ-ক্তা মুকুতৰ ৰমহমান, প্ৰৱক্তা আব্দুল ৰচিদ আৰু প্ৰৱক্তা শ্ৰী তপন শৰ্মালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মোক বিশেষ ভাৱে সহায় সহায় কৰা বন্ধু মন্টু (ৰাধে) চম্পক, তপন, হেৰম্ব, লক্ষ্যধৰ, বিক্ৰম, ৰাকেশ, ৰূপুমি (পাৰ্লি) গুলচফি, নৱ, বিভা, হেমন্ত, ৰতন, অনুপম, গগন। মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

ব্যক্তিগত এযাৰ ঃ মোৰ এবছৰীয়া কাৰ্য্যকালত লাভ কৰা অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে আমাৰ পাতিদৰং মহাবিদ্যালয়খন ক্ৰীড়াৰ ক্ষেত্ৰত একেবাৰে পিছপৰা। যদিহে আমি সকলোৱে খেলা-ধূলাৰ মনোযোগ দিও তেতিয়া হ'লে আমি এই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিম।

সদৌ শেষত বিগত কাৰ্যকালত মোৰ জ্ঞাতে-অজ্ঞাতে হোৱা ভূলৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু বৃন্দ তথা পাতিদৰঙীয়ানৰ ওচৰত ক্ষমা বিচাৰিছো। আশাবাদী হৈ ৰৈছো দেশৰ গৌৰৱ কঢ়িয়াই আনিব পৰা খেলুৱৈ, আমাৰ মহাবিদ্যালয়ৰ পৰা জন্ম হোৱাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ। আৰু এই আশাৰেই

"জয়তু পাতিদৰং মহাবদ্যিালয়"

শ্ৰদ্ধাৰে -
শ্ৰীৰাজীব ৰাজবংশী (জোন)
খেল সম্পাদক ২০০৬-০৭ ইং বৰ্ষ



## সম্পাদনা সমিতি



গিৰিধৰ শৰ্মা
(উপদেষ্টা)



তপন কুমাৰ শৰ্মা
(তত্বাৱধায়ক)



দুলাল শৰ্মা
(সদস্য)



ৰাকেশ কুমাৰ ডেকা
(সম্পাদক)



আবুল কালাম আজাদ
(সদস্য)



হেমন্ত কুমাৰ দাস
(সদস্য)

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দ

